# কাবেয়ান

৬৯তম সংখ্যা



সম্পাদক : নৰজ্যোতি শইকীয়া

# কানৈয়ান

## কানৈ মহাবিদ্যালয় আলোচনী

৩৯ তম সংখ্যা ১৯৮৭-৮৮ চন

# KANOIAN

D. H. S, Kanoi College Magazine,
39th Issue. 1987-88

সম্পাদনাত
নৱজ্যোতি শইকীয়া

**কৃতজ্ঞতা জ্ঞাপন ঃ**

মহাবিদ্যালয়ৰ অধ্যক্ষ
শ্ৰীযুত কল্যাণ কুমাৰ বৰুৱাদেৱলৈ

●

প্ৰবক্তা শ্ৰীযুত প্ৰতীক চৌধুৰী, প্ৰবক্তা শ্ৰীযুক্ত সুনীল বৰঠাকুৰ,
আৰু তত্বাবধায়িকা শ্ৰীমতী জ্যোতিমালা গোঁহাই প্ৰতি—

●

বিভিন্ন লিখনিৰে অহিনা যোগোৱা ছাত্ৰ-ছাত্ৰী,
বন্ধু-বান্ধৱী সকললৈ—
আৰু
অধ্যাপক-অধ্যাপিকা সকললৈ—

●

বেটুপাতৰ শিল্পী প্ৰাণজিৎ বুঢ়াগোহাইলৈ—

●

হস্তলিখক— জগদীশ ৰয়লৈ—

●

আলোক চিত্ৰ গ্ৰহণকাৰী— বন্ধু অজিত দেউৰী ভৰালীলৈ—

●


মুদ্ৰক ঃ
কিৰণ অটো প্ৰিণ্টাৰ্চ
চাউল ধোৱা পুখুৰী পথ
বৰবজাৰ
তিনিচুকীয়া

**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| প্ৰবক্তা শ্ৰীমতী জ্যোতিমালা গোঁহাই | — | উপদেষ্টা |
| শ্ৰীনৰজ্যোতি শইকীয়া | — | সম্পাদক |
| শ্ৰীজান দত্ত | — | সদস্য |
| শ্ৰীঅমৃত বৰা | — | সদস্য |
| শ্ৰীৰাণা ৰাজকোঁৱৰ | — | সদস্য |
| শ্ৰীশৰৎ চিৰিং | — | সদস্য |
| আৰু | | |
| শ্ৰীমতী ডেইজি হাজৰিকা | — | সদস্যা |

অসমৰ প্ৰলয়ংকৰী বানপানীয়ে অকালতে
যি সকলৰ জীৱন কাঢ়িনিলে, যি সকল গৃহহীন হ'ল
সেই সকললৈ আমি কাণৈয়ানৰ
তৰফৰ পৰা গভীৰ
সমবেদনা জ্ঞাপন
কৰিছো

শ্ৰীবৃন্দাবন গোস্বামী
মন্ত্ৰী
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা
আৰু পৰিবেশ ।



অসম চৰকাৰ
৪।৪।৮৮ ইং

# শুভেচ্ছা বাণী

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগে বাৰ্ষিক মুখপত্ৰ 'কানৈয়ান'ৰ ৩৯ তম সংখ্যা চলিত বছৰত প্ৰকাশ কৰিব বুলি জানি মই অতিশয় সন্তোষ পাইছো ।

সাহিত্য সাধনাত একোখনি আলোচনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে । তদুপৰি একোটি সন্থাৰ তৰফৰ পৰা প্ৰকাশ পোৱা মুখপত্ৰখনে সন্থাৰ উদ্দেশ্য প্ৰকাশ কৰাৰ লগতে ইয়ে সাহিত্য সাধনাত আৰু শিক্ষা জীৱনত জ্ঞানবিকাশৰ বিশেষ সুবিধাদান কৰে । মই আশা কৰো শিক্ষাবিদ সকলৰ জ্ঞানগৰ্ভ প্ৰবন্ধৰাজিৰে সমৃদ্ধ হৈ 'কানৈয়ান'এ শিক্ষাবিষয়ক বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি শিক্ষক তথা ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান আহৰণত অনুপ্ৰেৰণা যোগাব ।

এনে এক প্ৰচেষ্টাৰ বাবে মই সন্থাৰ সকলো সদস্যলৈকে আন্তৰিক অভিনন্দন জনালো । 'কানৈয়ান'ৰ দীৰ্ঘায়ু আৰু সফলতা কামনা কৰি মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ ।

জনতাভৱন,
দিশপুৰ, ৪।৪।৮৮ ইং

স্বাক্ষৰ ঃ বৃন্দাবন গোস্বামী
শিক্ষা মন্ত্ৰী, অসম







**শ্ৰীকল্যান কুমাৰ বৰুৱা, এম, এ**
অধ্যক্ষ, কানৈ মহাবিদ্যালয়।

# শুভেচ্ছা বাণী

ডিব্ৰুগড়
২৪।৭।৮৮

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আলোচনীখন অলপতে প্ৰকাশ পাব বুলি জানিবলৈ পাই সুখী হৈছো। বিভিন্ন পৰীক্ষাৰ পয়োভৰ আৰু শিক্ষাবৰ্ষৰো খেলিমেলিৰ ফলত পলমকৈ হলেও আলোচনীখন প্ৰকাশৰ পথত। এনে আলোচনীয়ে ছাত্ৰ-ছাত্ৰীক নিজৰ সাহিত্য প্ৰতিভা প্ৰকাশ কৰিবলৈ আৰু তওঁলোকৰ মাজত ভাব বিনিময় কৰিবলৈ সীমিত ভাবেৰে হলেও সহায় কৰে। ই অকল ছাত্ৰ ছাত্ৰীসকলৰ মুখপত্ৰই নহয়, ইয়াত সন্নিবিষ্ট তথ্যপাতিৰে ই হৈ পৰে মহাবিদ্যালয়খনৰ এক প্ৰকাৰ বাৰ্ষিক ইতিহাসো। আশাকৰো আমাৰ আলোচনীখনতো ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন ক্ষেত্ৰত লভা কৃতিত্ব তথা মহাবিদ্যালয়ৰ অন্যান্য দিশ সামৰা তথ্যপাতিৰ লগতে নবীন লেখক লেখিকা সকলৰ সাহিত্য প্ৰতিভাৰ স্বাক্ষৰো পামহঁক। সম্পাদকলৈ অভিনন্দন, লেখক লেখিকা সকললৈ শুভেচ্ছা আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈকো মৰম যাচিলো।

ইতি,

স্বাক্ষৰ ঃ কল্যাণ কুমাৰ বৰুৱা।
অধ্যক্ষ, কানৈ মহাবিদ্যালয়

# বেটুপাতৰ ভাৱাৰ্থ

পৃথিবীখন বুঢ়া হৈ আহিছে—
বুঢ়া হৈ আহিছে আশাৰ বোজা কঢ়িওৱা যুৱকজন
যান্ত্রিক যুগৰ অভিশাপ
বৈজ্ঞানিক আবিস্কাৰ সমূহৰ পৰা অহা সংকট
ঘনীভূত হৈছে ।
তথাপিতো আমি আহি আছো
আস্থাৰ আকাশ বিচাৰি,
শান্তিৰ কপৌজনী আহি আছে
যুগে যুগে
ইতিহাসৰ পাতে পাতে
সেই একে গানৰে পুনৰাবৃত্তি ।

## Cover Symbolizes

'Tis An aging world—
A youth relentless laden with hopes as well.
An encircling gloom traffic to smother.
A monstrous world of fret and fever,
A monstrous world of science the bitter
Is in flux indeed !
Stick to an incessant journey-a turbulent river.
A pining for a sky-blue, peace and serenity
Is in flux indeed !
'Tis a flying Dove - Ah ! a herald of perfect peace
of this unintelligible world ,
A quest of mortal paradise Evergreen
'Tis a revision of the dirge
A repetition in the chronicles
In its leaves to leaves it come -
for Ages and ages together to come .

**Cover illustration : Pranjit Buragohain .**



## কানৈয়ান অনুক্ৰমণিকা ঃ—

সম্পাদকীয় .ঃ

**প্ৰৱন্ধ — ( ১ — ২০ )**

সাম্প্ৰতিক অসমৰ যুৱ মানসিকতা আৰু আৰ্থ সামাজিক কাৰণ / ডঃ মনোৰঞ্জন শৰ্মা / ১ ০ চুপাৰ কম্পিউটাৰ / অৰ্দ্ধেন্দু চক্ৰৱৰ্ত্তী / ৬ ০ মাদক দ্ৰব্য সেৱন আৰু ইয়াৰ নিবাৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা / প্ৰণৱজ্যোতি বড়া / ৮ ০ মিছিং লোক গীতত বিবিধ উপমা / দীপক পেগু / ১০ ০ সমাজৰ উন্নতিৰ শিক্ষা / অৰুণজিৎ গগৈ / ১৫ ০ বেজবৰুৱাৰ স্বাধীন চিতীয়া মনোভাৱ আৰু বৰ্ত্তমানৰ যুৱ সমাজ / লোকবিকাশ গগৈ / ১৭

**কেইটিমান শায়েৰী / ২০**

**গল্প ( ২১ — ৩০ )**

যুগৰ পৰিণতি / প্ৰতাপ লাহন / ২৯ ০ এটা অনামী গল্প / ত্ৰলোক্য বিজয় গগৈ / ২৪ ০ পৰিবৰ্ত্তন / পানীৰাম ডেকা মৰাণ/ ২৭ ০ মুখা / জয়ন্ত কুমাৰ দত্ত / ৩০

**উপন্যাসিকা ( ৩৩ — ৪১ )**

বনবিৰিখৰ ছাঁ / শেৱালী বড়া / ৩৩

**কবিতা ( ৪২ — ৫২ )**

কবিতা ৰচাৰ প্ৰাক মুহূৰ্ত্তত মনোৰঞ্জন হাজৰিকা / আশাৰ চলক ঢৌ / প্ৰদীপ কুমাৰ গোহাঁই / শৰৎ / কুমাৰ ভূষণজ্যোতি সন্দিকৈ / টুকুৰা ছবি / মনোৰঞ্জন ফুকন / সন্ধান / শ্ৰীমতী বীণা মেছ / অন্তৰঙ্গ এদিন / হিতেন্দ্ৰ কুমাৰ গগৈ / প্ৰেমৰ অন্য নাম / বিণজু বৰুৱা / প্ৰত্যাশা / প্ৰদ্যুৎ ৰঞ্জণ ঘৰফলীয়া / ৰূপান্তৰলৈ / দিপালী লাহন / সকিয়নি শেষ বাৰলৈ / নৱ কুমাৰ চিৰিং / স্বাধীনতাৰ সংজ্ঞা / যতীশ বৰুৱা / পঞ্জাৱৰ সোঁৱৰণত / মনোজ কুমাৰ নাথ / পৃথিবীৰ আৱৰ্জনাৰ মাজত / গোলাপ সন্দিকৈ / আজি ওৰে নিশা কবিতা লেখিম / যতীন মৰাণ / মৃত্যুক সৰ্মপিত / শিৱাজী পুৰকায়স্থ / হুমুনিয়াহ / ৰমেশ ফুকন / ব্লাড বেঙ্ক / হাচান ইকবাল আহমেদ / ক্ষুধা / বসন্ত ফুকন / ইতিহাস / তুলৰ্ভ চুতীয়া /

**বিবিধ ( ৫৩ — ৬৭ )**

সুন্দৰৰ বৰ চৰা — আলোকৰ যাত্ৰা / অধ্যাপিকা ফৰিদা শুৰুদ্দিন / ৫৩ / এখনি ব্যংগ চিত্ৰ — ছোভিয়েট দেশলৈ গৈছিলো / নৰেন দাস / ৫৫/ সৰস ৰচনা — হাঃ হাঃ হাঃ / তোলন দেউৰী / ৫৭ / মুখামুখি — খ্যাতিমান চিত্ৰশিল্পী / অভয় তুৱৰাৰ সৈতে কেইটিমান অন্তৰঙ্গ মুহূৰ্ত / ৫৮ / বিহংগম দৃষ্টিৰে কানৈ মহাবিদ্যালয় / ৬১ মত অভিমত / ৬৭/

**বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন**

CREDIT OF THEIR OWN

ENGLISH SECTION ( 1 — 23 )

## সম্পাদকীয়

### লুইত পৰীয়া ডেকাৰ কথাৰে ঃ

সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ ৰুচিৰও পৰিবৰ্ত্তন হোৱাটো স্বাভাৱিক। এটা শতিকাৰ আগতে মানুহৰ মাজত যি ৰুচিবোধ আছিল আজি উনবিংশ শতিকাৰ শেষ ভাগত সেই ৰুচিবোধৰ মাজত যথেষ্ট প্ৰভেদ দেখা পোৱা যায়। উনবিংশ শতিকাৰ শেষ ভাগত বৰ্ত্তমান মানুহৰ মাজত যি ৰুচিবোধ গঢ় লৈ উঠিছে সেইয়া নিশ্চয় শুভ লক্ষণ নহয়। বিশেষকৈ উঠি অহা ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ মাজত গঢ়লৈ উঠা ৰুচিৰ সুদূৰ প্ৰসাৰী ফলাফল অতি ভয়াবহ। যিহেতু আমি ছাত্ৰ ছাত্ৰী, যুৱক-যুৱতী সকলেই দেশৰ ঘাই খুটা স্বৰূপ। আমাৰ দ্বাৰাই সৃষ্টি হ'ব আন এটি Generation ৰ।

সৌ সিদিনালৈকে এটি অহিংস আন্দোলনৰ নেতৃত্ব দি বিশ্বৰ দৰবাৰত আলোড়ন সৃষ্টি কৰা অসমৰ একাম ছাত্ৰ ছাত্ৰী আজি বিকৃত যুৱ মানসিকতা, বিকৃত ৰুচিবোধ আৰু উশৃংখলতাৰ মাজত ডুব যোৱাৰ উপক্ৰম হৈছে। আমি দৌৰিব লাগিছো তথাকথিত পাশ্চাত্য আদপ-কাইদা আৰু সংস্কৃতিৰ মৰিচীকাৰ পাছে পাছে। পশ্চিমীয়া সংস্কৃতিৰ নামত হৈ চৈ কৰি আমি হেৰুৱাই পেলাইছো নিজস্বতা। অপ্ৰিয় সত্য হলেও এই কথা ক'ব লাগিব যে ছাত্ৰ সমাজত মাদকদ্ৰব্য, নিষিদ্ধ ঔষধ, অপৰাধ প্ৰৱণতা আৰু উশৃংখলতা বৃদ্ধি পাইছে। অসমৰ নাৰীয়ে "যুৱ সমাজ সচেতন হওক" বুলি ধ্বনি দি শুভাযাত্ৰা বাহিৰ কৰিছে। (যোৱা ইং ১৪।১০।৮৮ তাৰিখে তিনি-চুকীয়া চহৰত এই ধ্বনি দি এক বিৰাট মহিলা শুভাযাত্ৰা কৰা হয়।) লুইতৰ পাৰৰ ডেকাহঁতক এইদৰে মহিলাই শুভাযাত্ৰা কৰি সঁকিয়াই দিব লগা হোৱাটো ছাত্ৰ/যুৱক সকলৰ পক্ষে লজ্জাজনক কথা।

হে ছাত্ৰ বন্ধুসকল! বিদেশী বিতাৰণ আন্দোলনৰ সময়ত আমিয়েই জানো এই সকল নাৰীক মাজনিশা ৰাজপথলৈ উলিয়াই অনা নাছিলো? ক'লৈ গ'ল আমাৰ নাৰীৰ প্ৰতি থকা সেই মাতৃ-ভগ্নী মনোভাৱ? (নাৰী সকলেও ইয়াৰ কাৰণ চিন্তা কৰি চাওক) আমিয়েই জানো হাজাৰ অত্যাচাৰকো নেওচি হিয়া ভাঙি যোৱাকৈ চিঞৰা নাছিলো "আহ ঐ আহ, ওলাই আহ" বুলি? আমাৰ মাজৰেই দুলাল শৰ্মাই চান্দমাৰীৰ ৰাজপথত বুকুফালি তেজেৰে লিখি দিয়া নাছিল "তেজ দিম তেল নিদিওঁ বুলি? এনে মহৎ দৃষ্টান্ত বিশ্বত পাবলৈ নাই। ক'লৈ গ'ল আজি আমাৰ সেই দেশ-প্ৰেম, জাতীয়তাবোধ, সাহস? ক'ত হেৰাই গ'ল ৰাজপথত আইয়ে দিয়া গামোচাখন কান্ধত লৈ ৰণ শিঙা বজাই চিঞৰা উদাত্ত কণ্ঠস্বৰ?

কোনোবাই যদি সোধে বৰ্ত্তমান অসমৰ জ্বলন্ত সমস্যা কি বুলি তেতিয়া হ'লে বানপানী, নিবনুৱা, বিদেশী সমস্যা ইত্যাদি বাদ দি ক'ব লাগিব "বৰ্ত্তমান অসমৰ যুৱ মানসিকতা" বুলি। ই এক সামাজিক ব্যাধিত পৰিণত হৈছে। এই ৰুচি আমাৰ ছাত্ৰ সমাজৰ পৰা নাইকিয়া কৰিবলৈ জনমত গঢ়ি তুলিব লাগিব। চৰকাৰেও এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ ল'ব লাগিব। অন্যথাই অসম তথা অসমীয়াৰ অস্তিত্ব বিপন্ন হবলৈ বেছিপৰ নেলাগিব —

● **আলোচনী প্ৰকাশৰ প্ৰাক মুহুৰ্ত্তত ঃ**

বৰ আকস্মিক ভাৱেই যোৱা মহাবিদ্যালয়ৰ নিৰ্বাচনত এই পদত প্ৰাৰ্থীত্ব আগবঢ়াই বিনাপ্ৰতীদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত হওঁ। নিৰ্ব্বাচিত হৈ যিমান আনন্দিত হৈছিলো ভয়ো হৈছিল পাৰিম নে নোৱাৰিম্‌ পঢ়া শুনা বজাই ৰাখি এনে এটি গুৰু দায়িত্ব পালন কৰিবলৈ। দায়িত্ব ললো যেতিয়া পালন কৰিবই লাগিব। কেইদিনমানৰ পাছতেই বিভিন্ন প্ৰেছৰ পৰা Quotation সমূহ আহিল। Quotation সমূহ চাই বাৰুকৈয়ে হতাশ হৈছিলো কাৰণ মই ভবা আলোচনী খন কোনো এটা প্ৰেছেই ২২০০০ টকাৰ কমত উলিয়াব নোৱাৰে। আনহাতে আমাৰ আলোচনীৰ পুজি মাত্ৰ ১৭১৮০ টকাহে। মই আৰু বেচি হতাশ হৈছিলো যেতিয়া চুবুৰীয়া মহাবিদ্যালয়ৰ সম্পাদক সকলক আপোনালোকৰ Magazine fund কিমান বুলি সোধা প্ৰশ্নৰ উত্তৰত মাত্ৰ চল্লিশ হেজাৰ বুলি কয়।

আপোনালোকৰ কিমান বুলি ওলোটাই সুধিলে কওঁ— "মোটামোটী"। পিছলৈ এই প্ৰশ্ন সুধিবলৈ বাদ দিছিলো অৱশেষত ইং ১।৩।৮৮ তাৰিখে লিখনি সমূহ ছপাশালত জমা দিলোহি। ছপাশালৰ লগত হোৱা চুক্তি অনুসৰি জুলাই মাহৰ পোন্ধৰ তাৰিখেই আলোচনী ওলোৱা কথা আছিল যদিও কাৰ্যক্ষেত্ৰত সেয়া হৈ নুঠিল আলোচনী খন উলিয়াবলৈ যাওঁতে যিখিনি কষ্ট হ'ল সেয়া কেৱল সম্পাদকেহে জানে। অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি পাঠক সকলৰ হাতত "কানৈয়ান" খনি তুলি দিছো। মোৰ অপৈনত জ্ঞান বুদ্ধিৰে এই সংখ্যাৰ কানৈয়ানত কিছু নতুনত্ব আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। আশা ৰাখিছো পাঠক পাঠিকা সকলে মৰমেৰে আলোচনীখন আকোৱালী ল'ব আৰু গঠন মূলক সমালোচনা আগ বঢ়াব।

ছাত্ৰ ছাত্ৰী সকললৈ এটাই মাত্ৰ অনুৰোধ তেখেত সকলে সীমিত পুঁজিলৈ লক্ষ্য ৰাখিহে আলোচনী খনৰ মূল্যাংকণ কৰে যেন।

● বিজ্ঞাপন সম্পৰ্কেঃ—

আমাৰ মহাবিদ্যালয়ৰ আলোচনীত বিজ্ঞাপন দিয়াৰ পৰম্পৰা নাই যদিও আলোচনী শিতানত থকা সীমিত পুঁজিলৈ লক্ষ্য ৰাখি কাৰ্য্যকৰী কমিটিৰ সিদ্ধান্ত অনুসৰি দুই এটা বিজ্ঞাপন সন্নিবিষ্ট কৰা হ'ল।

● কৃতজ্ঞতাঃ কাৰ সন্নিধ্যৰ কোমল সুৰভি
বৈ পৰে মোৰ মনৰ প্ৰান্তে প্ৰান্তে
— প্ৰাণৰ বাট চ'ৰাত কৃতজ্ঞতাৰ
এটি তৰাফুল ফুলে —

যি সকল ব্যক্তিৰ সহায় আৰু প্ৰেৰণাক মূলধন হিচাবে লৈ আলোচনী খনে পোহৰৰ মুখ দেখিলে তেখেত সকল হ'ল —

● পৃষ্ঠপোষক :— শ্ৰী যুত কল্যান কুমাৰ বৰুৱা, অধ্যক্ষ।
● পাণ্ডুলিপি চাওঁতা " " প্ৰতীক চৌধুৰী প্ৰৱক্তা
" " সুনীল বৰঠাকুৰ "
● তত্বাবধায়িকা শ্ৰীমতী জ্যোতিবালা গোহাঁই "
● ব্যৱস্থাপনাত ঃ মহাবিদ্যালয়ৰ কৰ্মচাৰী শ্ৰীযুত বন্তি কাকতি, প্ৰফুল্ল দাস, ৰমেশ দাস, অভয়পুৰিয়াদা আলিদা আৰু গ্ৰন্থাগাৰৰ নীৰদা বাইদেউ।
● স্কেচ ঃ গুৱাগাটীৰ অৰুন বৰা, চাবুৱাৰ ফিৰুজ খাউণ্ড।
● হস্তলিখক ঃ জগদ্বীশ ৰয়।
● বেটুপাত ঃ প্ৰাণজিৎ বুঢ়াগোহাঁই।
● আলোকচিত্ৰ ঃ অজিত দেউৰী ভৰালী।
● ছপাশালৰ বাবে পাণ্ডুলিপি লিখোতাঃ বান্ধৱী যুৱৰানী' ৰঞ্জিতা, নমিতা, ডেইজী, ভন্টি পপী আৰু ৰিঞ্জু।
● বিশেষ পৰামৰ্শদাতাঃ শ্ৰদ্ধাৰ পৰাগজ্যোতি বৰুৱা, তৰংগ কল্লোল শইকীয়া, স্বনত বৰুৱা, কল্পনা গগৈ, ৰুণুমী বৰুৱা আৰু অলকানন্দা বৰুৱা।
● সহযোগী ঃ তৰুন বুঢ়াগোহাই, প্ৰশান্ত কোঁৱৰ, ৰমানন্দ দাস, প্ৰবিত্ৰ বুঢ়াগোহাঁই আৰু পৰেশ বৰা।

পৰিশেষত কানৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক "কানৈয়ান" খনি সম্পাদনা অনুশীলনৰ সুযোগ দিয়াৰ লগতে এনেহেন এটি গুৰু দায়িত্ব বহন কৰিবলৈ উৎসাহ উদ্দিপনা যোগোৱাৰ বাবে সকলো বন্ধু বান্ধৱী, হিতাকাংক্ষীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

নৱজ্যোতি শইকীয়া
সম্পাদক, কানৈয়ান
কানৈ ছাত্ৰ একতা সভা।
১৭-১০-৮৮

প্ৰবন্ধ

# প্ৰ ব ন্ধ

সাধাৰণ ভাষাত প্ৰৱন্ধ হ'ল প্ৰকৃতি, জগত আৰু জীৱন সম্পৰ্কে কোনো বিষয়ৰ অৱতাৰণা কৰি বা বাস্তৱ জগতৰ পৰা কোনো এটা মৌলিক বা গতিশীল বিষয় বস্তু লৈ আত্ম-সচেতন মনোভাৱেৰে সুবিচাৰ বুদ্ধি আৰু দৃষ্টিভংগীৰে তাৰ ওপৰত আগবঢ়োৱা বিজ্ঞান সন্মত বা গৱেষণামূলক আলোচনা ।

প্ৰবন্ধ

# সাম্প্ৰতিক অসমৰ যুৱ মানসিকতা আৰু আৰ্থ-সামাজিক ব্যৱস্থা

ডঃ মনোৰঞ্জন শৰ্ম্মা
প্ৰবক্তা, অৰ্থনীতি বিভাগ

পঢ়া শুনা কৰি কি হ'ব ! ......বাদ দে, চাকৰি এটাও যোগাৰ নহ'ল । ... ব'ল, ব'ল তাত ভাল টকা আছে । ......শ্ৰমৰ মৰ্য্যদা দিবই লাগিব । ......প্ৰতি-যোগী সমাজত প্ৰতিজ্ঞা কৰিবই লাগিব । ...ৰাজনীতিতেই প্ৰবেশ কৰিম । লক্ষ, সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন শোষিত-শোষকৰ ব্যৱধান হ্ৰাস কৰিমেই । ......জয় আই অসম । এনেবোৰ উক্তি সঘনাই বিভিন্ন স্তৰত বিভিন্ন স্থান আৰু সময়ত শুনিবলৈ পোৱা যায় । এনে চিন্তাৰ নায়ক যুৱ সমাজ আৰু পটভূমি হৈছে প্ৰচলিত কেৰোণযুক্ত আৰ্থ-সামাজিক ব্যৱস্থা । তিনি আলি, ৰেষ্টুৰেণ্ট, শিক্ষানুস্থান ৰাজহুৱা স্থান আদিত শুনা এনে উক্তি উলাই কৰা বিধৰ নহয় । ইয়াৰ মাজেদি যুৱ মানসিকতাই কোন দিশত গতি কৰিছে তাৰ উমান পোৱা যায় ।

সাম্প্ৰতিক অসমৰ যুব মানসিকতাৰ বিচাৰ কৰিবলৈ যাওঁতে আমাৰ আৰ্থ সামাজিক তথা ৰাজনৈতিক অৱস্থাৰ ওপৰতো এবাৰ চকু ফুৰোৱা প্ৰয়োজন অনুভৱ কৰি কেইটামান বৈশিষ্ট ডাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে । ৰত্নগৰ্ভা, শস্য শ্যামলা, মনোমহা অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিপূৰ্ণ অসম, স্বাধীন ভাৰতৰ এখন পিছপৰা, অৱহেলিত ক্ষুদ্ৰ অঙ্গ ৰাজ্য । প্ৰাক স্বাধীন কালত অসম এখন পূৰ্ণাঙ্গ স্বতন্ত্ৰীয়া ৰাজ্য আছিল যদিও, ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ মহান অংশীদাৰ হৈ অসমেও নিজ সভ্য পৰিচয় পৰিহাৰ কৰি ভাৰত যুক্ত ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হ'ল । বৃটিচ শাসক সকলে চলোৱা উপনিবেশিক নীতিৰ পৰিসমাপ্তিৰে এখন সমৃদ্ধিশালী অসম ৰাজ্য গঢ়ি তোলাৰ ৰঙীন কল্পনাৰে ভাৰতীয় ঘাই সুঁতিত মিলিত হৈ অসমবাসীয়েও আনন্দৰ দিন বোৰৰ বাবে অতি উল্লাসেৰে বাট চাব ধৰিলে । স্বাধীনোত্তৰ কালত দিল্লীৰ প্ৰশাসনে ৰাজ্য পুনৰ্গঠন আইনৰ যোগেদি অসমক ভাগ ভাগ কৰি, নগালেণ্ড, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰাম চাৰিখন নতুন ৰাজ্যৰ সৃষ্টি কৰিলে। ইয়াৰ আগেয়ে প্ৰতিবেশী ৰাজ্য ত্ৰিপুৰা আৰু মণিপুৰেও পূৰ্ণাঙ্গ ৰাজ্যৰ মৰ্য্যাদা লাভ কৰিছে । সাত ভনী নামেৰে জনাজাত এই উত্তৰ পূৰ্বাঞ্চল আজিও অৱহেলিত, পিচ পৰা। অগ্ৰজ সকলে পূৰ্বৰ অবিভক্ত অসমৰ পাহাৰ ভৈয়ামৰ মাজৰ উন্নয়নৰ সমন্বয় সাধন কৰিব নোৱাৰা বাবেই হওক বা ৰাজনৈতিক অদূৰদৰ্শিতাৰ বাবেই হওক আজি অসমখন ভাগ ভাগ হ'ল । পাহাৰীয়া জিলা কেইখনে নিজাববীয়াকৈ একোখন ৰাজ্য উপহাৰ পালে । পাহাৰ ভৈয়ামৰ এনাজৰী ডাল কটকটীয়াকৈ ধৰি ৰাখিও এই উত্তৰ পূৰ্বাঞ্চলৰ জন-গণৰ সামগ্ৰিক উন্নয়নৰ বাবে সমন্বিত প্ৰচেষ্টা অব্যাহত আছে আৰু যুব সম্প্ৰদায়ে এই পৰিস্থিতি এক প্ৰত্যাহ্বান হিচাবে গ্ৰহণ কৰিব লগীয়া হৈছে । যিদৰে পুণ্য ভাৰতভূমি বৈচিত্ৰময়, অনৈক্যৰ মাজতো ঐক্য তাতোকৈ ভাৰতৰ এই উত্তৰ পূৰ্বাঞ্চল বাৰে ৰহণীয়া সংস্কৃতিৰে পৰিপূৰ্ণ পাহাৰ

ভৈয়ামৰ জন সাধাৰণৰ মিলনৰ এক পবিত্ৰ ক্ষেত্ৰ। আজি অঞ্চলটোৱে প্ৰত্যেকেই কান্ধত কান্ধ মিলাই আগুৱাই যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ। অসমৰ আৰ্থ সামাজিক অৱস্থাৰ বিচাৰ কৰিবলৈ হ'লে সামগ্ৰিক ভাবে উত্তৰ পূৰ্বাঞ্চলৰ পৰিস্থিতিও সমানে গুৰুত্ব লাভ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ ঘাই দুৱাৰ দলি হিচাবে ভৌগলিক ভাবে উপযুক্ত অসম ৰাজ্যখন এতিয়াও উন্নত নহয়। দুৰ্বল জনে দুৰ্বলতৰ জনৰ লগত তুলনা কৰি নিজকে শক্তিশালী বুলি বিবেচনা কৰা যি দৰে নিৰৰ্থক ঠিক সেইদৰে আজি অসমেও স্বাধীনোত্তৰ কালত লাভ কৰা প্ৰগতি উত্তৰ পূৰ্বাঞ্চলৰ আন ৰাজ্য সমূহৰ উন্নয়নৰ মাপ কাঠিৰে উন্নত বিবেচিত হলেও প্ৰকৃতাৰ্থত এই মূল্যায়নে তাৰ বিপৰীত ছবি এটাহে ডাঙি ধৰে।

অসমৰ জনমূৰি আয়, ৰাজ্যিক আয় ভাৰতবৰ্ষৰ আন আন শিল্প, উদ্যোগ, বাণিজ্য আদিৰ দিশত উন্নত ৰাজ্য সমূহৰ তুলনাত নিম্ন স্তৰৰ। ৰাজ্যখনৰ শিক্ষিত লোকৰ হাৰো সন্তোষজনক নহয়। আনহাতে দেশ ব্যাপি দেখা দিয়া জাতীয় সমস্যা সমূহ যেনে জনসংখ্যা বৃদ্ধি, কৰ্মহীনতা, মূল্য বৃদ্ধি, লেহেমীয়া অৰ্থনৈতিক উন্নয়ন, আঞ্চলিক অসমতা আদি অসমত ব্যাপক তথা প্ৰকট ৰূপত দেখা যায়। স্বাধীনোত্তৰ কালত দেখা দিয়া আঞ্চলিক অসমতা অসম তথা উত্তৰ পূৰ্বাঞ্চলত বাৰুকৈয়ে পৰিলক্ষিত হৈছে। গ্ৰাম্য আৰু চহৰ অঞ্চলৰ মাজৰ অৰ্থনৈতিক উন্নয়নৰ বৈষম্য ভাৰতীয় অৰ্থনীতিৰ এক মুখ্য বৈশিষ্ট হলেও অসমৰ বেলিকা এই সমস্যা অধিক জটিল। গ্ৰাম্য অৰ্থনীতিত, গ্ৰাম্যাঞ্চলৰ জনগণক এতিয়াও পৰিচালনাৰ সুফল সমভাবে বিতৰণ কৰিব পৰা নাই। এনে এক জটিল পৰিস্থিতিতেই যুব সমাজে আজি আগবাঢ়িব লগীয়া হৈছে হতাশ কিম্বা প্ৰত্যাহ্বান এই দুই অন্তৰ্দ্বন্দৰ মাজদি। ইয়াতেই প্ৰতিফলিত হয়, যুব মানসিকতা।

যুব সম্প্ৰদায় সমাজৰ ভৱিষ্যতৰ আশা ভৰষাৰ থল। এওলোকৰ অদম্য হেপাহ, উৎসাহ, আশা আকাঙ্খাই যিদৰে ভৱিষ্যত বংশধৰ সকলৰ স্থিতি আৰু উন্নয়নৰ গতি নিৰ্ণয় কৰে, পথ ভ্ৰষ্ট লক্ষ বিহীন কাৰ্য্যকলাপ সৰ্বকালৰ সৰ্বনশীয়া দিন বোৰবো অশুভ ইঙ্গিত বহন কৰে। যৌৱনৰ দুৱাৰ দলিত ঠিয় হৈ মহা বলেৰে বলীয়ান যুৱ সমাজে মন কৰিলেই সকলো কামকে কৰিব পাৰে ইয়াৰ বাবে প্ৰয়োজন মাথো এখন সুস্থ সবল সমাজ ব্যৱস্থা আৰু গতি নিয়ন্ত্ৰক এক শক্তি। এই দুই শক্তিয়ে আকাঙ্খিত দিশত সফলতাৰে বৰঙনি যোগাব নোৱাৰিলেই সমাজৰ আটাইতকৈ শ্ৰেষ্ঠ তথা বলীয়ান এক শক্তিৰ অপচয় হবলৈ ধৰে। এনে এক দোমোজাত সৃষ্টি হয় মানসিকতাৰ উত্তৰণ নাইবা স্খলন। সেয়েহে নিজ সমাজ তথা দেশৰ কল্যাণৰ হকে চিন্তা কৰা সকলে যুৱ মানসিকতাই কৰা গতিৰ ওপৰত অধিক সতৰ্কতাৰে দৃষ্টি ৰাখিব লগীয়া হয়, অন্যথাই ইয়াৰ ভয়াবহ পৰিণামৰ বাবে জনগণক ঠেলি দিয়া হয়।

"পঢ়া শুনা কৰি কি হব।" "চাকৰি এটাও যোগাৰ নহল।" এনে মনোভাব আজি সমাজৰ যুৱ মানসলৈ স্বে আহিছে তাক বিনা দ্বিধাই কব পাৰি। প্ৰকৃততে পঢ়া শুনা কৰি লাভ নহয় নেকি? শিক্ষা আৰু চাকৰি একেলগে বিচাৰ কৰি, নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপটো দেখিলেই শিক্ষিত সম্প্ৰদায়ৰ এনে মনোভাব উলাই কৰা বিধৰ নহয়। চৰকাৰী তথ্য মতে অসমত ১৯৮৭ চনৰ আগষ্ট মাহলৈ নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীভুক্ত কৰা নিবনুৱাৰ সংখ্যা হৈছে ৪.৪৮ লাখ। ইয়াৰ পৰা ইয়াকেই বুজিব পাৰি নেকি যে অসমত শিক্ষিত লোকৰ সংখ্যা দ্ৰুত গতিত বাঢ়িছে? প্ৰকৃততে সমস্যাটো পৃথক ধৰ্মী। অসম শিক্ষাৰ ক্ষেত্ৰত এতিয়াও পিচপৰা। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাই যি শিক্ষা দিছে সেয়া কৰ্মমুখী নহয় আনহাতে কৰ্ম-সংস্থান সৃষ্টি কৰাৰ ক্ষেত্ৰত চৰকাৰ সলনি হ'ব পৰা নাই। মানৱ সমাজ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰচনা কৰা কৌশল বা নীতি সমূহে এতিয়াও সুফল দিব পৰা নাই। মানৱ সমাজক কামত খটুৱাব নোৱাৰাৰ বাবে জগৰীয়া কোন? নিজকে অপ্ৰয়োজনীয় বুলি বিবেচিত হোৱাৰ পিছত হতাশাত ভৰা বেদনাক্লিষ্ট মনোভাৱ এটি সংঘবদ্ধ ভাবে সৃষ্টি হবলৈ দিয়াত কাক দোষ দিয়া হব? যুব সমাজক নে

যুব সমাজৰ গতি নির্ণায়ক সকলক ? ইয়াতেই প্রশ্ন হয় যুব শক্তি নিজেই পথ প্রদর্শক আৰু ভাগ্য নির্মাতা ৰূপত বিচাৰ কৰিলে এই ভয়াবহ সমস্যাৰ বাবে সমাধানো নিজেই উলিয়াব লাগিব। কর্ম সংস্থান নাই, একো নহব বুলি হাত সাবতি বহি থকা সকলৰ মনত পুনৰাই আশা সঞ্চাৰ কৰাৰ বাবে পদক্ষেপ গ্রহন কৰিব লাগিব। প্রতিযোগী সমাজখনত নিজ ভূমিতে নিজকেই অযোগ্য হ'বলৈ এৰি দিয়া প্রৱণতাৰ ঠাই কৰিব লাগিম নতুন উদ্যম আৰু একাণপতীয়া চেষ্টাই। অসমৰ ত্রুটিপূর্ণ শিক্ষাৰ বাবেই যে কর্মহীনতা সৃষ্টি হৈছে এনে নহয়। সৰ্বভাৰতীয় সেৱা সমূহত একে পর্য্যায়ৰ অকাৰিকৰী শিক্ষা লাভ কৰিও দেখোন আন ৰাজ্যৰ যুৱক যুৱতীয়ে যোগ্যতাৰ ভিত্তিত শ্রেষ্ঠত্ব অর্জন কৰিছে। এই বিষয়ে আমাৰ যুৱ সমাজে মনোযোগ দিব নে ?

আজিৰ যুগটো হৈছে, "যোগ্য ভোগ্য বসুন্ধৰা" আদর্শৰ ওপৰত প্রতিষ্ঠিত ! মানবীয় প্রমূল্য বা চিৰন্তন প্রমূল্য সমূহ উটি ভাহি যাব ধৰিছে। এনে যুৱ সন্ধিক্ষনত মানৱ জাতিয়ে বিশ্ব শান্তি, ভাতৃত্ব, বন্ধুত্বৰ কথাও বেচি গুৰুত্ব নিদি অৰিয়াঅৰি, যুদ্ধ, শোষণ, দমণ আদি নীতিৰ ওপৰত হে অধিক গুৰুত্ব আৰোপ কৰা। প্রৱণতাই গভীৰ ভাবে চিন্তিত কৰি তুলিছে। সামাজিক অন্যায়, অবিচাৰ, শোষণৰ ধুম উঠিছে। লগে লগে, সহজ লভ্য, হ্রস্ব পথৰ সন্ধানত সমাজ এনে ধৰণে ব্যস্ত যাতে জীৱন নির্বাহৰ মান উন্নত কৰাৰ পথ প্রশস্ত হয়। এনে এক পটভূমিতেই আমাৰ ডেকাসকলেও সহজতে উপার্জন কৰিব পৰা পথৰ সন্ধান নিবিচৰা নহয়। ব্যক্তিগত ক্রয় ক্ষমতা বৃদ্ধিৰ অর্থে ক'ত ভাল (সৰহ অথচ কম আয়াসতে) টকা পোৱা যায় তাৰ সন্ধান দিয়া জনে তেওঁৰ সঙ্গী কৰাত অকনো অসুবিধা নেপায়। এনে পথ প্রদর্শনকাৰীয়ে এহাতেদি ক'তো এটি আচোৰো নপৰাকৈয়ে নিজ কর্তব্য সমাপন কৰাটোকে বুজাব পাৰে আৰু কেতিয়াবা ই পৰোক্ষভাবে দুর্নীতিগ্রস্ত পথ দেখুৱাইও প্রলোভিত কৰিব পাৰে। দ্বিতীয় পথটোৱে ভবিষ্যতৰ আশা ভৰষাৰ থল বুলি ভবা সকলক যাতে আকর্ষিত কৰিব নোৱাৰে তাৰ বাবে সজাগ দৃষ্টি ৰাখিব লাগিব আৰু ইয়াতেই যুৱ মানসিকতাৰ ওপৰত প্রভাব পৰে।

শ্রম মর্যাদাৰ মোল বুজা সকলে সমাজত কর্মহীনতাৰ সমস্যাৰ দ্বাৰা আক্রান্ত নহয়। পূর্ব পুৰুষে নকৰা কাম (বৃত্তি) এটা গ্রহণ কৰিলেই এজন যুৱক অস্পৃশ্য হব নোৱাৰে। আমাৰ জাতিভেদ প্রথাৰ ওপৰত প্রতিস্থিত সমাজ ব্যৱস্থাই আধুনিক সমাজ খনকো ক্ষতিগ্রস্থ কৰাই নহয়, গতিশীলতাৰ প্রতিবন্ধক হৈ আহিছে। এই ব্যাধি আতৰ কৰাৰ অন্যতম অস্ত্র হিচাবে শ্রম মর্য্যাদাৰ নব মূল্যায়ণ কৰা উচিত। যুব সমাজে সাংগঠিত ৰূপত ওলাই আহিলে এই প্রাচীৰ ওফৰাই দিয়াটো সম্ভব হৈ উঠিব। 'আহ ঐ আহ, ওলাই আহ,' স্বাবলম্বী হওক ধ্বনি দি অসমৰ আকাশে বতাহে আলোড়ণ সৃষ্টিকাৰী যুব সমাজৰ বাবে এই আহ্বান পৰিচিত, কিন্তু এই আহ্বানে খোপনি পুতিব পৰা নাই। যুব মানসত যেন এই সময়ৰ আহ্বান আজি অপ্রসাঙ্গিক হৈ উঠিছে। প্রকৃততে ইয়াৰ প্রাসঙ্গিকতা বাঢ়িছেহে। আমি আশাবাদী যে যুৱ মানসত এনে প্রমূল্যই ঠাই পাব।

প্রতিযোগী সমাজ খনত আত্ম প্রতিষ্ঠাৰ বাবে সংকল্প গ্রহণ কৰি যুৱক সমাজে নিজ কর্তব্য, দায়িত্ব পালনৰ বাবে আগবাঢ়ি আহিবই লাগিব। ইয়াৰ বাবে উচ্চ শিক্ষাৰ কেন্দ্র সমূহৰ বাতাবৰণ সুস্থ সবল কৰি ৰখাটো প্রয়োজন। এই দায়িত্ব পালনত ছাত্র সমাজে নিজৰ চাৰিত্রিক বৈশিষ্ট আদৰণিয় কৰি ৰাখিবই লাগিব। অপ্রিয় সত্য হলেও আমি কবই লাগিব আজি যেন শিক্ষানুষ্ঠান সমূহত এই দিশত শূণ্যতাই ঠাই পাইছে। আউল লগাৰ পৰা অশুভ শক্তিয়ে সিপাইছে আৰু তৰুণ-তৰুণী সকলৰ ৰাজ হাড় বেকা কৰিব পৰা সস্তীয়া শ্লোগানেৰে উত্তেজনা বিৰাজ কৰিবলৈ বিচৰাও দেখা যায়। এনে সমস্যাৰ সমাধান সম্ভব হব যদিহে শিক্ষা জগতৰ লগত জড়িত সকলোৰে সমন্বিত প্রচেষ্টা য'ত পাঠ দান পাঠ গ্রহণ নিয়মীয়া হৈ থাকে। বিভিন্ন অজুহাতত পৰীক্ষা বৰ্জন, পৰীক্ষা গৃহত দেখুওৱা অবাঞ্চিত আচৰণ আদি আজি ব্যক্তি মুখী চিন্তা বুলি ধৰি ললে সব্যসাচী এৰাই চলিব পাৰি যদিও ইয়ে প্রকৃততে আমাৰ

সৰ্বনাশ হে মাতি আনিব। সেয়েহে যুৱ সমাজেও নিজেই বিষয়টো বিচাৰ কৰাৰ সময়ো আহি পৰিছে।

ৰাজনীতিত প্ৰবেশ কৰাৰ প্ৰৱণতাইও যুৱ মানসত ঠাই পাইছে। ইয়াৰ প্ৰাসঙ্গিকতা তথা প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। একেৰাহে ছবছৰৰো অধিক কাল আন্দোলন চলোৱা নেতৃবৃন্দই ৰাজ্যখনৰ শাসন ভাৰ গ্ৰহণ কৰিব লগীয়া হোৱা পৰিস্থিতি আমাৰ চকুৰ আগত ভাহি আছে। একো কৰিব নোৱাৰা জনৰ বাবে ৰাজনীতিয়ে আশ্ৰয়ৰ শেষ স্থল বোলা কথাষাৰ আজি মিছা বুলি প্ৰমাণিত হৈছে। প্ৰকৃততে সকলো কৰিব পৰা যোগ্য জনৰ বাবেহে ৰাজনীতিয়ে হাত বাউল দি আছে। সক্ৰিয় ৰাজনীতিত যুৱ সমাজ জপিয়াই পৰিব লগীয়া পৰিস্থিতিৰ সৃষ্টি কৰ্ত্তা সকলে এতিয়া অন্ততঃ সান্তনা লভিব পাৰে যে ৰাজ্যখন জনগণৰ চাহিদা পূৰণৰ নাম লৈ ক্ষমতা দখলেই একমাত্ৰ লক্ষ্য হিচাবে গ্ৰহণ কৰিলে সময়ৰ আহ্বানে তেওঁলোকক স্পৰ্শ নকৰাকৈ নেথাকে। ১৯৮৫ চনৰ ঐতিহাসিক নিৰ্বাচনে ইয়াৰ স্বাক্ষৰ বহন কৰিলে। অসমৰ যুৱ সমাজ আজি প্ৰত্যয়ৰ বলেৰে বলীয়ান যে তেওঁলোকেই জনগণৰ বন্ধু, পথ প্ৰদৰ্শক হিচাবে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰত্যয়ে যুৱ সম্প্ৰদায়লৈ আগবঢ়াইছে এক নতুন আশা, উদ্দীপনা যে ৰাজনীতিয়ে তেওঁলোকৰ বাবে উত্তম পথ। বিশ্বত সংস্কাৰমুখী আন্দোলনৰ নেতৃত্ব বহন কৰা যুৱক সকলেই শাসন ভাৰ গ্ৰহণ কৰি পৰিকল্পনা ৰূপায়িত কৰিবলগীয়া হোৱা উদাহৰণ বিৰল নহয়। এনে এক পটভূমিত অসমৰ যুৱ মানসতো সক্ৰিয় ৰাজনীতিয়ে ঠাই পাইছে বুলি ভবাৰ থল আছে। অসমৰ ৰাজনৈতিক বুৰঞ্জীত ঘটা এই অভূতপূৰ্ব পৰিবৰ্ত্তনৰ মুল পটভূমি হৈছে ৰাজ্যখনৰ পিছ পৰা আৰ্থ-সামাজিক উন্নয়ণ অৱস্থা।

যুৱ মানসিকতাই কোন ফালে গতি কৰিছে বুলি সুধিলে তপৰাই উত্তৰ দিয়া সহজ নহয়। এটা মিশ্ৰিত উত্তৰ হয়তো পোৱা যাব। উত্তৰণ আৰু স্খলন। উত্তৰণৰ উদাহৰণ যিদৰে আছে স্খলনৰ দৃষ্টান্তও নোহোৱা নহয়। শালীনতা, শিষ্টাচাৰ, মানৱীয় প্ৰমূল্য আদি বিসৰ্জন দিবলৈ উদ্যত হোৱা অপসংস্কৃতিৰ পূজাৰী হিচাবে চিনাকী দিবলৈ খোজা সকলৰ ক্ৰিয়া কলাপেই তেওঁলোকৰ কেনে মানসিকতাৰ পৰিচায়ক ? এইবোৰেই যদি স্খলন হয়, যাৰ পৰা সামাজিক বিশৃঙ্খলতা অশান্তি সৃষ্টি হ'ব পাৰে তেনেহ'লে আমাৰ যুৱ সমাজেও এই দৃষ্টি ভঙ্গীৰে এক প্ৰত্যাহ্বানৰ সন্মুখিন হৈছে। দিশহাৰা সকলৰ অন্তৰ জয় কৰি তাৰ ঠাইত নতুন শুদ্ধ পথৰ সন্ধানৰ বাবে চিন্তাৰ খোৰাক যোগাব পৰাকৈ এক সুস্থ বাতাবৰণ সৃষ্টি কৰিব লাগিব।

ভাৰতবৰ্ষৰ যুৱ সম্প্ৰদায়ক চিৰদিনৰ বাবে পঙ্গু কৰি দেশখনৰ উন্নয়ণত চকু চৰহা বিশ্বৰ কে'তবোৰ শক্তিয়ে (Drugs) নিচাযুক্ত মাদক দ্ৰব্যৰ প্ৰচলন কৰি সৰ্বনশীয়া অৱস্থা এটা সৃষ্টি কৰিছে বুলি তথ্যাভিজ্ঞ মহলে কৰা মন্তব্য আৰু এই দিশত অসমৰ যুৱ সমাজ ইয়াৰ বলি হৈছে নেকি ? এইটোৱে হৈছে আজি গভীৰ চিন্তনীয় বিষয়। সাময়িক ভাবে অসমত Drugs ৰ প্ৰচলন এতিয়াও পাইকাৰী হাৰত হোৱা নাই। দুই এক ইয়াৰ আসক্ত হোৱা দৃষ্টান্ত পোৱা যায়। হলেও Drugs ৰ কথা বাদ দিও আন মাদক দ্ৰব্য পান কৰাটো ৰাজ্যখনত যে বৃদ্ধি পাইছে তাত সন্দেহ নাই। হতাশাগ্ৰস্ত মনোভাব নাইবা নিজ বিফলতা ঢাকি ৰখাৰ বাবে Drugs ৰ দৰে মাৰাত্মক নিচাযুক্ত দ্ৰব্য সেৱন কৰি দীৰ্ঘকালীন ভাবে পৰিত্ৰাণ পাব নোৱাৰি। অসমৰ সামগ্ৰিক আৰ্থ-সামাজিক পৰিস্থিতিত এনে পলায়নবাদী তথা ক্ষতিকাৰক পথ গ্ৰহণ কৰাৰ কোনো যুক্তিয়েই নাই। যুৱ সমাজে বিচৰা ধৰণে নিজৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিব নোৱাৰিব পাৰে কিন্তু তেওঁলোকৰ বাবে সুযোগৰ অভাৱ নহব। গাওঁত বাস কৰা সকলে আধুনিক জগতত ব্যৱহৃত বিলাস তথা আৰামদায়ক সামগ্ৰী উপভোগ কৰিব পৰা নাই বাবেই হতাশাগ্ৰস্ত হোৱাৰো কাৰণ নাই। গ্ৰাম্য অৰ্থনীতি সবল কৰি লৈ নিজ ভাগ্য নিৰ্ণয় কৰাহে সময়ৰ আহ্বান। ইয়াৰ বিপৰীতে চহৰ অঞ্চলৰ ধনী তথা মধ্যবিত্ত শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে

ৰীতে চহৰ অঞ্চলৰ ধনী তথা মধ্যবিত্ত শ্ৰেণীৰ লৰা ছোৱালীয়ে কিহৰ তাৰণাত পথভ্ৰষ্ট হৈ এক দুৰ্বল মানসিকতাৰ আশ্ৰয় লয় ? গাওঁ, চহৰ অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বৈষম্যই। যুৱ সমাজৰ অধিক প্ৰতিযোগী কৰি তোলাটোহে বাঞ্চনীয় যাতে প্ৰতিজনে সমানে আগবাঢ়িব পাৰে। ইয়াৰ বাবে উপযুক্ত যুৱ মানসিকতা গঢ়ি উঠিব লাগিব ।

অসমৰ বৈচিত্ৰময় জনজীৱনত আজি পুনৰাই ফাট ওলাইছে। পাহাৰীয়া ভাই ভনী সকলে আৰু ভৈয়ামৰ জনজাতি সকলে অবহেলিত বুলি বিবেচনা কৰি সুকীয়া সুকীয়া ৰাজ্য নাইবা স্বায়ত্ব শাসিত অঞ্চলৰ বাবে দাবী তুলিছে আৰু আমাৰেই ছাত্ৰ যুৱ সমাজে ইয়াৰ নেতৃত্ব বহণ কৰিছে। ৰাজ্য খন সামগ্ৰিক উন্নয়ণৰ খাতিৰতেই যে পুৰ্ণবিভাজন বাঞ্চনীয় নহয় আৰু একেখন ক্ষুদ্ৰ ৰাজ্যৰ ভিতৰতেই সকলোৱে সমানে আগবাঢ়ি যাব পাৰে, তেনে এক বিশ্বাস বুজা পৰাৰ বাতাবৰণ সৃষ্টি কৰাৰ ক্ষেত্ৰত যুৱ সম্প্ৰদায়ৰ ওপৰত গধুৰ দায়িত্ব আহি পৰিছে। আজি এচাম যুৱকে পৃথকতাবাদ কিয় পোষণ কৰিবলগীয়া হ'ল। তেওঁলোকৰ অন্তৰত কিহৰ অগনি জ্বলিব ধৰিছে ? এই অগনি নিৰ্বাপিত কৰিবলৈ পাহাৰ, ভৈয়াম, জনজাতি, অজনজাতি সকলোৱে মিলিত হৈ একেখন মঞ্চৰ পৰাই একত্ৰীত সমন্বিত প্ৰচেষ্টা চলোৱাৰ বাধা ক'ত ? এই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত যুৱ সমাজৰ দায়িত্ব অপৰিসীম আৰু মহান। ইয়াৰ সফলতা নিৰ্ভৰ কৰিব সামগ্ৰিক ভাবে সকলো সম্প্ৰদায় তথা জনগোষ্ঠীৰ যুৱ সম্প্ৰদায়ৰ এক সহনশীল ভাতৃত্ব সুলভ মানসিকতাৰ ওপৰত। যুৱ শক্তিক অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিব খোজা শক্তি সমূহ চিনাক্ত কৰি পৰাভূত কৰিব পাৰিলে অসমলৈ পুনৰাই শান্তিপূৰ্ণ সহাবস্থানৰ অৱস্থা ঘূৰি আহিব।

লক্ষীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাৰ আদৰ্শেৰে উদ্ভাসিত হৈ যুৱ সমাজ আগবাঢ়ি আহিলে অসম যে উন্নতিৰ পথত আগুৱাই যাব তাত সন্দেহ নাই। প্ৰবন্ধৰ শিৰোণামাৰ আঁত ধৰি আৰু ঘাইকৈ আৰ্থ সামাজিক দিশটোৰ পটভূমিত কৰা এই বিশ্লেষণ শৈক্ষিক দিশৰ ( Academics ) ওপৰতেই সীমাবদ্ধ। প্ৰসঙ্গক্ৰমে দোষ ক্ৰুটি আঙুলিয়াই দিয়াৰ লোভ সামৰিব নোৱাৰিলো। আমি আশাবাদী যে অসমৰ যুৱ সমাজ বিশ্বৰ দৰবাৰত নিজৰ উচ্চ আসন সদাই দখল কৰি থাকিব। আমাৰ যুৱ সমাজ আদৰ্শৰ উৎস হৈ ৰ'ব।

"জয় আই অসম"

---

যেতিয়া তুমি পৃথিবীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা আৰু ওচৰ চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিবী এৰি যোৱা, তেতিয়া যেন হাঁহি হাঁহি যাব পাৰা আৰু আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৰাই কান্দে।

— পণ্ডিত হেমচন্দ্ৰ বৰুৱা

# চুপাৰ কম্পিউটাৰ

অৰ্দ্ধেন্দু চক্ৰৱৰ্ত্তী
স্নাতক তৃতীয়বৰ্ষ, (বিজ্ঞান)

বহু আলোচিত চুপাৰ কম্পিউটাৰ "এক্স এম-পি/১" (X-M-P/1) অৱশেষত আহি আমাৰ দেশ পাইছেহি। এই বছৰৰ (১৯৮৮) প্ৰথম ভাগতেই এনেকুৱা এযোৰ চুপাৰ কম্পিউটাৰ ভাৰতলৈ আহিব। এই কম্পিউটাৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ "ক্ৰে ৰিচাৰ্চ ইনকৰ্পোৰেটেড" নামৰ কোম্পানী এটাই নিৰ্মাণ কৰি উলিয়াইছে।

১৯৭০ ৰ দশকৰ আৰম্ভণিতে চেমুৰ ক্ৰে (Samur Cray) নামৰ মানুহ এজনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিনে-চোটাৰ মিনেপোলিচত ক্ৰে ৰিচাৰ্চ ইনকৰ্পোৰেটেড নামৰ কোম্পানীটো আৰম্ভ কৰে। তেতিয়াই তেওঁ এনেকুৱা এটা কম্পিউটাৰ তৈয়াৰ কৰি উলিয়াইছিল যিটো সেই সময়ৰ এটা অতি দ্ৰুত কম্পিউটাৰতকৈ পাঁচৰ পৰা দহগুণ অধিক দ্ৰুত গতিসম্পন্ন আছিল। এই অস্বাভাৱিক দ্ৰুত গতি (১.৮ মিটাৰ × ২.৭ মিটাৰ) হিচাবৰ এটা নতুন ধৰণৰ কম্পিউটাৰ মগজ বা প্ৰচেচৰ (Processor) ব্যৱহাৰৰ বাবেই সম্ভৱপৰ হৈছিল। সাধাৰণ কম্পিউটাৰতকৈ বেছি ক্ষমতা-শালী আৰু অত্যাধিক দ্ৰুত গতিৰে গণনাকাৰ্য্য কৰিব পাৰে বাবে ক্ৰেই নিৰ্মাণ কৰা এই কম্পিউটাৰৰ নাম অৱশেষত "চুপাৰ কম্পিউটাৰ" বুলি ধাৰ্য্য কৰা হৈছে। ১৯৫২ চনৰ এটা কম্পিউটাৰ যিটো গণনাকাৰ্য্য সম্পন্ন কৰিবলৈ এবছৰ লাগিছিল সেই কাৰ্য্যকে আজিৰ এটা চুপাৰ কম্পিউটাৰে একচেকেণ্ডতকৈ কম সময়ৰ ভিতৰত সম্পন্ন কৰে। এই চুপাৰ কম্পিউটাৰে প্ৰতি চেকেণ্ডত ৪০ ৰ পৰা ৮০ কোটি গণনাকাৰ্য্য কৰিব পাৰে।

১৯৭৮ চনত ক্ৰে ৰিচাৰ্চ ইনকৰ্পোৰেটেডে পৃথিৱীৰ প্ৰথম চুপাৰ কম্পিউটাৰ "ক্ৰে-১" (Cray-1) নিৰ্ম্মাণ কৰি উলিয়ায় যিটোৱে প্ৰতি চেকেণ্ডত দুই কোটি গণনাকাৰ্য্য সম্পন্ন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ তিনিবছৰ পিছতেই মিনেপোলিচৰ "কণ্ট্ৰোল ডাটা কৰ্পোৰেচন" নামৰ কোম্পানী এটাই বিশ্বৰ দ্বিতীয় চুপাৰ-কম্পিউটাৰ "সাইবাৰ-২০৫" নিৰ্মাণ কৰে। গণনাকাৰ্য্যত এইটো ক্ৰে-১ ৰ সমকক্ষ আছিল যদিও উক্ত দুই চুপাৰ কম্পিউটাৰ বিশ্বত অনন্য. বৰ্ত্তমানে আই, বি, এম, (I. B. M) কৰ্পোৰেচনে চুপাৰ কম্পিউটাৰ নিৰ্মাণত অগ্ৰসৰ হৈছে। এই কোম্পানীৰ আৰ্হিটোৰ নাম "আই, বি, এম, - ৩০৯০-৪০০" (I. B. M. 3090-400)।

ক্ৰে ৰিচাৰ্চ ইনকৰ্পোৰেটেডৰ শেহতীয়া আৰ্হিৰ চুপাৰ কম্পিউটাৰটোৰ নাম হৈছে "ক্ৰে-২" (Cary-2)। আকৃতিত ইংৰাজী 'C' আখৰটোৰ নিচিনা এই চুপাৰ কম্পিউটাৰটোৱে ২০০ কোটি 'বাইট ডিজিটেল' তথ্য সঞ্চয় কৰি ৰাখিব পাৰে। ইয়াৰ গণনাকাৰ্য্যৰ গতি প্ৰথমটোতকৈ অৰ্থাৎ ক্ৰে-১ তকৈ ছয়ৰ পৰা বাৰগুণ বেছি। বৰ্ত্তমানে সৰ্বাধিক ব্যৱহৃত পাৰ্চোনাল কম্পিউটাৰটোত (Personal Computer) কৈ ক্ৰে ২ ৰ গতি ৪০-৫০ হেজাৰ গুণ অধিক বুলি প্ৰমাণিত হৈছে। কাৰ্য্যক্ষম অৱস্থাত ইয়াৰ ইলেকট্ৰনিক বৰ্ত্তনী (circuit) বোৰক ০.৭৫ ঘনমিটাৰ শীতলকাৰক তৰলেৰে চেঁচা কৰি ৰাখিব লাগে, নহ'লে বিদ্যুৎ প্ৰৱাহৰ ফলত উৎপন্ন হোৱা তাপত সকলো বৰ্ত্তনী পুৰি ছাই হৈ যাব বুলি বৈজ্ঞানিক সকলে কৈছে।

যদিও চুপাৰ কম্পিউটাৰ অত্যন্ত ক্ষমতাশালী, তথাপি ইয়াৰ চাহিদা তেনেদৰে বৃদ্ধি পোৱা নাই। ইয়াৰ কাৰণ হ'ল চুপাৰ কম্পিউটাৰৰ মূল্য। এটা ক্ৰে চুপাৰ কম্পি-

উটাৰৰ মূল্য প্ৰায় দুই কোটি ডলাৰ অৰ্থাৎ ভাৰতীয় টকাৰ হিচাবত প্ৰায় ত্ৰিশ কোটি টকা। সেয়ে বিশ্বত বৰ্ত্তমান চুপাৰ কম্পিউটাৰৰ সংখ্যাও মাত্ৰ ১৮০ টামানতে সীমিত হৈ আছে, তাৰ দুই তৃতীয়াংশ ক্ৰে ৰিচাৰ্চ ইনকৰ্পোৰেটেডে নিৰ্ম্মাণ কৰা। বৰ্ত্তমানে ইয়াৰ চাহিদা বাঢ়িছে যদিও জনপ্ৰিয় হোৱা নাই। ইয়াৰ দাম ইমান বেছি যদিও ই কেনো কোনো দেশৰ বাবে বৰ প্ৰয়োজনীয় হৈ আহিছে। পদাৰ্থবিজ্ঞান, ভূতত্ব, জ্যোতিৰ্বিজ্ঞান, চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক বিদ্যা, আনৱিক বিজ্ঞান আনকি উৰাজাহাজ, যান-বাহন আৰু সামৰিক অস্ত্ৰ-শস্ত্ৰৰ আৰ্হি প্ৰস্তুত কৰোতেও চুপাৰ কম্পিউটাৰ বহুল ব্যৱহাৰ হৈছে।

বৰ্ত্তমানে চুপাৰ কম্পিউটাৰৰ সহায়ত প্ৰোটিন অণুৰ আকৃতি আৰু গতিবিধি নিৰ্ণয় কৰিব পৰা হৈছে। সেইদৰে যিটো গণনাকাৰ্য্য আগতে কৰা সম্ভৱপৰ নাছিল, সেইটোকে এতিয়া চকুৰ পচাৰতে এক চেকেণ্ডৰ এক ন্যুনতম অংশৰ ভিতৰত কৰিবলৈ সম্ভৱপৰ হৈছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাতীয় বিজ্ঞান কেন্দ্ৰই বৰ্ত্তমানে পাঁচটা চুপাৰ কম্পিউটাৰ কেন্দ্ৰ স্থাপন কৰিছে। যিসকল বিজ্ঞানী তথা গৱেষকে এই কেন্দ্ৰসমূহৰ পৰা চুপাৰ কম্পিউটাৰৰ সহায় বিচাৰিব, তেওঁলোকে সকলোধৰণৰ সহায় লাভ কৰিব। আনকি বিজ্ঞানী তথা গৱেষকসকলে নিজৰ গৱেষণাগাৰৰ পাৰ্চোনেল কম্পিউটাৰৰ জৰিয়তে কেন্দ্ৰসমূহলৈ যোগাযোগ স্থাপন কৰি সহায় গ্ৰহণ কৰিব পাৰিব।

ভাৰতে ক্ৰয় কৰা চুপাৰ কম্পিউটাৰ প্ৰধানতঃ বতৰ বিজ্ঞানৰ কাৰ্য্যত ব্যৱহৃত হ'ব। ইয়াৰ সহায়ত বতৰৰ আগতীয়া জাননী দিব পৰা যাব। এই কাৰ্য্যত ভাৰতক ইংলেণ্ডৰ "ইউৰোপীয় বতৰ বিজ্ঞান সংস্থা"ই প্ৰয়োজনীয় নিৰ্দেশাৱলী দিব। লাহে লাহে ইয়াক অন্য ক্ষেত্ৰতো ব্যৱহাৰ কৰা হ'ব। এই চুপাৰ কম্পিউটাৰৰ সৈতে এটা বিদ্যুৎ উৎপাদন গোট আৰু পূৰ্ণাঙ্গ শীত-তাপ নিয়ন্ত্ৰণ ব্যৱস্থাও থাকিব।

চুপাৰ কম্পিউটাৰে শিল্প-বিজ্ঞান-গৱেষণা প্ৰযুক্তিৰ জগতত এক নতুন পৰিবৰ্ত্তন আনি দিছে যিটোৱে মানুহৰ জীৱন-যাত্ৰাত এক বহুল প্ৰভাৱ পেলাইছে। চুপাৰ কম্পিউটাৰৰ আৱিস্কাৰ বিজ্ঞানৰ চৰম উন্নতিৰ এক জ্বলন্ত দৃষ্টান্ত।

[আনন্দমেলা, ৯ মাৰ্চ, ১৯৮৮ সংখ্যাৰ সহায় লৈ।]

□

ত্যাগ কৰি ত্যাগৰ কাৰণে মনত দুখ পাব লাগিলে ত্যাগৰ মহান আদৰ্শটোৱেই নষ্ট হয়। যি বস্তু অনিষ্টকৰ বুলি ভবা যায়, তাক এৰি দিয়া যায়, সেই কাৰণে সেই বস্তু এৰি দিয়াত আনন্দ অহা উচিত।

— মহাত্মা গান্ধী

ইয়ং ইণ্ডিয়া ১৫-৭-২৬

# মাদকদ্ৰব্য সেৱন আৰু ইয়াৰ নিবাৰণত ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব

প্ৰণৱ জ্যোতি বড়া
স্নাতক ১ম বাৰ্ষিক (কলা)

যিবোৰ বস্তু সেৱন কৰিলে নিচা বা ৰাগী ধৰে সেইবোৰ বস্তুকে ৰাগিয়াল বা মাদকদ্ৰব্য বোলা হয়। মাদকদ্ৰব্য বিলাকক ববিহ বুলিও আখ্যা দিব পাৰি। কাৰণ বিহ খালে মানুহৰ মৃত্যু হোৱাটো অনিবাৰ্য্য। ঠিক সেইদৰে মাদক দ্ৰব্যবোৰেও সেৱন কৰোতাজনৰ মৃত্যু মাতি আনে। এই দ্ৰব্যবোৰৰ এটাই বিশেষত্ব যে ইয়াক খালে সেৱকৰ বেচিকৈ আসক্তি বাঢ়ি যায়। ফলত তেওঁৰ লগতে আন দহজনে কষ্ট ভোগিব লগা হয়।

মানুহৰ মাজত মাদকদ্ৰব্য প্ৰচলন বহু যুগৰ আগৰ পৰাই যে চলি আহিছে তাৰ প্ৰমাণ পৌৰাণিক সাহিত্য, দৰ্শন, বুৰঞ্জী আৰু মহাকাব্য আদি পঢ়িলে গম পোৱা যায়। কিন্তু এই গ্ৰন্থ পঞ্জীত সুৰাপানৰ কথা উল্লেখ থাকিলেও বিভিন্ন ধৰ্ম্মৰ হিন্দু, মুচলমান আৰু খ্ৰীষ্টান আদি ধৰ্ম্মৰ নীতিশাস্ত্ৰত সুৰাপানৰ পৰা দূৰত থকাৰ কথা উল্লেখ আছে। কিন্তু মানৱ জাতিৰ উন্নতিৰ লগে লগে ইয়াৰ প্ৰচলন তথা ইয়াৰ জাতৰ সংখ্যা বৃদ্ধি পায় আহিছে। ইয়াৰ ভিতৰত মদ, ভাং, কানি, গাঞ্জা, ধপাত আৰু ড্ৰাগ চ্ ইত্যাদি ইত্যাদি।

জীৱৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ। কিন্তু সেই জীৱশ্ৰেষ্ঠ মানুহে মাদকদ্ৰব্য পান কৰি মানসিক ভাৰসাম্য হেৰুৱাই নানাজনে নিজকে কলুষিত কৰাৰ উপৰিও সমগ্ৰ জাতিটোকে নিম্নস্তৰলৈ নিয়ে। মাদকদ্ৰব্যৰ পৰা একোটা জাতিৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি বিভিন্ন দিশত বিভিন্ন ধৰণে ক্ষতি সাধন হয়।

ওপৰত উল্লেখ কৰা ভিন্ ভিন্ ধৰণৰ সুৰাপানে মানুহৰ শৰীৰত ভিন্ ভিন্ ধৰণে প্ৰতিক্ৰিয়া কৰিলেও মূল প্ৰতিক্ৰিয়া এটাই মাত্ৰ। স্ব-বিবেক শক্তি হেৰুৱাই অধঃপতিত হয় বুলি বিভিন্ন জন প্ৰসিদ্ধ চিকিৎসকে মতপোষণ কৰে। কেতিয়াবা মাদকদ্ৰব্য সেৱনৰ ফলত একো একোজন ব্যক্তি বা পৰিয়ালৰ আৰ্থিক দিশত সৰ্ব্বস্ৰান্ত হোৱাও দেখা যায়। আৰু কেতিয়াবা অনেকজনৰ অনেক সময়ত দুৰাৰোগ্য কৰ্কট আদি ৰোগ হোৱাও দৃষ্টান্ত আছে।

আজি এই উন্নয়নশীল দেশ ভাৰতবৰ্ষতো মাদকদ্ৰব্য প্ৰচলন ব্যাপক হৈ পৰিছে। বুঢ়া-ডেকা আনকি ছাত্ৰ-ছাত্ৰীৰ মাজতো এই সমস্যাই দেখা দিছে। এইখিনিতে অপ্ৰিয় হ'লেও সত্য কথা এটা উল্লেখ কৰিব পাৰি যে— নিৰক্ষৰ ডেকা চামতকৈ শিক্ষিত ডেকা চামৰ মাজত মাদকদ্ৰব্যৰ ব্যৱহাৰ বেচি দেখা যায়। বিশেষকৈ স্কুল পৰ্য্যায়ৰ পৰাই ছাত্ৰই ইয়াৰ ব্যৱহাৰ শিকে। প্ৰথমতে 'চখ'ত খায় আৰু পিছলৈ ই অভ্যাসত পৰিণত হয়গৈ। ইয়াৰ বাবে অকল সমাজখনকেই দুখ দিলে নহ'ব। অভিভাৱক সকলেই বেচি পৰিমাণে জগৰীয়া।

মাদকদ্ৰব্যৰ ভিতৰত 'চিগাৰেতেই' আটাইতকৈ বেচি পৰিমাণে ছাত্ৰৰ মাজত ব্যৱহাৰ দেখা যায়। তাৰ ফলত কেতিয়াবা শৰীৰৰ এনেকোৱা অৱস্থা হয় যে যাৰ ফলত চিকিৎসকৰ ওচৰ চাপিব লগা হয়। গতিকে দেখা যায় সুৰাপানে কেতিয়াও উপকাৰ নকৰে। বৰঞ্চ অপকাৰহে হয়। কেতিয়াবা মদ্যপান কৰা লোকৰ ক্ষেত্ৰতো শৰীৰত কিছুমান বিশেষ প্ৰকাৰৰ ৰোগে দেখা দিয়ে। যিটো ৰোগে মানুহজনক মৃত্যুমুখলৈ মাতি নিয়ে। এইবোৰ দেখি শুনিও কিছুমান ছাত্ৰছাত্ৰীয়ে ববিহ সদৃশ মদ পান কৰে। ই এটা মাৰাত্মক ব্যাধি।

সাম্প্ৰতিক কালত 'বহুতোধনী দেশ সমূহত' 'ড্ৰাগ্চ্' নামৰ এবিধ মাদকদ্ৰব্যয়ে এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। আমাৰ ভাৰতবৰ্ষতো এই সমস্যাই দেখা নিদিয়া নহয়। যাৰ ফলত বহুত মানুহ চিকিৎসকৰ চকুত ধৰা দিছে।

ভাৰতত ব্যৱহাৰ কৰা ড্ৰাগ্চ্ সমূহ কেইবাটাও ভাগত ভাগ কৰিব পাৰি। ইয়াৰ ভিতৰত প্ৰধানকৈ—

১) নাৰ্ক'টিক্চ (Narcotics)
২) হেল্লুচিন'জেন্চ্ (Hallucinogens)
৩) ষ্টিমুলেণ্টচ্ (Stimulants) আৰু
৪) চিডাটিভ্চ্ (Sedatives)

এইবোৰৰ আকৌ কিছুমান বিভাগ আছে। যেনে— মাৰফিন, হেৰ'ইন (নাৰ্ক'টিকচ্); লাইচাৰজিক এচিড বা এল, এচ, ডি (হেল্লুচিন'জেনচ্); এম ফিটামাইনচ্, কোকেইন (ষ্টিমুলেণ্টচ্) ইত্যাদি।

এইবোৰ ড্ৰাগ্চ্ৰ সেৱনৰ পৰা মানুহৰ শৰীৰত নানা ধৰণৰ বেমাৰে দেখা দিয়ে। যিবোৰ বেমাৰে মানুহজনৰ মৃত্যুৰ বাহিৰে বচোৱাৰ আনকোনো উপায় নাথাকে। এই ড্ৰাগচবোৰ মানুহে প্ৰথমতে এনেই খাই চাওঁ বুলি খায়। অথবা ইয়াৰ ভয়াবহতা নুবুজি খায়। এইদৰে দুই তিনিদিন খোৱাৰ পিছত ই অভ্যাসত পৰিণত হয়। ফলত ইয়াক ত্যাগ কৰিব নোৱাৰা হয়। আৰু যদি হঠাৎ ইয়াক সেৱন কৰিবলৈ এৰি দিয়া হয়, তেতিয়া মানুহজনৰ গোটেই শৰীৰতেই নানা বিজুতিয়ে দেখা দিয়ে। যাৰ কাৰণে আকৌ সেৱন কৰিবলৈ বাধ্য কৰায়। অৱশেষত তাৰ কেইবছৰ মানৰ পাছত মানুহজন মৃত্যু মুখত পৰে। নতুবা আত্মহত্যা কৰিবলৈ বাধ্য হয়।

বৰ্ত্তমান এনে ধৰণৰ মাদকদ্ৰব্যবোৰে আমাৰ সমাজত থকা অভিজাত শ্ৰেণী লোকৰ ঘৰত বাস লৈছে। লগতে এইশ্ৰেণীৰ মানুহৰ ঘৰৰ ছাত্ৰ-ছাত্ৰী কিছুমানে চুৰ কৈ হ'লেও সেৱন কৰি সেই কুপথে যাবলৈ সমৰ্থ হৈছে। ইয়াৰ বাবে জগৰীয়া অভিভাৱক নহয়নে? আৰু এইদৰে ড্ৰাগৰ বীজবোৰ ছাত্ৰ-ছাত্ৰীৰ শৰীৰতো যদি সিচৰিত হয় তাৰ পৰিণাম ভয়ঙ্কৰ হ'বগৈ। তাৰ আগতে এই অনিষ্টকাৰী দ্ৰব্যক আমাৰ সমাজৰ পৰা আতৰাই পেলাব লাগিব। ইয়াক প্ৰতিকাৰ কৰাতো সমূহ ছাত্ৰ-ছাত্ৰী সকলেই গোটেই জনসাধাৰণৰ মাজত ইয়াৰ অপকাৰীতাৰ বিষয়ে বুজাই দি সচেতন কৰি দিব লাগিব।

গতিকে দেখা যায় যে মাদক দ্ৰব্যৰ পৰা কোনো মানুহৰ উন্নতি নহয়। বৰঞ্চ অৱনতিহে বেছিকৈ হয়। সেই কাৰণে মাদকদ্ৰব্য ব্যৱহাৰ সৰ্ব্বজন বৰ্জিত কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীৰ পৰা লাগিব অহৰহ প্ৰচেষ্টা আৰু এটা মুকলিমূৰীয়া মন। মাদকদ্ৰব্য নিবাৰণৰ নিচিনা এটা সামাজিক দায়িত্বক হাতত লৈ সমূহ ছাত্ৰয়েই গুৰুত্ব বুজি চৰকাৰক এই সামাজিক সমস্যাটোৰ বিষয়ে দৃষ্টিগোচৰ কৰাব লাগিব। শিক্ষাৰ বিভিন্ন পৰ্য্যায়ত মাদকদ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে পাঠ্যক্ৰমত অন্তৰ্ভুক্তি কৰোৱাবলৈ চৰকাৰক দাবি দিব লাগিব। এইটো চৰকাৰৰ শিক্ষানীতিৰ এটা প্ৰধান দিশ। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৪৭ ত এইদৰে উল্লেখ আছে— "দেশৰ জন সাধাৰণৰ পৰিপুষ্ট জীৱন ধাৰণৰ মান উন্নয়ণ আৰু স্বাস্থ্যৰ উন্নতিৰ কাৰণে ৰাষ্ট্ৰই চকু দিব লাগিব। ঘাইকৈ দেশত মদ প্ৰচলন বন্ধ কৰিবলৈ ৰাষ্ট্ৰই চেষ্টা চলাব লাগিব" ইত্যাদি। কিন্তু দেখা যায় চৰকাৰে মদ প্ৰচলন বন্ধ কৰাৰ দূৰৈৰ কথা, চৰকাৰৰ আয়ৰ প্ৰতি লক্ষ্য ৰাখি মদৰ দোকান বঢ়াবহে খুজে। তাৰ ফলত গোটেই সমাজত বিশৃংখলতাই দেখা দিছে। মানুহৰ শৰীৰত নিতে নতুন নতুন ৰোগ সৃষ্টি হৈছে।

গতিকে এই কৰ্কটৰোগ সদৃশ মাদকদ্ৰব্যৰ পৰা ৰক্ষা পাবলৈ হ'লে প্ৰথমতে শিক্ষিত যুৱ মানৱ সচেতন হ'ব লাগিব। আৰু এই শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ মাজতেই যদি এই সমস্যাই দেখা দিয়ে তেন্তে মানৱ জাতীৰ উন্নতিৰ কথা চিন্তা কৰিব কোনে? শিক্ষাইহে জনসমাজ আলোকিত কৰি আগবঢ়াই নিব পাৰে।

মাদকদ্ৰব্য নিবাৰণত ছাত্ৰ-ছাত্ৰীৰ কিছুমান সংগঠন অতীৱ প্ৰয়োজন। চহৰ অথবা গাওঁবোৰত এনে কিছুমান সংগঠন গঠন কৰি মাদকদ্ৰব্যৰ বিভিন্ন কাৰ্য্যসূচী হাতত লৈ এটা আন্দোলন গঢ়ি তুলিলেহে মাদকদ্ৰব্য নিবাৰণী অভিযান সাফল্যমণ্ডিত হোৱাৰ লগতে প্ৰকৃততে দেশ ৰক্ষা হ'ব। গতিকে আহক আমি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ এই মাৰাত্মক ব্যাধি দূৰ কৰোঁ। □

# ‘মিছিং লোকগীতত বিবিধ উঁপমা’

দীপক পেগু
২য় বাৰ্ষিক স্নাতক মহলা (কলা)

মিছিংসকলে পূৰ্বৰ পৰাই মুকলিমৰীয়াকৈ স্বাধীন চিতীয়াভাৱে অসমৰ পৰ্বত ভৈয়ামৰ নৈ, হাবি-বননিয়ে বসবাস কৰি আহিছে। এনেদৰে বসবাস কৰি আহোতে আহোতে মিছিং লোক জীৱনত নানা ঘাট-প্ৰতিঘাটৰ সৃষ্টি কৰি আহিছে। এইবোৰ দুখ বেদনা হাঁহি-কান্দোনৰ সমষ্টিত নানা গীত মাতৰ সৃষ্টি হয় আৰু এই গীত-মাত বোৰত প্ৰকৃতিৰ ভাৱধাৰাক মুক্তভাবে বিচৰণ কৰিবলৈ দি মনৰ দুখ-ভাগৰখিনি কিছু পাতলাবলৈ চেষ্টা কৰে। এইদৰে সৃষ্টি হোৱা মিছিং জন-গীত-মাতবোৰত মিছিংসকলে পৰ্বতৰ পৰা ভৈয়ামলৈ নামি আহোতে নানা পৰ্বত-পাহাৰ, নৈ-নিজৰা নানা গছ গছনিৰ মাজত নানা সুৰীয়া চৰাই-চিৰিকতিৰ মাত, আনহাতে ভৈয়া-মৰ পাৰত বাস কৰি ক্ৰমে সোৱনশিৰি, চিয়াং, দিবং, ধনশিৰি, ভৰলী, ব্ৰহ্মপুত্ৰ আদিৰ নৈ পাৰত সংস্কৃতিৰ লগত মিলি গৈ আহল-বহল পথাৰৰ মাজত, মুক্ত আকাশৰ তলত, নৈৰ পাৰৰ নল-খাগৰিৰ মাজে মাজে প্ৰেম-পিৰিতীৰ নানা সুৰদি সুৰীয়া গীত মাতৰ সৃষ্টিয়েই মিছিং সমাজৰ লোকগীতত বিবিধ উপমাৰে ভৰপুৰ এই কথাৰ আগলি বতৰাৰ উমান দিয়ে। এই লোকগীতবোৰত কেৱল উপমাই নহয় তাত মিছিং জাতিৰ হুবহু বুৰঞ্জীৰ পাঠ উল্লেখ নাথাকিলেও তাৰ মাজতেই লুকাই আছে মিছিং জনজীৱনৰ হুবহু প্ৰতিচ্ছবি। এই গীত-মাত বোৰত সাধাৰণ অশিক্ষিত চহা গাৱলীয়া জীৱনৰ প্ৰতিচ্ছবি পাৰিপাৰ্শিক অৱস্থাৰ কথাও দৈনন্দিন জীৱনৰ নানা পৰিচয় পোৱা যায়।

মিছিং লোকগীতৰ ভিতৰত প্ৰধানকৈ ঐনিতঃমতেই অধিক মিছিং জনজীৱনৰ দুখ, হৰ্ষ-বিষাদ, হাঁহি-কান্দোন আৰু মিলন-বিচ্ছেদৰ লগতে জীৱনৰ মৰ্ম বেদনাৰ প্ৰতিচ্ছবি প্ৰকাশ পায়। এই দুখ, হৰ্ষ, বিষাদ, হাঁহি, কান্দোন, প্ৰেম পিৰি-তীৰ মনৰ ভাৱবোৰ ঐনিতঃমত বিবিধ উদাহৰণেৰে সৈতে তুলনা কৰি পোৱা হয়।

অসমৰ অন্যান্য প্ৰাচীন কাব্য সাহিত্য আৰু জনসাহিত্য বোৰত শদিয়াক কেন্দ্ৰ কৰি গোৱা গীতবোৰৰ যোগে উত্তৰ পূব ভাৰতৰ নানা জাতি-উপজাতি, নানা সভ্যতাৰ সংস্কৃতিৰ গৌৰৱময় এক ৰঙীণ অথচ বাস্তৱময় ইতিবাচক প্ৰতিচ্ছবি এটি দাঙি ধৰা আমি দেখিবলৈ পাওঁ। সেয়ে যোজনাৰ মাজেদি আমি শদিয়াৰ বিষয়ে আজিও গোৱা শুনো, “শদি-য়ালৈ নেযাবা শতফুল নাথাৰ কঁচা পাতত নেবান্ধিবা লোণ”। ইত্যাদি ঠিক এইদৰে মিছিং ঐনিতঃমতে শদিয়াৰ বিষয়ে গোৱা শুনিবলৈ পোৱা যায়—

শদিয়াতন্ গৃদদ দিবং আনেমি কাঃবেগদান
আদি আচি তৃঃদদ অইনক খাল লান কাঃদান

অৰ্থ—শদিয়ালৈ গলে দিবং নদীৰ সৌন্দৰ্য্য দেখা পাওঁ আৰু পৰ্বতৰ নিৰ্মল পানী (আচি) চাওঁতে তোমাৰ প্ৰতি-চ্ছবি দেখা পাওঁ।

আকৌ অসমীয়া লোক বিহুগীতত শদিয়াৰ অতিত স্মৃতিৰে ভৰা বুৰঞ্জীৰ পৰশ গৰকা বহুতো বীৰ বীৰাঙ্গনাৰ বিবৰণ কাহিনী আজিও শুনিবলৈ পোৱা যায়।

ডিবুৰুৰ ৰণেখন শদিয়াত লাগিলে
মিৰিয়নি কান্দিলে চাংত
সৰুৰে এপৰা পিৰীতি কৰিলো
নেদিবা দুখৰে কালত।

শদিয়াখন সকলো কাৰণে এটা সাথৰ যেন হৈ আছিল। কোনো যোগাযোগৰ ব্যৱস্থা নথকা শদিয়াক যেন কল্পনাহে কৰিব পাৰিছিল। শদিয়াতকৈ যেন আৰু দূৰণী বাট নাই। কিন্তু তাকে আমাৰ চহা বিহুৱা ডেকাই কল্পনাৰ ভিতৰতে ওচৰ চপাই গালে—

উজনি উজনি ভটিয়াই নামনি
শদিয়া কেইদিনৰ বাট
মাতিলে নমতা হলি ঐ লাহৰী
অগনি জ্বলিছে গাত।

এইদৰে শদিয়াৰ অতিত লোক পৰম্পৰাৰ কাহিনী উপমা মিচিং ঐনিতঃমতো প্ৰকাশ নোপোৱাকৈ থকা নাই।

শদিয়া তলকে বুৰলী অই বলগে
মিচিং অইয়া ৰীঙমী তুপিত ঢুলা ছুৰনী

ইয়াত মিচিং সকলৰ এটা ইতিবাচক বুৰঞ্জীৰ উমান পোৱা গৈছে। মিচিংসকল শদিয়াৰ পৰা ভৰলী নদীলৈকে বিস্তৃত হৈ আছে। সেই কথাৰ ইঙ্গিত উক্ত ঐনিতঃমত দিছে।

মিচিংসকল সাধাৰণতে শদিয়াৰ পৰা লুইতৰ বুকুৰেদি আগেতে নাৱৰে ভূৰ বান্ধি আহিছিল আৰু এনেদৰে ভটিয়াই আহোতে ভূৰৰ নাওখন পচি ভৰলী নদী আৰু লুইতৰ সঙ্গমস্থলত পাওঁতেই নাৱৰ কাঠ পচি তাক ভটিয়াই যাব নোৱাৰাত ভৰলীকে মিচিঙৰ শেষ বাসস্থান বুলি ধৰি ল'লে।

আনহাতে অসমীয়াৰ ৰোমান্টিক কবিতাৰ "ধনবৰ আৰু ৰতনী"ৰ সাদৃশ্য মিচিং ঐনিতঃমত লোক প্ৰবাদৰ পটভূমিত ৰচিত হোৱা মিচিং গীতৰ উদাহৰণত বিৰল নহয়—

উজায়ে আহিলে ভাটিৰে ৰতনী
বুকুৰে মাধুৰী লৈ
ভটিয়াই গলে ঐ শহটো সামৰি
মোলৈ খোলাটো থৈ।

এনেদৰে প্ৰেমৰ প্ৰবল সোঁতত উঠি ভাহি ফুৰে শদিয়াৰ কোনোবা প্ৰেমিক তামেন আৰু বুবলাৰ কোনোবা প্ৰেয়সী য়ামেনৰ ঐনিতঃমৰ মাজেদি দুয়োৰে ছবি সিহঁতৰ প্ৰতিবিম্ব হেৰুৱাৰ উদাহৰণ হ'ল—

শদিয়াত্ক তামেন বু বুবলীৱক য়ামেনবু
নিতঃম পুমচা কাংকিন চুংকিন চুংকাবং

ইত্যাদি।

পৃথিবীৰ সকলো মাততে প্ৰকৃতিৰ উপমাৰে বিদ্যমান। মানৱ সভ্যতাৰ কৃষ্টি সংস্কৃতিয়ে জড় জগতৰ লগত নিবিড় সম্পৰ্ক থকাৰ উদাহৰণ মানৱ সভ্যতাৰ ইতিহাসে আমাক সোঁৱৰাই দিছে। যেনেকৈ নীল নদীৰ পাৰত ইজিপ্তৰ সভ্যতা আৰু ভাৰতীয় সভ্যতাত সিন্ধু নদীৰ অৱদান আৰু উত্তৰ পূব ভাৰতৰ অসমৰ সভ্যতাত লুইতৰ অৱদানো তথৈবচ।

অসমৰ চহা জনজীৱনৰ দৈনন্দিন জীৱন পদ্ধতিৰ ধাৰা অসমৰ নৈ-দিহিং, দিখৌ, দিচাং, ধনশিৰি, লুইত, সোৱনশিৰিৰ পাৰে পাৰে নানা জনগোষ্ঠীৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত সেই নদীসমূহে বিপুল বৰঙণী যোগাই অহাৰ উদাহৰণ অসমৰ লোকগীত সমূহত জিলিকি আছে। এনেদৰেই মিচিংসকলো বিৰাজমান। যেনে মিচিং প্ৰেমিক প্ৰেমিকাই গেৱা ঐনিতঃমত নদীৰ উপমা অবৰ্ণনীয় ভাৱে প্ৰকাশ পায়।

আচী বিতভীৰ চুয়েপী
বদোপ এইয়া সাগৰৰ
অইনম মীংতৌৰ চুয়েপী
আগ গল আৰাৰ—

(স্ৰোতস্বিনী নদীৰ সোঁত বৈ বৈ বঙ্গোপসাগৰত সোঁতবিহীন হোৱাৰ দৰে অ'চেনাই তোমাৰ মৰম মৰিশালিৰ মৃত্যুৰ গহ্বৰতহে পাহৰিব পাৰিম।)

ভৰবাৰিষা আহিলে নদীৰ কাষে কাষে থকা মিচিং গাওঁবোৰক লুইতৰ পানীয়ে বুকুত সাৱটি লয়। অথচ তাতো যেন মিচিং ডেকা গাভৰুৱে বিচাৰি পায় জীৱনৰ প্ৰতিচ্ছবি। সেয়ে মিচিং ডেকা গাভৰুৰ কণ্ঠত শুনা যায়—

অইয়া কংন্দামপী তাংনী ৰাগ কংকামপী
ছংচাং আচিনাচী কংচ ডুংবনে অইয়া

(গাঙ খহি যোৱাৰ দৰে অ'চেনাই মোৰ উঠি অহা মনৰ আশা আকাংখ্যাবোৰ জহি পমি গৈছে।)

এনেদৰে প্ৰকৃতি প্ৰেমী মিচিং সকলৰ লোকগীতত চহা জীৱনৰ সহজ সৰল ভাৱ প্ৰকাশ পাই আহিছে। অসমৰ পৰ্বত পাহাৰ, হাবি-বননিক লৈ ক'ত যৌৱনৰ উন্মাদ চহা ডেকা গাভৰুৱে মুক্তভাৱে গীত গাই গাই

প্ৰাণশীতল কৰে তাৰ উদাহৰণ কম নহয়। বিভিন্ন গিৰি পথেদি ভয় শংকা লৈ প্ৰৱজন কৰোতে মিছিং লোকসকলে নানা ঘাট প্ৰতিঘাটৰ মাজেদি আহিব লগা হৈছিল যদিও এই দিনবোৰ যে কিমান মধুৰ আৰু সুখৰ আছিল এই কথা সোঁৱৰি ক'ত ডেকা গাভৰুৱে পৰ্বতৰ শাৰী শাৰী টিং বোৰলৈ চাই চাই ক'ত কল্পনা কৰে ; চৰাইত নহ'লে উৰি গৈ চাবলৈ বুলি।

আকৌ কোনোবা প্ৰেমিকে প্ৰেয়সীক ঐনিতঃমৰ মাজেদি অতীতৰ পাহাৰটোলৈ মনত পেলাই দি আকুল আহ্বান জনাই এনেদৰে—

কায়ে আজন গৃকাংব
আদিয়েনা তায়েতপ
চ্ঃপাগ আবৃগ ইগেংলা
ৰিবি গাচেং চুম্গেংলা
আলি আয়ে পৰাগ্ ল

( বলা চেনাই পাহাৰৰ ওপৰত গৈ কপাহৰ খেতি কৰোগৈ। এই কপাহৰ পৰা সূতা কাটি ৰিঃবি গাচেং বৈ আলি আয়ে লৃগাং আৰু পৰাগ উৎসৱত এই ৰিঃবি গাচেং গাত লৈ আনন্দ মনেৰে দুয়ো নাচিমগৈ। ব'লা মোৰ মৰমৰ চেনাই )।

আকৌ প্ৰকৃতিৰ বিনন্দীয়া মিছিং চহা ডেকা গাভৰু সকলে গছৰ কুঁহিপাত, বাটৰ তুৰবি বন বসন্তৰ পৰশত হালি জালি নাচি থাকিবৰ মন বুলি ক'ত উপমাৰে ভৰা ঐনিতঃম গায়। আনকি গছকত মৰহি যোৱা বাটৰ তুৰবি ভৰাৰ কথাত ঐনিতঃমত বাদ পৰা নাই। এই বিশ্ব বসুন্ধৰাৰ সকলো সৃষ্টিৰেই মূল্য আছে। তুৰৱি বনৰ কথা আমাৰ পৌৰাণিক জন সাহিত্য আৰু ৰোমাণ্টিক সাহিত্যবোৰত পৰ্য্যাপ্ত পৰিমাণে উল্লেখ কৰা দেখা যায়। অনুৰূপ মিছিং সকলে তুৰবি বনৰ দ্বাৰাই মাঙ্গলীক কাম সম্পাদন কৰাৰ উপৰিও কেতিয়াবা কোনোবা বেমাৰত ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। সেয়ে মিছিং লোকগীত সমূহত তুৰবি বনৰ স্থান বৰ্ণনা কৰিছে এনেদৰে—

অলুম অইনম লাংগেলা অকুম বখ্লা দতুবং
তুৰবি আননীম জ্গেলা পৃদে আদেম মতুবং,
( তোমাক বিয়া কৰাই আনি ঘৰ সংসাৰ পাতিছো আৰু তুৰবি বনৰ পাতেৰে আমাৰ বৈবাহিক সম্বন্ধ গঢ়ি সাংসাৰিক জীৱন যাত্ৰাৰ শুচি কৰি নিৰাময় কৰিছো। )

এইদৰে আমাৰ অসমীয়া জন জীৱনক কেন্দ্ৰ কৰি গঢ়ি উঠা সাংস্কৃতিক জীৱনত তুৰবি বনৰ স্থান যথাযথ ভাৱে ঠাই পাই আমাৰ উমান তলৰ গীতসমূহে আমাক সোঁৱৰাই দিয়ে।

হাতী হেৰুৱালো লিহিৰি বনতে
ঘোঁৰা হেৰুৱালো ৰণত
পাই হেৰুৱালো সৰগৰ মুকুতা
চোতালৰ তুৰবি বনত।

এনেদৰে বিভিন্ন গোষ্ঠীৰ লোকগীত সমূহত হাবি বনৰ উপমা থকাৰ দৰে মিছিং জনজীৱনৰ লোকগীত সমূহতো তুৰবি বনৰ উপমাৰে ঠাই খাই আছে।

অইনম আজন আৰ্গ্লক তডিদীম
যুমৰাং অইয়া তুৰবি পাৰতিত তংকোবন।

( পথাৰৰ নিৰ্জন টঙীখনত তোমাৰ সতে একেলগে হৈ প্ৰণয় কৰা ঠাই ডোখৰ আজি তুৰবি বনে ছাটি পেলালে। )

ৰেল আলি তুৰবি এদিলংনা কুঙাৰয়েন
অই ঙয়িক দদিদোম আদৃলন লুঙাৰয়েন;

( ৰেল আলিৰ তুৰবি বন লেখি শেষ কৰিব নোৱাৰাৰ দৰে অ' চেনাই তোমাৰ মোৰ অন্তৰ ভৰা মনৰ গোপন কথা কৈও শেষ কৰিব নোৱাৰো। )

বিহু বিনন্দিয়া অসমীয়া ডেকা-গাভৰুৰ মনত মুকলি মুৰীয়াকৈ আটাইৰে আগত বিহুৰ গইনা লৈ জনগীতে প্ৰৱল জলস্ৰোতৰ দৰে জনগীত সমূহত বিকাশ লাভ কৰে। আদিম কালৰ পৰাই প্ৰকৃতিৰ লগত মানুহৰ নিবিড় সম্বন্ধৰ কথা কোনেও নুই কৰিব নোৱাৰে। এই প্ৰকৃতিৰ বুকুৰ সন্তান মানুহে প্ৰকৃতিৰ পৰা নৈসৰ্গিক বিবিধ জ্ঞান আৰোহণ কৰি প্ৰকৃতিকেই আপোন বুলি ভাবি এই প্ৰকৃতিৰ ৰস ৰস অনুপম সৃষ্টিৰ লগত মানুহৰ জীৱনৰ মুহিনী স্বৰূপ।

প্ৰকৃতিৰ বুকুত নানা গছ-গছনি বিৰাজমান। এই পৃথিৱীৰ বুকুত গজি উঠা গছ-গছনি বতাহত হালি জালি

থকা হিল্লোলৰ পৰা মানুহে নৃত্যৰ ভংগিমা আহৰণ কৰিছিল। বতাহত প্ৰাণঢালি কঁপি উঠা গছ-গছনিৰ মৃদু তৰংগ ৰাজীৰ পৰা সুললিত গীতৰ সুৰৰ ঝংকাৰ আৰু কুউ কুউ কৰি সুললিত কণ্ঠেৰে মন ভোলোৱা কুলি কেতেকীৰ আৰু ফুলৰ মৌৰস পান কৰোতে ভোমোৰাৰ ভূণ ভুণনিৰ পৰা গীতৰ তাল সুৰ সমালয়ত বিবিধ বনৰীয়া জীৱ-জন্তুৰ চিঞৰ বাখৰৰ পৰা সুৰৰ আৰোহন আৰু প্ৰকৃতিৰ বুকুত সৃষ্টি হোৱা বিবিধ মাতৰ শব্দৰ অনুসৰণৰ পৰা এদিন ভাৰতীয় ললিত জন্ম হৈছিল। মিছিং সকলেও এই প্ৰকৃতিৰ বুকুতেই বিবিধ সংগতিৰ সুৰ নৃত্যৰ অঙ্গী ভংগী আৰু প্ৰকৃতিৰ লগতেই তুলনা কৰি এইবোৰৰ পৰাই এটা ইতিবাচক লোকগীত মাতৰ চৰম উৎকৰ্ষ সাধন কৰিছিল। যেনে লহ পহকৈ বাঢ়ি অহা নাহৰ পুলি বোৰলৈ চাই চহা মিছিং ডেকা গাভৰুৱে স্বতঃস্ফুট ভাৱে গালে—

চ্‌লুঙলক কাংকানী লাভৰ অইয়া পুলিদী
তানিলক কায়ুমনী মীংলাখ অই কংনাৰু।

(কাঠনি ডৰাৰ মাজত নাহৰ পুলিটো যেনে শুৱনি হৈ জিলিকি আছে।)

আপোনপী ইগেলা পুনৰুগ অই চুলাংকা
ৰুনজ্‌পী ইগেংলা মাৰুগী চুলাংকা

(ফুল হৈফুলি তুমি আদৰি লবা আৰু লগ হৈ তুমি মোক আকোৱালি লবা।)

এইদৰে গোৱা ক'ত মিছিং গীত মাত আছে তাক এই প্ৰবন্ধৰ যোগেদি বৰ্ণনাই শেষ কৰিব নোৱাৰি। তথাপি এনেদৰে মিছিং ডেকা গাভৰু সকলে গোৱা গীত সমূহক কেৱল যৌৱনৰ বলীয়া বানত উঠি ভাঁহি ফুৰা প্ৰেম পীৰিতীৰ আত্ম কথা বুলি কলে নিতান্তই ভুল কোৱা হ'ব। ইয়াক অলপ দকৈ ভাৱি চাব পাৰিলেই ইয়াত কেনেকৈ নিজৰা, চাপৰি, গছ-লতিকা বিৰিখে এটা সামাজিক সম্পূৰ্ণৰূপ লব পাৰিছে তাৰহে ইতিবাচক নিৰ্দেশ আমি এই গীত সমূহত পাইছো।

ইয়াৰ ওপৰত মিছিং চহা ডেকা গাভৰুৰ নিজা ৰচনাৰ মাজতো কিছুমান উন্নত চিন্তা বৰ্ণনাৰ ভাৱ ফুটি উঠা দেখিবলৈ পোৱা যায়। যেনে জনপ্ৰাণীহীন দ্বীপত নিৰ্বাসিত "Alexander Selkivk ৰ Head & the wings of a dove"ৰ নিচিনা কল্পনাত মিছিং ডেকা গাভৰুৰ ৰচনা কৰা গীত সমূহত বিৰাজমান হৈ আছে।

কপৌ চৰাইৰ দৰে কোনে বিনাইছে। আকৌ বিখ্যাত ইংৰাজী সাহিত্যৰ প্ৰকৃতি কবি William Wordsworthr ৰ "Half bidden from the eye" ৰ নিচিনা কল্পনা পাকৰ্কান পাকৰ্'ান দাককান বিছুনে (চকা মকাকৈ দেখা দিয়ে) অৰ্থাৎ কিছু দেখিছে কিছু দেখা নাই। এই বিলাক ৰচনাত মিছিং লোকগীতত শুনিবলৈ পোৱা যায়।

আনফালে—

Do my beloved as other lover do
Go to my father to aply bltol
Come back to me for than host joy—

উক্ত ভেনিটীয় গীতত যি গাভৰুৱে ডেকাক ভাল পোৱাৰ তীব্ৰতা আছে তেনেদৰে মিছিং গাভৰুৱে ৰচিত ঐনিতঃমতো সেই একেই সুৰ বাজি উঠে।

বা বা— ৰুতুমতেই নানা দুৰতুমতেই
দৰতুম্‌ মঃমুঃবন ৰাৰ্গায় গৃয়েপী ॥

(দেউতা আৰু আই যিমান টকা লাগে সিমান টকা হলেও তোমালোকে ছোৱালী জনীক ৰাখা তাকে যদি নকৰা তেন্তে হলে মই বনবাস খাটিবলৈ যাম।)

কবি ওৱৰ্ডচ ওৱৰ্থৰ (Words worth) চলিটাৰীৰীপাৰ (Solitanh reaper)ৰ দৰে নিজান অকলশৰীয়া বহল মুকলি পথাৰৰ এচুকত অকলশৰীয়াকৈ ধান দাই থকা মিছিং গাভৰুৱে গায়।

কুৰুৱাবী কাবতুবং অ্‌তুলাং অয় অ্‌বব্দলা
ভককো অইন আতুবং ৰংকিলা অয়তখ্‌সীলা

(কুৰুৱা চৰায়ে গছৰ ডালত বহি ইফালে সিফালে চাই আকুল সুৰত বিনাইছে আৰু মোৰ অকনি প্ৰাণো আকুল ব্যাকুল হৈ উঠে কিবা এটা নোপোৱাৰ বেদনাত বা অচিনাকী নজনা ভাৱত। (Looking to and fro the Eagle alone) এইদৰে বিভিন্ন সময়ত সৃষ্টি হোৱা মিছিং ঐনিতমৰ উপমাখিনি (My mind piece away for the

unknower) বিশেষ মনকৰিব লগীয়া।

গীতৰ গায়ক গায়িকা সকল যেনেদৰে সহজ সৰল চহা জীৱনক কেন্দ্ৰ কৰি গীতবোৰ ৰচনা কৰা হৈছে ঠিক এইদৰে তাৰ ভাৱ ভাষাত তেনে সহজ সৰল আৰু উপমা-খিনিও তেনেই সহজ সৰল ভাৱে গোটাই লোৱা তেওঁ-লোকৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা সমলবোৰ সংগ্ৰহ কৰা।

এই মিছিং লোকগীত সমূহৰ সংগ্ৰহ আৰু নানান তাত্বিক দিশবোৰো নিতান্তই গৱেষণাৰ বিষয় বস্তু হোৱা উচিত। কোনো জনসাহিত্যকেই ইমান সহজ সৰল ভাৱ প্ৰকাশ কৰি গোৱা উপমাৰ উদাহৰণ পাবলৈ টান। গোটেই ঐনিতঃমৰ গীতবোৰেই আদি ৰসেৰে ভৰপুৰ। ইয়াত প্ৰেমিক প্ৰেমিকাৰ জীৱনৰ পোৱা নোপোৱাৰ হৰ্ষ, বিষাদ, দুখ বেদনা প্ৰকাশ পায়। এই গীত বোৰেই মিছিং সমাজৰ জাতীয় জীৱনলৈ আনন্দ, সম্প্ৰীতি তথা সামাজিক আত্মীয়তা কথা সমগ্ৰ মিছিং লোক সমাজত এক সংহতিৰূপে সমল যোগাই আহিছে আৰু যুগ যুগ ধৰি গীত সাহিত্যৰ সৃষ্টি কৰাত সফল যোগানত বৰঙণি যোগাব। □

"পৃথিৱীখন আমাৰ আৰু তোমালোকৰো; কিন্তু শেষ বিচাৰত ই তোমালোকৰেই। পুৱাৰ সূৰ্য্যৰ দৰে অফুৰন্ত শক্তি আৰু প্ৰাচুৰ্য্যৰ অধিকাৰী তোমালোক ডেকা-গাভৰু সকলৰ ওপৰতেই আমাৰ ভৰসা।"

মাও-চে-টুং

# সমাজৰ উন্নতিত শিক্ষা

অৰুণ জিৎ গগৈ
স্নাতক ১ম বাৰ্ষিক (কলা)

সাধাৰন অৰ্থত সমাজ বুলিলে কিছুমান পৰিয়াল আৰু তেওঁলোকৰ আত্মীয় স্বজন, আপোন-পৰ সকলো মিলি থকাকে সমাজ আখ্যা দিয়া হয়। সমাজৰ প্ৰকৃত ৰূপটো মানুহে দেখা নাপায় বা ইয়াক স্পৰ্শ কৰিব নোৱাৰে, কিন্তু ইয়াক মানুহে অনুভৱ কৰিব পাৰে। আৰু অনুভৱ কৰিব পাৰিলেই এখন সমাজৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, ন্যায়-অন্যায়, ভাল-বেয়া আদি বিবেচনা কৰিব পাৰি। আমি যদি কোনো এখন সমাজলৈ গভীৰ ভাৱে চাওঁ বা সেই সমাজৰ চাল-চলন আদি'ল লক্ষ্য কৰো তেন্তে আমি সেই সমাজৰ ধৰণ, প্ৰকৃতিৰ বিষয়ে বুজিবলৈ আমাৰ বাকী নাথাকিব। সি-যি-কি নহওঁক এখন বিতোপন সমাজক উন্নতিৰ পথত ক্ৰমান্বয়ে আগুৱাই নিব পৰাটোৱেই আমাৰ লক্ষ্য হোৱা উচিত। এই লক্ষ্যত উপনিত হ'বলৈ হ'লে প্ৰথমেই আমাৰ দেশৰ শিক্ষিত চামেই বাট দেখুৱাব লাগিব। শিক্ষিত ছাত্ৰ-ছাত্ৰী সকলেই দেশৰ মেৰুদণ্ড স্বৰূপ। তেওঁলোকেই সমাজ সংস্কাৰৰ ক্ষেত্ৰত আগ বাঢ়ি যাব লাগিব।

বৰ্তমান আমাৰ দেশৰ সমাজ ব্যৱস্থালৈ চালে দেখা যায় যে দিনে-দিনে সমাজৰ উন্নতি নিচেই নিম্ন খাপৰ হৈ যাব ধৰিছে। সমাজত বিদ্ৰোহৰ ভাৱ জাগি উঠিছে, আকৌ এচাম লোকে নিজৰ স্বাৰ্থ পূৰণাৰ্থে সমাজৰ অস্তিত্ব ধ্বংস কৰিব বিচাৰিছে। ইয়াৰ কাৰণ বিচাৰিলে প্ৰথমেই ক'ব লাগিব শিক্ষাৰ দুৰৱস্থা। এখন সমাজৰ উন্নতিৰ আধাৰ-শীলা হৈছে শিক্ষা। যদি শিক্ষাই পিছ পৰা তেন্তে সমাজৰ উন্নতি ক'ত? আমাৰ দেশৰ সৰহ সংখ্যক লোকেই এক দৰিদ্ৰতাৰ জীৱন লৈ গাৱঁতে বাস কৰি আছিছে। গাৱৰ সৰহ সংখ্যক লোকেই নিৰক্ষৰ। তেওঁলোকে এক স্বেচ্ছাচাৰী মহাজনৰ কৱলত পৰি নিজৰ জীৱনৰ স্বচ্ছন্দতা হেৰুৱাই পেলাইছে। গতিকে তেওঁলোকে শিক্ষাৰ কথা ভাৱিবই পৰা নাই, আৰু সমাজৰ উন্নতিত বাধাৰ স্বৰূপ হৈ গা কৰি উঠিছে। গতিকে গাৱৰ শিক্ষা ব্যৱস্থাটো অধিক উন্নত কৰিব লাগিব। গাৱৰ কণ-কণ শিশু হঁতৰ লগতে প্ৰাপ্ত বয়স্ক শিক্ষাৰ ব্যৱস্থাও কৰিব লাগিব। শিক্ষাৰ জৰিয়তেহে তেওঁলোকৰ জীৱনলৈ স্বচ্ছন্দতা ঘূৰাই আনিব লাগিব।

আমাৰ দেশৰ সমাজ ব্যৱস্থাৰ আন এটা মন কৰিব লগীয়া দিশ হৈছে সমাজত অবাধে প্ৰয়োগ হৈ থকা ৰাগীয়াল বস্তুৰ প্ৰাদুৰ্ভাৱ। মদ, ভাং, কানি আদি এই বিষাক্ত ৰাগীয়াল বস্তুবোৰে আমাৰ সমাজ ব্যৱস্থাক অধিক ধ্বংসৰ মূখী কৰি তুলিছে। সমাজক সততে ভাঙোন সৃষ্টি কৰা একমাত্ৰ কাৰণ হৈছে এই ৰাগীয়াল বস্তুবোৰৰ ব্যৱহাৰ। সমাজৰ উন্নতিত বাধাৰ সৃষ্টি কৰি পেলাইছে। এই বিষাক্ত বস্তুবিলাক পান কৰি নাযাব লগীয়া ঠাইলৈ গৈ সমাজৰ অলেখ ক্ষতি কৰি আছিছে। আমাৰ চকুৰ আগতে ঘটা গাড়ী দুৰ্ঘটনা বিলাক হোৱাৰ একমাত্ৰ কাৰণ হয় এই ৰাগীয়াল বস্তুবোৰ পান কৰাৰ পৰা। এই বিলাকে জানো সমাজ ব্যৱস্থাক ধ্বংস মূখী কৰি তোলা নাই? এই বিলাক যদি সমাজত অবাধে প্ৰয়োগ হ'বলৈ হয়, সমাজৰ অস্তিত্বই থাকিব ক'ত? গতিকে সমাজৰ পৰা এই বিষাক্ত ৰাগীয়াল বস্তুবোৰ সম্পূৰ্ণ নিৰ্মূল কৰিব লাগিব। তাৰ বাবে লাগিব শিক্ষা। এই ক্ষেত্ৰত আমাৰ শিক্ষিত চামেই আগবাঢ়িব লাগিব। ছাত্ৰ শক্তি অসীম শক্তি, গতিকে এই ক্ষেত্ৰত ছাত্ৰ সকলেও

পূৰ্ণ সহায় সহযোগ কৰিব লাগিব। চৰকাৰেও অধিক মনোযোগ দিব লাগিব। আমাৰ দেশৰ গাৱলীয়া সমাজত এই ৰাগীয়াল বস্তুবোৰৰ প্ৰভাৱ বেছিকৈ দেখিবলৈ পোৱা যায়। গাৱত সততে পোৱা মদৰ দোকানবোৰে সমাজৰ বেচি ক্ষতি কৰিছে। আজি কালি নগৰতো ইয়াৰ প্ৰভাৱ নপৰাকৈ থকা নাই। ফলত সমাজত সততে বিশৃংখলতাৰ সৃষ্টি কৰা দেখা যায়। গতিকে সমাজত এই দোকান বিলাক থাকিলে এখন সমাজৰ কেতিয়াও উন্নতি আশা কৰিব নোৱাৰি। এখন শান্তিকামী সমাজ প্ৰতিষ্ঠা কৰিবলৈ হ'লে ৰাগীয়াল বস্তু ব্যৱসায়ী সকলক কঠোৰ শাস্তি দিব লাগিব আৰু তেওঁলোকৰ দোকান বন্ধ কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰে বৰ বেচি চকু দিয়া নাই যেনেই লাগে। গতিকে এই ক্ষেত্ৰত আমি ছাত্ৰ সমাজেই আগবাঢ়ি আহিব লাগিব। শিক্ষিত ছাত্ৰ-ছাত্ৰী আৰু মহিলা সকলেও আগ ভাগ লব লাগিব।

আমাৰ সমাজৰ আন এটা বৈশিষ্ট হৈছে "অন্ধবিশ্বাস"। এই অন্ধবিশ্বাসৰ কৱলতেই বহুত মানুহ দৰিদ্ৰতাৰ পাকচক্ৰত পৰিব লাগিছে। সমাজৰ উন্নতিলৈ আওকান কৰি পূৰণি কলীয়া এই অন্ধবিশ্বাস বোৰৰ কৱলত পৰি সমাজ পিছ পৰি যাব ধৰিছে। বিশেষকৈ গাৱলীয়া সমাজতহে এই প্ৰথা বেছিকৈ প্ৰচলিত আছে। গতিকে এই অন্ধবিশ্বাসবোৰ মানুহৰ মনৰ পৰা আতৰাই মনলৈ এটা উন্নত পৰ্য্যায়ৰ চিন্তাৰ ঢৌ বোৱাই আনিব লাগিব য'ত নেকি এখন উন্নত সমাজৰ শিক্ষাৰ সমল থাকিব। এই অন্ধবিশ্বাস বোৰ সমাজৰ পৰা আঁতৰাব লাগিব একমাত্ৰ শিক্ষাৰ জৰীয়তে। সমাজৰ নিৰক্ষৰ লোক সকলক শিক্ষাৰ যোগেদি তেওঁলোকৰ মনৰ পৰা অন্ধবিশ্বাস বোৰ দূৰ কৰিব লাগিব। এই ক্ষেত্ৰত আমাৰ শিক্ষিত লোক সকলে আৰু আমি ছাত্ৰ-ছাত্ৰী সমাজেও আগবাঢ়ি যাব লাগিব।

এখন সমাজৰ জন্ম হয় কিছুমান ব্যক্তিৰ সমষ্টিৰ দ্বাৰা। গতিকে এখন উন্নতিশীল সু-সমাজ গঢ় দিবলৈ হ'লে প্ৰথমতেই সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ অন্তৰত শিক্ষাৰ বীজ সিঁচিব লাগিব। সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস, জাতি ভেদ প্ৰথা আদি সম্পূৰ্ণ নিৰ্মূল কৰিব লাগিব। এই বিলাক কামৰ বাবে চৰকাৰৰ লগতে আমিও সমানে আগবাঢ়ি যাব লাগিব। ইয়াৰ বাহিৰেও সমাজৰ নিৰক্ষৰ লোকসকলক জ্ঞানৰ সমল যোগাব লাগিব। সমাজৰ উন্নতিৰ হকে তেওঁলোকক জ্ঞান দিব লাগিব আৰু বুজাব লাগিব। সমাজত সততে উদ্‌ভৱ হোৱা দণ্ড-কাজিয়া, বিৰোধ আদি শান্তিপূৰ্ণ উপায় আৰু পাৰম্পৰিক আলাপ-আলোচনাৰ যোগেদি মীমাংসা কৰিব লাগিব। সমাজৰ পৰা ধনী-দুখীয়া, উচ্চ-নীচ আদি ভাৱবোৰ নাইকিয়া কৰিব লাগিব। এখন উন্নত সমাজ গঢ়ি উঠিব, য'ত ধনী-দুখীয়া উচ্চ-নীচ আদি ভাৱ নাথাকিব। শিক্ষাৰ মাধ্যমেৰে মানুহৰ মনৰ পৰা এই কু-ভাৱবোৰ দূৰ কৰিব লাগিব। সি যি কি নহওক সমাজৰ উন্নতি বাবে প্ৰত্যাকজন ব্যক্তিয়েই শিক্ষিত হোৱা উচিত।

আমি যদি সমাজৰ এই দিশবোৰলৈ মন দিও তেতিয়া হ'লে নিশ্চয় দোষ ত্ৰুটিবোৰ আমাৰ চকুত নপৰাকৈ নাথাকে আৰু আমি যদি প্ৰত্যেকেই একোজন মহান শিক্ষিত হৈ এই দোষবোৰ সমাজৰ পৰা আঁতৰাব পাৰো কেতিয়াও সমাজৰ উন্নতি নোহোৱাকৈ থাকিব নোৱাৰে। □

সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।

— জ্যোতি প্ৰসাদ

এটি পৰ্য্যালোচনা—

# বেজবৰুৱাৰ স্বাধীনচিতীয়া মনোভাৱ আৰু বৰ্ত্তমানৰ যুৱ সমাজ

লোক বিকাশ গগৈ
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

অসমীয়া জাতিৰ চিৰ নমস্য আৰু জাতীয় যুদ্ধৰ মহাবীৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা তেতিয়াৰ এজন উচ্চ ডিগ্ৰীধাৰী সুশিক্ষিত লোক আছিল। তেখেত অসমীয়া সাহিত্যত আধা শতিকা জুৰি মুকুট বিহীন সম্ৰাট আছিল। তেখেতৰ এই বিশাল সাহিত্য সাগৰত সাতুৰি ককবকাবলৈ বিচৰা নাই, বিচৰা হৈছে তেখেতৰ এটা সাধাৰণ মনোভাৱ যি ডেকা সমাজৰ চকুত সহজে নপৰা অথচ অনুকৰণীয়। সেইটো হৈছে তেখেতৰ স্বাধীনচিতীয়া স্বাৱলম্বীতাৰ মনোভাব বা চাকৰি বিমুখী মনোভাৱ।

বেজবৰুৱা যে স্বাধীনচিতীয়া আছিল তাক তেওঁৰ স্বাধীন ব্যৱসায় অৱলম্বনতে ধৰিব পাৰি। তেতিয়াৰ দিনত বি, এ. পাছ কৰি উঠা ডেকা এজনৰ পক্ষে ভ.সমত উচ্চ চাকৰি লাভ কৰাটো অতি সহজ কথা আছিল। বেজবৰুৱাই বি, এ. পাছ কৰাৰ পিছত কলিকতাত এম, এ. আৰু আইন পঢ়ি থাকোতেই অসম চৰকাৰে তেওঁক দুবাৰো মুন্সিফৰ কাম যাচিছিল। কিন্তু চাকৰি জীৱন বেজবৰুৱাৰ মনঃপুত নোহোৱাত তেওঁ সেই চাকৰি গ্ৰহণ নকৰিলে। ইয়াত দেউতাকৰ বাহিৰেও অনেকেই অৱশ্যে বেয়াও পাইছিল। সেই সময়ত কলিকতাত অসমীয়া বিখ্যাত সদাগৰ ভোলানাথ বৰুৱা আছিল। এই বৰুৱাৰে সৈতে বেজবৰুৱাই কাঠৰ ব্যৱসায় আৰম্ভ কৰে। কিছুকাল ব্যৱসায় কৰাৰ পিছত বৰুৱাদেৱৰ সৈতে মতৰ অমিল হোৱাত তাৰ পৰা ওলাই বেজবৰুৱাই 'কলিকতাৰ বাৰ্ড কোম্পানীৰ' ব্যৱসায়ত লগ লাগে। কেই বছৰ মান থকাৰ পিছত ইয়াৰ পৰাও ওলাই তেওঁ উৰিষ্যাৰ সম্বলপুৰত সুকীয়াকৈ কাঠৰ ব্যৱসায় কৰে। কাঠৰ ব্যৱসায়ত যে তেওঁ বৰ চহকী বা ধনকুবেৰ হৈ উঠিছিল সি নহয়, কিন্তু তেওঁ তেনেকৈ স্বাধীনভাবে থাকি ভাল পাইছিল। তেনেকৈ তেওঁ আন অসমীয়াকো এক আৰ্হি দেখুৱাইছিল।

বেজবৰুৱাই পৰাধীন অৱস্থাত থকা ভাৰতবৰ্ষতো আন আন ৰাজ্যত যি দৰে ব্যৱসায়ত হাত দিব পাৰিছিল, সেইজনা অসমীয়া পুৰুষৰ ৰাজ্যতেই আজি অসমীয়াই ব্যৱসায়ৰ সিংহ ভাগ বহিৰাগতৰ হাতত তুলি দিব লগা হল। বৰ্ত্তমান অসমত অসমীয়া ব্যৱসায়ী নিচেই তাকৰ। এপাছি শাকত দুই তিনিটা জালুকৰ দৰে। এই জালুকো আকৌ লতাডালৰ একেবাৰে আগত লগা. গুৰিত নহয়, গতিকে ইয়াৰ জালো কম আৰু অৱস্থাও পয়ালগা। যি দুই এজন ব্যৱসায়ী গুৰি অৰ্থাৎ পাইকাৰী ব্যৱসায়ত আছে, তেওঁলোকেও আজি বহিৰাগতৰ পৰা নিৰাপত্তাহীনতাত ভুগিছে। নহলেনো ফাঁচী বজাৰত বহিৰাগত ব্যৱসায়ীৰ কু-অভিসন্ধিত অসমীয়া পাইকাৰী ব্যৱসায়ী অনাহকতে পুলিচৰ হাতত গ্ৰেপ্তাৰ হ'বলগীয়া হয়নে? [ অসম বানী, ১৮ মাৰ্চ, ৮৮ সংখ্যাৰ দ্ৰষ্টব্য ] যাৰবাবে এতিয়া ফাঁচী বজাৰত থকা চাৰিজন অসমীয়া ব্যৱসায়ীক চৰকাৰৰ দ্বাৰা আৰ্থিক তথা অন্যান্য সহায় সহযোগ কৰি নিৰাপত্তা দিয়াৰ বাবে ৰাইজে দাবী তুলিব লগীয়া হৈছে।

বৰ্ত্তমান অসমীয়া যুৱ সমাজত নিষ্কৰ্মা প্ৰবৃত্তিয়ে স্ব-নিৰ্ভৰশীলতাৰ ক্ষেত্ৰত সংকট হিচাবে থিয় দিছে। পৃথিৱীৰ উন্নত দেশবোৰত সাধাৰণতে ১৬ বছৰ মান বয়সতে এজন ছাত্ৰই নিজে উপাৰ্জন কৰিবলৈ আৰম্ভ কৰে। কিন্তু আমাৰ প্ৰায়ভাগ ছাত্ৰ যুৱকেই এটা সংস্থান নোহোৱা পৰ্য্যন্ত অৰ্থাৎ প্ৰায় ২০-২৫ বছৰমান বয়সলৈকে অভিভাৱকৰ উপাৰ্জনৰ ওপৰতেই নিৰ্ভৰশীল। বৰ্ত্তমান আমাৰ যুৱ সমাজ চাকৰি-মুখী। চাকৰি এটাৰ বাবেই অফিচে-অফিচে দৰ্খাস্ত দি অধীৰ অপেক্ষাত হাত সাবতি বহি আছে। নহলেনো দুজন মানুহ পৰস্পৰ বিপৰীতমুখে গতি কৰাৰ দৰে নিবনুৱা সমস্যা আৰু সংস্থানেও একেদৰেই গতি কৰেনে? বৰ্ত্তমান অসমত মুঠ পঞ্জীভূত নিবনুৱাৰ সংখ্যা হৈছেগৈ প্ৰায় চাৰে আঠ লাখ। আকৌ গাৱঁৰ কৃষিখণ্ডৰ আৰু চহৰৰ নিবনুৱা মজদুৰ সকলৰ প্ৰায় ভাগেই নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীভূত নকৰে। এই আটাইবোৰ ধৰিলে অসমত মুঠ নিবনুৱাৰ সংখ্যা প্ৰায় ৩৫ লাখ মান হ'বগৈ। অসমত ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ ভয়াবহ দিশটো এই সংখ্যাই প্ৰকট কৰি দেখুৱাইছে। এটি সংস্থাপনৰ আশাত ঘূৰি ঘূৰি আমনি লগাৰ পিছত এই নিবনুৱা সকলে কু-পথ অৱলম্বন কৰিব লগা হয় অথবা সমাজৰ বিপক্ষে বিপ্লৱৰ ধ্বনি তুলি পৰিস্থিতিৰ দাস হ'বলগীয়া হয়। এই অৱস্থাবোৰ কেতিয়াও শুভ নহয়। গতিকে এই সংকটৰ পৰা হাত সাৰিবলৈ আত্মনিয়োগ বা স্বাৱলম্বীতাই হৈছে উত্তম উপায়। এই ৩৫ লাখ নিবনুৱাৰ এটা অংশয়ো যদি আত্ম সংস্থাপিত হ'বলৈ বেজবৰুৱাৰ দৰে ব্যৱসায়ত হাত দিয়ে, তেতিয়াও দেশৰ তথা সমাজৰ বাবে আশাৰ কথা হ'ব। বেজবৰুৱাৰ দৰে উচ্চ শিক্ষিত যুৱক এতিয়াও নিবনুৱা হৈ দিন কটাইছে। সেইসকলে যদি বেজবৰুৱাৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ ব্যৱসায় বাণিজ্য কৰে, তেওঁলোকৰ উন্নতি নহৈ পাৰেনে? তাতে-আকৌ "বানিজ্যাই বসতি লক্ষী" বুলি এষাৰ কথা আমাৰ সমাজত প্ৰচলিত আছেই। যুৱ সমাজে স্ব-নিৰ্ভৰশীলতাৰ বাবে মানসিক পৰিবৰ্ত্তন নঘটালে আত্ম-প্ৰতিষ্ঠা আৰু জাতীয় অস্তিত্ব ৰক্ষা কৰা অতি দুৰূহ হৈ উঠিব।

বৰ্ত্তমান সময়ৰ আহ্বান হৈছে আত্মসংস্থান আৰু আত্ম-সংস্থানেই হৈছে দেশৰ উত্থান। আত্মনিৰ্ভৰশীল লোকৰ চিত্ত প্ৰকৃতাৰ্থত স্বাধীন আৰু সুস্থ মানসিকতাৰে পৰিপূৰ্ণ। আৰ্থিক পৰনিৰ্ভৰশীল লোকে নানান কাৰণত অনিবাৰ্য্য ভাবেই ব্যক্তি বিশেষৰ ওচৰত মূৰ অৱনত কৰি হীনমান্যতাত ভোগে। স্ব-নিৰ্ভৰশীল মানসিকতাৰ অবিহনে জনসংখ্যাক জনসম্পদলৈ ৰূপান্তৰিত কৰাটো অসম্ভৱ। মূলকথাতি ক'বলৈ গ'লে, আত্মনিৰ্ভৰশীলতাই এটা জাতিৰ আত্মনিয়ন্ত্ৰণ, আত্মপ্ৰতিষ্ঠা আৰু অস্তিত্ব বৰ্তাই ৰখাৰ সৰ্বোত্তম উপায়। এই অৰ্থতে আজিও অসমীয়া জাতিটো ভাৰতীয় আন জাতিৰ তুলনাত এটা পৰাধীন জাতিৰূপে পৰিগণিত।

অসমীয়া জনমানসত এটা মাৰাত্মক ৰোগৰ বীজাণুৱে বাহ লৈ অসমীয়া জাতিক পঙ্গু কৰি ৰাখিছে। সেইটো হ'ল শ্ৰমৰ মৰ্য্যাদা দিবলৈ অস্বীকাৰ কৰা। আজিৰ অসমীয়া যুৱকৰ লক্ষ্য, অন্ততঃ চৰকাৰী কাৰ্য্যালয়ত পিয়ন বা চৌকিদাৰ বা অন্য কোনো চতুৰ্থ শ্ৰেণীৰ পদ এটাত অধিষ্ঠিত হোৱা। এনে কাম কৰিবলৈ অৱশ্যে লাজ নালাগে, কিন্তু সেই লাজ নামৰ আত্মসন্ধানৰ ভূতটোৱে শ্ৰমিক বা মিস্ত্ৰিৰ কাম কৰিবলৈ শ্বাসৰুদ্ধ কৰেহি। আমাৰ চকুৰ আগতে বহিৰাগতই চুলি কাটিছে, কাপোৰ ধুইছে, চিলাইছে মাছ-মাংস বেচিছে, গাঁৱৰ ধান নগৰলৈ আনিছে, কপাহ ধুনিছে, বেংকৰ ধাৰ লৈ ঠিকা কৰিছে, হোটেল দি আমাক খুৱাইছে, আমাৰ কৃষ্টি-উৎসৱত চান্দা দিছে আৰু আমি সিহঁতৰ 'বাবু' হৈ অস্তিত্বহীন গৃহস্থ বোলাইছো। কৰ্মত উচ্চ-নীচ নাই। আনৰ বাবে নহলেও বহু কাম আমি নিজৰ বাবেই কৰি লোৱা উচিত। আজিৰ যুৱ সমাজ নিষ্কৰ্মা নহলে অসমত কৰ্মসংস্থান কেতিয়াও বহিৰাগতৰ হস্তগত হ'ব নোৱাৰে আৰু সেইসকলে স্বাভাৱিকতেই অসমৰ পৰা বিতাড়িত হ'বলৈ বাধ্য হ'ব। কৰ্মৰদ্বাৰাহে অসম বিদেশী মুক্ত হ'ব। আইন আন্দোলনৰ দ্বাৰা নহয়। অসমৰ দৰে পিছপৰা ৰাজ্য এখনত আধুনিক পদ্ধতিৰে কৃষি বা কৃষি উদ্যোগ বা পাম, সমবায় বা চৰকাৰী ভিত্তিত গাঁৱে গাঁৱে বৃহৎ কৃষিপামৰ ব্যৱস্থা কৰি, ৰবৰ, কফি, খয়েৰ ইত্যাদিৰ বাগিছা স্থাপন; পশুপালন বা পশুপামৰ জৰিয়তেও

আত্মনিয়োগৰ ব্যৱস্থা কৰিব পাৰি। কৰ্মী লোকৰ বাবে নিবনুৱা কোনো সমস্যা নহয় বা হ'ব নোৱাৰে, নিষ্কৰ্মা লোকৰ বাবে নিবনুৱা কিন্তু এক ভয়াবহ সমস্যা- দেশৰো, জাতিৰো।

আত্মসংস্থানৰ উপায় হিচাবে আজিৰ যুৱ সমাজে শিক্ষাৰ প্ৰমাণপত্ৰ খনকে খামুচি ধৰি চাকৰিৰ পিছে পিছে দৌৰাৰ বিকল্প বিচৰাৰ সময় আহিল। কেৱল চাকৰিৰে নিবনুৱা সমস্যা সমাধান কৰা অসম্ভৱ। আগৰ কালত আমাৰ শিক্ষাৰ প্ৰধান উদ্দেশ্য আছিল জ্ঞান আহৰণ কৰা। জ্ঞান আহৰণৰ ক্ষেত্ৰত কিন্তু আজিৰ আনুস্থানিক শিক্ষা ব্যৱস্থাৰো গুৰুত্ব মূল্যহীন হৈ পৰিছে। আজিৰ তমাজত বিশ্ববিদ্যালয়ৰ ডিগ্ৰী এটা 'ষ্টেটাছ চিমবল' বা চাকৰিৰ বাবে 'ট্ৰেড মাৰ্ক' বুলিহে গণ্য কৰা হয়। বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নথকাজনৰ জ্ঞান যিমান প্ৰতিভাই নাথাকক তেওঁক সহজভাৱে ল'ব পৰা পৰিবেশ এটা এতিয়াও আমাৰ সমাজত সম্পূৰ্ণকৈ গঢ়ি উঠা নাই। গতিকেই আনুষ্ঠানিক শিক্ষাক যুৱ সমাজে জ্ঞান অৰ্জনৰ মাপকাঠিৰূপে গ্ৰহণ কৰি, প্ৰমাণ-পত্ৰক গৌণ স্থান দিয়াহে শ্ৰেয়। ☐

*অতীজতে কবি সকলে গান গাইছিল: প্ৰকৃতিৰ বিষয়ে, তুষাৰ আৰু ফুলৰ বিষয়ে, বতাহ, নৈ, পাহাৰ আৰু জোনৰ বিষয়ে। আজি আমি আমাৰ কবিতাক গঢ়িব লাগিব লো আৰু ইস্পাতেৰে, কবি সকলৰ এটা আক্ৰমন পৰিচালনা কৰাৰ জ্ঞানো থাকিব লাগিব।

: হো-চি-মিন

শায়েৰী ঃ

"চিয়াহী আখ সে লে'কৰ,
য়ে নামা তুমকো লিখতা হুঁ
কি তুম নামা কো দেখে ঔৰ
তুমহেঁ দেখে মেৰী আঁখে।"

মোৰ তুচকুৰ পৰা চিয়াহী লৈ এই চিঠি তোমালৈ লিখিছো। যাতে তুমি চিঠিখন চাব পাৰা আৰু মোৰ চকুৱে তোমাক চাব পাৰে।

o o o

"বাজাৰে মোহব্বও সেঁ নদিল বেচ তু অপনা।
বিক জাতা হৈ চাথ উচকে 'জফৰ' বেচনেৱালা॥"

প্ৰেমৰ বজাৰত তুমি তোমাৰ অন্তৰখন নেবেচিবা, কিয়নো অন্তৰৰ সতে বিক্ৰেতা জনো বিক্ৰি হে যায়।

o o o

জিন্দগী এক আসুওঁ কা জাম থা
পী গএ কুছ ঔৰ কুছ ছল্‌কা গএ।

জীৱনটো এপিয়লা চকলোৰ সুৰা, তাৰে অলপ পান কৰিলো আৰু অলপ পৰি থাকিল।

# স্বপ্নৰ পৰিণতি

প্ৰতাপ লাহন
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা)

আবেলি প্ৰায় চাৰিমান বাজিছে। আনদিনাৰ দৰে দৈনিক বজাৰৰ ফালে পাক এটাকে মাৰি শাক-পাচলি যি পাওঁ আনোগৈ বুলি ভাবি হৰিনাথ বৰুৱা বজাৰলৈ খোজ ল'লে। তেওঁক আকৌ হৰি মাষ্টৰ বুলিহে সকলোৱে চিনি পায়। কাৰণ তেওঁ বৃটিছ চাহাবৰ দিনৰে স্কুলৰ শিক্ষক আছিল। বয়সে প্ৰায় চাৰিকুৰি ভটিয়ালে। তথাপি তেওঁ কোনো ক্লান্ত অনুভৱ নকৰাকৈ ফুৰা-চকা কৰিব পাৰে। ভাবিলে আচৰিত লাগে। এনেতে হৰি মাষ্টৰৰ চকু পৰিল— সদায় লগপোৱা সেই ল'ৰা কেইজনৰ ওপৰত আৰু নিজকে কোৱাৰ দৰে ক'লে— "এই ল'ৰা মখাৰ পৰা একো নহ'ব দেখিছো; যেনি যায় গোটেই মখাই একে লগে গিৰগিৰাই যায়। কেনি যায়, কি কৰে একো ততকে ধৰিব নোৱাৰি। হৰি মাষ্টৰে আৰু এখন্তেকো ৰৈ থাকিব নোৱাৰিলে। তেওঁ গৈ নিৰ্দিষ্ট পাণদোকান খন অৰ্থাৎ ল'ৰাকেইজনে সদায় আড্ডা মৰা সেই দোকানখন পালেগৈ। হৰি মাষ্টৰে কৈয়ে পেলালে—

হে'ৰ বোপাহঁত, তহঁতে এনেকৈ ধূনমাৰি আলিবাটত চালি ধৰিলে হ'বনে? হে'ৰ তহঁত পঢ়াশুনা কৰা ল'ৰা। কিবা এটা কৰ। এনেদৰে দোকানৰ মুখত থিয় হৈ মুখত চিগাৰেট হুপি, স্কুলীয়া, কলেজীয়া ছোৱালীবিলাকক জোকাবলৈ কিহে পাইছে হুঁ। কি কলি তই? চবেই জোকাই আজিকালি? হে'ৰ সেইবুলি তহঁতে ইমান অশ্লীল শব্দবোৰ ব্যৱহাৰ কৰিব লাগেনে? জীয়াৰী-বোৱাৰী চিন নাই? দেখনীয়াৰ হলেতো কথাই নাই। আলিবাটেদি গ'লে গোটেই মখাই হাতত ধৰা-ধৰিকৈ যাবি। গোটেই আলিবাটতো চৰকাৰে তহঁতৰ কাৰণেহে যেন বন্ধালে। সন্মুখৰ ফালৰ পৰা যদি কোনোবা ছোৱালী আহে, তহঁতৰ ভাবাৰে আকৌ "মাল" আহে। তেতিয়া তহঁতি বাট এৰি দিয়া দূৰৰ কথা, পাৰিলে বাউসীটোকে গাত লগাই থৈ যাব। তহঁত শিক্ষিত ল'ৰাবোৰে এনে কাম কৰিলে শোভা নাপায় বুজিছ। তহঁতেতো এনেকৈ ঘূৰি নুফুৰি চাকৰি এটাকে যোগাৰ কৰি ল'ব পাৰ।

বুঢ়াৰ কথাত আটাইকেইটা ভেচভেচিয়া লাগিল আৰু খঙত ৰঙা পৰিবলৈ ধৰিলে। খঙৰ ভমকত ৰমেনে কৈ উঠিল আৰু বেছি কথা নকব, কথা বেয়া হৈ যাব। এনেয়েই মাথা গৰম হৈ আছে, ৰমেনে তাচিল্যৰ হাঁহি এটা মাৰি ক'লে "চাকৰি"— এনেতে ৰঞ্জিত, বিজিৎ আৰু নৰেনে, ৰমেনক তেনেকৈ ক'বলৈ মানা কৰিলে। তাৰ মাজতে নৰেনে ৰমেনক ক'লে— "সহিষ্ণুতা মানুহৰ অলঙ্কাৰ" এই কথা শুনাৰ লগে লগে ৰমেন আকৌ উত্তেজিত হৈ উঠিল যেন জ্বলা জুইত কোনোবাই ঘিঁউহে ঢালিলে। গুলি মাৰ তোৰ "সহিষ্ণুতা" আৰু কিমান দিন সহ্য কৰি থাকিম ৰে। ৰমেনে পুনৰ বুঢ়াৰ আগলৈ আহি কবলৈ ধৰিলে—

শুনক, মই এদিন এবুকু আশালৈ বি এ, পাছ কৰিছিলো। ভাবিছিলো চৰকাৰী চাকৰী এটা নিশ্চয় পাম। চৰকাৰী দৰমহাৰে মাৰ পুৰণি বেমাৰটো শুশ্ৰূষা কৰিব পাৰিম। কলেজত পঢ়োতে— বন্ধকত থোৱা মাটি কেইবিঘাও মহাজনৰ হাতৰ পৰা মুকলাব পাৰিম। কিন্তু সপোন, সপোন হৈয়ে ৰ'ল। পৰিণতিত লাভ কৰিলোঁ এখন বিষাদ

ভৰা অন্তৰ আৰু পাহৰিব নোৱাৰা তিক্ত অভিজ্ঞতা। সকলোৱে শুনাকৈ তাৰ চিঞৰি চিঞৰি কবলৈ মন গ'ল এইখন সমাজৰ পৰা পোৱা অভিজ্ঞতাবোৰৰ কথা।

সি পুনৰ ক'বলৈ ধৰিলে— "পঢ়ি শুনিও চাকৰি নাই। চাৰিওফালে দুৰ্নীতিয়ে গ্ৰাস কৰিব ধৰিছে। আজি তিনি-বছৰ হ'ল বি, এ, পাছ কৰা। কিমান ইন্টাৰভিউ দিলোঁ। কিমান অফিচৰ দুৱাৰে দুৱাৰে ঘূৰিলো— কিমান ইন্টাৰভিউ পাছ কৰিলো, কিন্তু কি হব! চাকৰি নাই। ইন্টাৰভিউত পাছ কৰা সকলে চাকৰি নেপায়। পাই ফেইল কৰা সকলে। এইটো কোন দেশৰ নীতি? চাকৰি পায় মন্ত্ৰী, এম, এল, এ, ৰ লগা ভগাবোৰে আৰু পাই নগৰৰ মুখ্য পিন্ধা ভদ্ৰ অফিচাৰৰ ল'ৰা ছোৱালীয়ে। আমাৰ ভাগ্যত চাকৰি নাই বুলিছে। আজিকালি চাকৰি পাবলৈ হ'লে বৰ বৰ অফি-চাৰৰ ঘৰলৈ পুৱা গধূলি গৈ "গুড মৰ্ণিং" "গুড ইভিনিং" বুলি কৈ দীঘলীয়া চেলুইত দিব লাগিব। লগতে ভাৰ এসোপা দিবগৈ লাগিব। মই দিব পৰা নাই গতিকে মোৰ চাকৰি নাই। হৰি মাষ্টৰে ৰমেনৰ কথা শুনি সত্যাসত্য উপলব্ধি কৰিবলৈ ধৰিলে।

এনেতে নৰেণে পুনৰ ৰমেনৰ সাহসেতে ক'বলৈ ধৰিলে —আপুনি যে কেৱল আমাকে দোষ দি আছে সেই শিক্ষিতা আধুনিকা চামৰ ওচৰলৈ নেযায় কিয়? ইহঁতে পিন্ধিবলৈ ধৰিলে চেপমৰা লংপেণ্ট, হাতৰ বাউসী ওলোৱা চোলা। আকৌ চুলিখিনি কাটিব ল'ৰাৰ দৰেহে। বাঃ পিছফালৰ পৰা চালে ধৰিবই নোৱাৰি ল'ৰা নে ছোৱালী! আকৌ দেহৰ বিভিন্ন অঙ্গবোৰৰ নিলাজ প্ৰদৰ্শনেৰে যদি নিজকে বিউটি কুইন সাজি ৰোমাঞ্চ অনুভৱ কৰে তাতোকে ঘৃণনীয় কথা কিবা থাকিব পাৰেনে? আমি ইহঁতকে শুনাই কিবা Remark দিওতেই আপোনাৰ গাত আকৌ চুত খৰে খালে। বুজিছে, এইদৰে আমাক অপমান কৰিবলৈ নাহিব। আপুনি আমাৰ কাণসমনীয়া হোৱা হ'লে দেখুৱাই দিলো-হেঁতেন। নৰেনে খঙেৰে ক'লে।

হৰি মাষ্টৰে কথাৰ থকা-সৰকাত থাকিব নোৱাৰি ক'লে "হেৰ তহঁতক আকৌ মই ভাল কথাটোহে কৈছিলো, তহঁতি আকৌ মোৰ ওপৰত খঙ কৰিছ। হেৰ তহঁতৰ নিচিনা শিক্ষিত ল'ৰাবোৰৰ চাকৰি নাই যেতিয়া অন্য কিবা এটা উপায়েৰে জীৱিকা উপাৰ্জন কৰিব পাৰ। তহঁতে আকৌ যি ফালে যাৰ গোটেইমখাই সেইপিনে গিৰগিৰাই যাবি। কোনোৱাই যদি ঠিকা কৰাৰ পাছত তহঁতৰ আগেদি যদি মটৰ চাইকেল স্কুটাৰেৰে ধূলি উৰাই ভো-ভোৱাই গুচি গ'ল, তাকে দেখি তহঁতে গোটেই মখাই ঠিকাদাৰ হবলৈ যাবি। এনেকে নহ'ব বুজিছ। তহঁত পঢ়াশুনাত শিক্ষিত ল'ৰা। তহঁতি বুদ্ধি খটুৱাই কাম কৰিব লাগে। আজি-কালি হেনো চৰকাৰে আমাৰ শিক্ষিত নিবনুৱাক ঋণ দি সাহাৰ্য্য আগবঢ়াইছে যাতে তেওঁলোকে সৰু-সুৰা ব্যৱসায় কৰি আত্মনিয়োগ কৰিব পাৰে।"

হৰি মাষ্টৰৰ এই কথাত ৰঞ্জিতে হাঁহি মাৰি কলে "আপুনি ভাল কথাষাৰকে কৈছে। চৰকাৰে যি সাহাৰ্য্য আগবঢ়াইছে সেয়া হ'ল শুকান বালি সাগৰত এটোপাল পানীৰ দৰে। গতিকে সেই ঋণলৈ আশা কৰা মানে "বাওনা হৈ চন্দ্ৰলৈ হাত মেলা" একে কথা বুইছে। গতিকে আমি সেই আশা কেতিয়াবাই জলাঞ্জলি দিলো। আমাক চৰ-কাৰে এটা উপাধি প্ৰদান কৰিছে সেইয়া হ'ল 'নিবনুৱা আমাৰ ভাষাৰে বেকাৰ' এয়েই আমাৰ বাবে যথেষ্ট।" সহজ সৰল হৰি মাষ্টৰে ৰমেন, ৰঞ্জিত নৰেণৰ কথাবোৰ শুনি বহুপৰ গম্মিপিতি চাই ক'লে

তহঁতে কোৱা কথাবোৰ সঁচা যেন লাগিছে অ'। সঁচা মানে একেবাৰেই চেণ্ট পাৰ্চেণ্ট সঁচা— বিজিতে ক'লে চৰকাৰে কাগজে পত্ৰেই মেলে মিটিঙে, চিঞৰ বাখৰখন লগাই আছে— নিবনুৱা সমস্যা দূৰ কৰা হ'ব। দেশৰ অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰা হ'ব ইত্যাদি। কিন্তু ইয়াৰ বাস্তৱ ৰূপায়ণ আজি পৰ্য্যন্ত আমাৰ চকুত পৰা নাই। কেৱল শুনিছো অমুকত আধাৰ শিলা স্থাপন কৰা হ'ল। তমুকত আধাৰশিলা স্থাপন কৰা হ'ল। কেৱল আধাৰশিলা আৰু আধাৰশিলা।" হৰি মাষ্টৰে বিজিতৰ কথাত হয়ভৰ দি ক'লে—

"বোপা তুমি একেবাৰে সত্য কথাকে কলা "মই সদায় কাগজ পঢ়ো বুইছা। সদায় দেখো আজি ····· বিভাগৰ

মন্ত্ৰীৰ দ্বাৰা আধাৰশিলা স্থাপন কৰা হ'ল। ৰাইজলৈ ······ মন্ত্ৰীৰ দ্বাৰা আধাৰশিলা স্থাপন কৰা হ'ব। ইত্যাদি।" এনেতে নৰেণে ৰগৰ তুলি ক'লে—

এই বিলাক হ'বলৈ পাইছে আমাৰ নিষ্ক্ৰিয়তাৰ কাৰণে। আমি ভটিয়নীৰ পানীত এটুকুৰা নিৰ্জীৱ কাঠৰ দৰে উটি ভাঁহি গৈ আছো। কিন্তু আমি আজি উজাবলৈ চেষ্টা কৰিম। বিজিতৰ কথাত হৰি মাষ্টৰে বৰ আনন্দ পালে আৰু ক'লে—

"ঠিক কৈছা বোপা। তোমালোকে প্ৰতিবাদ কৰা—এই বুঢ়াদেহত মোৰ দিবলৈ একো নাই। আছে মাথো হিয়াভৰা আৰ্শীবাদ আৰু শুভেচ্ছা। মই সেই অলপ আগতে জিভা পিচল খাই তোমালোকক অকথ্য কথা কৈ পালো বেয়া নাপাবা। সন্ধ্যা হ'বৰ হ'ল। মই যাওঁ দেই। এই বুলি হৰিমাষ্টৰ ঘৰমূৱা হ'ল। ৰমেন, নৰেণ, ৰঞ্জিত আৰু বিজিত প্ৰত্যেকেই মুখৰ চিগাৰেতত অগ্নিসংযোগ কৰি পুনৰ পিচদিনা লগ হোৱাৰ প্ৰতিশ্ৰুতিৰে ঘৰা ঘৰি গুচি গ'ল।

□

প্ৰশংসা অৰ্জন কৰাতকৈ নিন্দা এৰাই চলাটো বেছি টান কাম। জীৱনত মাত্ৰ এটা সত্য বা মহৎ কাম কৰিলেই প্ৰশংসা পাব পাৰি কিন্তু নিন্দা বা সমালোচনা এৰাই চলিবলৈ হ'লে মানুহে জীৱনৰ পদে পদে ভুল কাম কৰা বা ভুল কথা কোৱাৰ পৰা বিৰত থাকিবলৈ চেষ্টা কৰিব লাগিব।

— ডেভিদ হিউম

# এটা অনামী গল্প

ত্ৰৈলোক্য বিজয় গগৈ
স্নাতক ৩য় বৰ্ষ (কলা)

বিজ্ঞাপনটো কিছুসময় চিন্তা কৰিলো। এপ্লাই কৰিমনে নকৰিম? যিখিনি অৰ্হতা বিচাৰিছে সেইখিনি মোৰ আছেই। তাৰোপৰি মোৰ দুবছৰৰ অভিজ্ঞতাও আছে! এপ্লাই কৰিলে বেয়া নহব কিজানি। কৰিবলৈ হলেও অলপ টকা লাগিব। পোষ্টেল অৰ্ডাৰ বিশ টকা। গাঁৱৰ ডাক ঘৰত পোষ্টেল অৰ্ডাৰ নাথাকেই। গতিকে চহৰৰ পৰাহে আনিব লাগিব। মানে তাত ত্ৰিশ, পয়ত্ৰিশ টকামান খৰচ। পাছৰ্পট চাইজৰ তিনিখন ফটোও লাগিব। এটেষ্টেট্ কপি প্ৰমাণ পত্ৰ। মুঠতে সত্তৰ আশী টকামান নহলে 'এপ্লাই' কৰিব পৰা নহব। আকৌ পিতাইয়ে বা কি বুলি কব? পিতাইয়ে আজি কালি এইবোৰ বিশ্বাস কৰিবলৈকে টান পায়। এই একালৰ কাতিমাহটোত টকা যোগাৰ কৰি দিব পাৰিব জানো? মোৰ বোধেৰে নোৱাৰিব। পাৰিবনো কেনেকৈ? যি কেইডৰা খেতি মাটি আছিল তাৰো দুবিঘা মই কলেজত পঢ়া সময়তেই বন্ধকত সোমাল। আজিলৈকে মোকলাবই পৰা নাই। এতিয়া যি কেইডৰাত খেতি কৰে তাৰো বছৰৰ ছমাহ খাবলৈ নাটে। তাৰোপৰি বান পানীয়ে এচোৰা নিয়ে। পিতাইৰ চাকৰি বাকৰিও নাই, বেপাৰ বাণিজ্যও নাই। ইত্যাদি কথাবোৰ ভাবি ভাবি পিতাইক কথাষাৰ কবৰ মনেৰে জুহালৰ কাষ পালোগৈ। জুহালৰ কাষত পিতাইয়ে জুপুকা মাৰি বহি আছিল। পিতাইক কথাষাৰ ক'বলৈ পালোহে, লগে লগে কঁকালত কোব খোৱা সাপটোৰ দৰে জাঙুৰ খাই উঠিল। "কুকুৰৰ জাত, অতদিন তোকটকা দি দি আমনি নেলাগিল। এইবোৰত টকা দিয়েই বাপেৰৰ ধনসোপা পানীত পেলালি। এতিয়া গাৰ মঙহ ডোখৰ আজুৰিছ। পুৰা গধূলি চিন নাই অকল আনৰ পছুলিয়ে পছুলিয়ে কাৰ মেখেলা ধুবলৈ আছে তাৰ খবৰ লৈ ফুৰিবি। চুৰা পাত চেলেকা জাত— ওলাই যা ঘৰৰ পৰা।

সেই দিনাই মই ঘৰৰ পৰা যি ওলালো, ওলালো। আজি আঠ কি ন বছৰ হ'লহি। ঘৰৰ পৰা ওলোৱা দিনটোতেই মই দুজনমানক লগতলৈ যোৰহাটৰ ফালে ঢাপলি মেলিলো। শুনিছিলো তাত বোলে মেলেটাৰীৰ বাবে কিছুমান ল'ৰা ল'ব। তাতগৈ যেতিয়া উপস্থিত হলোগৈ তেতিয়া দেখিলো মোৰ দৰে হাজাৰ হাজাৰ লৰা তাত উপস্থিত। প্ৰত্যেকৰে একোখন আশাভৰা শুকান মুখ। এজন মিলেটাৰী বিষয়াই লৰা বোৰক জোখ-মাখ কৰাত লাগিছে। মইও শাৰীত থিয় হ'লো। মোৰ জোখ-মাখ লৈ বিষয়াজনে গল গলীয়া মাতেৰে "চব ঠিক হায়" বুলি ক'লে।

বহুতৰ লগতে সেইদিনা মোকো গাড়ীত তুলি কোনোবা নাম নজনা ঠাই এখনলৈ গ'ল। মানে সেই দিনাৰ পৰাই মোৰ নাম মিলেটাৰীত লেখালো।

আজি আঠ কি ন-বছৰ হলহি, ঘৰলৈ একেবাৰে যোৱা নাই। ঘৰৰ খবৰো পোৱা নাই। দুদিনমান আগতে আমাৰ লগৰ ভোগেশ্বৰৰ ভায়েক পলাশে ককায়েকলৈ দিয়া চিঠিৰ দ্বাৰাই আমাৰ ঠাইখনৰ কথা কিছু গম পালো। পলাশে লিখিছিল "আমাৰ ছাত্ৰবিলাকে আন্দোলন কৰিছে। পুলিচ চি আৰ, পি গাঁৱে ভুঁৱে সোমাইছে। হাঁহ, কুকুৰা পাৰ আদি ধৰি নিছে। মানুহ বিলাকক পহু খেদোৱাদি খেদাইছে।" মোৰ মনটোৱে এইবোৰ কথা শুনি বৈ থাকিব নোৱাৰিলে। উপজা ঠাইখনলৈ বৰকৈ মনত পৰিল। আই পিতাই বা কেনে আছে? ভাই, ভনী হঁতৰ বা অৱস্থা কি হৈছে। ইত্যাদি চিন্তাবোৰে মোৰ মনত জুমুৰি দি ধৰিলহি। সেয়ে মোৰ উপজা ঠাইখন চাই যাবলৈ খুউব হেপাহ

হ'ল।

মই মিলিটেৰী বিষয়াজনৰ পৰা ছুটী বিছাৰিলো। তেখেতে মোৰ ছুটী তুমাহৰ বাবে মঞ্জুৰ কৰিলে।

কেইবা বছৰৰ মূৰত গাঁৱলৈ আহিবলৈ পাই খুৱেই আনন্দ লাগিছিল। আহি আহি গাওঁখনত ভৰি দিলোহি। গাঁৱত ভৰি দিয়াৰ লগে লগে গাঁৱৰ সকলো মানুহে মিলি-জুলি ভোজ ভাত খোৱা দিন বিলাকলৈ মনত পৰিল। সঁচাই গাঁৱতযে কিমান মৰম চেনেহ পোৱা যায়। সেই বাবেই হয়তু কোনোবা কবিয়ে "শুৱনি আমাৰ গাওঁ খনি অতি" বুলি কবিতা লিখিছিল। ঘৰলৈ আহি আঁছো আমাৰ আগৰ এম, এল এ দাইটিৰ দিনত তোলা আলিটোৱেদি। আহি আহি ভূত আছে বুলি কোৱা হাবি চেতিয়াৰ বাৰী খনৰ ওচৰ পালোহি। হাবি চেতিয়া মানে নৰেশ্বৰ চেতিয়া। পকাধৰ গাওঁবুঢ়াৰ পুতেক। নৰেশ্বৰে গাৱঁৰে গেন্ধেলাৰ জীয়েকক প্ৰেমত পৰি বিয়া কৰাইছিল। পিছে পকাধৰ গাওঁবুঢ়াই এই কামত সন্তুষ্ট হ'ব নোৱাৰিছিল। সেইবাবেই সদায় পুৱা গধূলি নৰেশ্বৰক গালি শপনি পাৰিছিল। "কতা নিধক, ছোৱালী বিছাৰি নেপালি? সেই খাবলৈ নোপোৱা গেন্ধেলাৰ জীয়েককহে পালিগৈ।" নৰেশ্বৰে এনেবোৰ কথা শুনিব নোৱাৰি আলি কাষৰ হাবি ডৰাৰ কাষতে এটি ঘৰ সজাই পত্নী সহ তাতেই বাস কৰিছিল। তেতিয়াৰ পৰাই নৰেশ্বৰ চেতিয়া নাম গুচি হাবি চেতিয়া হ'ল। পিছে ছমাহ, বছৰেক যোৱাৰ পিছত নৰেশ্বৰক ঘৰতেই দেওভূতে উমান দিবলৈ ধৰিলে। কেতিয়াবা খাই থকা অৱস্থাতে কাঁহীত ধূলি মাটি পৰেহি। কেতিয়াবা বেৰত এচাৰিয়ে কোবোৱা শব্দ। কেতিয়াবা কেচুৰা লৰা কন্দাৰ শব্দ। কেতিয়াবা কাষৰ হোলাটোত কোনোবাই মাজৰাতি জুলুকি বোৱাৰ শব্দ। এইবোৰ শুনি শুনি নৰেশ্বৰে তাত থাকিবলৈ ইচ্ছা নকৰি ভাৰে ভেটিয়ে উজনিৰ ফালে পাম খাবলৈ গুচি গ'ল। মাথো থাকি গ'ল বাৰীখন 'হাবি চেতিয়া' বাৰীবুলি। মোৰ এইবোৰ কথা মনলৈ অহাত ভয় লাগিছিল। জানোছা দেও ভূতে আগ চ ধ ৰ। ভূত ওলাই বুলিতো তাহানি গাৱঁত থাকোতে ৰোহিনীৰ ককাইকে কৈছিলেই। ৰোহিনীৰ ককায়েক হেনো ধেঙৰ জীয়েকৰ বিয়াৰ পৰা মাজৰাতি এই বাটেদি উভতি আহোতে আলিবাটতোত তুফালৰ পৰা তুডাল বাঁহ পৰি বাটতো ভেটি ধৰিছিল। পিছে ৰোহিনী ককাইও হেনো হেনো কম নহয়, কাষত থকা জেওৰা খনৰ পৰা এডাল খুটি উলিয়াই মাৰ মাৰি দিলে। লগে লগে বাঁহ তুডালো হেনো পুনৰ ওপৰলৈ উঠি গ'ল।

এইবোৰ কথাকে ভাবি ভাবি আহি আছো। হঠাত দেখিলো কাষৰ জোপোহা এটাৰ পৰা কিবা এটা বগা বস্তু ওলাই আহিছে। মোৰ চুলিৰ আগেদি জীৰ উৰি গ'ল। প্ৰথমে মই মানুহ বুলি ভাবিছিলো, তেতিয়া মানুহৰ দৰেই দেখা পাইছিলো। যিহকে ভাবো তাকেই হয়। মই ৰৈ দিলো। মূৰ্ত্তিতো আহি মোৰ ওচৰ পালেহি। মোৰ ওচৰলৈ আহি থকাৰ বাবে মই মূৰ্ত্তিতো মানুহ বুলিয়ে ভাবিলো। সঁচাই মোৰ অনুমানেই ঠিক। সেইতো এটা মানুহ।

মূৰ্ত্তিতো আহি মোৰ একেবাৰে কাষত ৰ'লহি। হয়তো, সেইতো এটা তেজ মঙহৰ মানুহ, মোক একে ঠাইতে থিয় হৈ থকাৰ বাবে ধমক দি সুধিলে।

"কোনহে"?

আগন্তুকৰ প্ৰশ্নৰ উত্তৰ যে দিব লাগে মই পাহৰিয়েই গৈছিলো। ক্ষন্তেক পিছত ভাব হল যে মানুহজনৰ প্ৰশ্নৰ উত্তৰ দিব লাগে। ময়ো পলম নকৰি আগন্তুকৰ প্ৰশ্নৰ উত্তৰ দিলো। "মইহে কালিৰামৰ পুতেক নিৰণ। সেই যে তাহানিতে ঘৰৰ পৰা ওলাই যোৱাটো।"

তেতিয়া মানুহজনে কলে— "অ নিৰণহে? মই আকৌ আজি মোক কৰবাৰ দেও ভূতে পালে বুলিহে ভাবিছিলো। তই যেনেকৈহে গছ পুলিতোৰ দৰে গজংজংকৈ খিয় হৈ আছ। এই জেগাত দেও ভূত ওলাই বুজিছ? তাহানিতে জানো শুনা নাই হাবি চেতিয়াই দেও ভূতৰ উৎপাততে থাকিব নোৱাৰিলে বুলি। পিছে তইনো আজি ইমান বছৰৰ মূৰত কৰ পৰা ওলালিহি?"

মই কেঁছু ককাইৰ মাতত সেইটোয়ে কেঁছু ককাই চিনিব পাৰিলো। পিছে কেঁছু ককাইৰ ভৰি এখন লেঙেৰা হ'ল। মই কৰ পৰা কেনেদৰে ওলালোহি তেওঁক সকলো বিৱৰি কলো।




পানীৰাম ডেকামহন্ত
স্নাতক প্ৰথম বৰ্ষ (কলা)

মৰমৰ বাইদেউ,

এইয়া বহু নিশা হ'ল। লগৰ লৰা বোৰ শুই পৰিছে। নিশাৰ আমেজ বিহীন নিস্তব্ধতাৰ মাজত তোলৈ লিখিব ওলাইছো। তই যে ইমানবোৰ প্ৰশ্ন সুধিছ? আটাই বোৰৰ উত্তৰ দিয়াতো সম্ভৱ নহয়। বহুত দীঘল হ'ব। মোৰ ইমান দীঘলীয়াকৈ চিঠি লিখিবলৈ সময় নাই। ঘৰলৈ গ'লে সকলো কম। তথাপি সুধিছ যেতিয়া টো টোতে খৰ মাৰি পৰাখিনিৰ উত্তৰ দিওঁ।

মইনো কি অসম্ভৱ কামটো কৰিলো? তহঁতৰ আৰু ঈশ্বৰৰ আৰ্শীবাদত যেনিবা কোনোৰকম মেট্ৰিকটো পাছ কৰিলো, তাতেনো ইমান উলহ-মালহখন লগাব লাগিছেনে? এতিয়াও যদি পাৰ্টি খাবলৈ মানুহ গৈয়ে আছে, তেনেহ'লে ঘৰৰ হাঁহ পাৰ কেইটি শেষেই হ'ব দেখোন! কণী পৰা কুকুৰা কেইজনী হ'লে নেমাৰিবি দেই! আৰু ঘৰলৈ মানুহ গ'লেই হাঁহ কুকুৰা মাৰি পাৰ্টিখন খুৱাব লাগিছেনে? চাহ-জলপান খুৱাই পঠাব নোৱাৰ? তয়ো বৰ আকৰী; কলেজত নতুনকৈ এড্‌মিশ্বন ললো, এতিয়াও পাৰ্টি দিবলৈ সময় আছেনে? জান— আজিকালি মানুহবোৰ বৰ স্বাৰ্থপৰ, লুভীয়া— "ভোজনৰ সময়ত ধুমধাম, দুখৰ সময়ত আঁতৰি পলাম"।

চা চোন বাইদেউ, মই অঙ্কত লেটাৰ পোৱা দেখি তঁহতি মোক বৰ চোকা লৰা বুলি ভাব, আৰু আনৰ আগত জহাই ফুৰ। গাঁৱৰ মানুহ বিলাকেও আমাৰ স্কুলৰ পৰা আগতে কোনো ল'ৰাই লেটাৰ বা ফাষ্ট ডিভিজন নোপোৱা দেখি মোক বৰ নোহোৱা নোপজা কামটো কৰিলে বুলি ভাবে আৰু বাঃ বাঃ দিয়ে। প্ৰথমতে ময়ো কিছু গৌৰৱ অনুভৱ কৰিছিলো। কিন্তু ইয়ালৈ আহি দেখিছো সেয়া কোনো ডাঙৰ কাম নহয়। বৰং সেইকণ যোগ্যতা নেথাকিলে মানুহে গণ্যই নকৰে। মোৰ সহপাঠীৰ প্ৰায়বিলাকেই ফাষ্ট ডিভিজন আৰু দুই তিনিটা বিষয়ত লেটাৰ মাৰ্ক পাইছে। মোৰ কথা সুধিলে কবলৈ লাজেই লাগে। যিকি নহওক তঁহতি মোক লৈ একো গৌৰৱ নকৰিবি। এইবোৰ কথা শুনিলে মোৰ ভাল নেলাগে।

ডিব্ৰুগড় টাউন খনৰ বিষয়ে সুধিছ নহয়; জান, ইয়াৰ মানুহবোৰৰ চাল-চলন, কথা-বতৰা, আচাৰ-ব্যৱহাৰ আদি সকলো বেলেগ। ভাল লগা বেয়া লগা কিনো কম বাইদেউ, গাঁও আৰু টাউনৰ পৰিবেশৰ মাজতয়ে কিমান প্ৰভেদ তাক নিজে নেদেখিলে তই ক'লেও বুজিব নোৱাৰিবি। তথাপি কৈছো শুন—

মই যে ঘৰত থাকোতে কবিতা লিখিছিলো, সেইবোৰ লিখিবলৈ তঁহতি বাৰু কৰ পৰা প্ৰেৰণা পাইছিলো বুলি ভাৱ? তঁহতিতো কবিতাৰ ভাৱ-ভাষা একো বুজি নেপাৱ? সেয়েহে তঁহতি মোক পগলা বুলি ভাৱ। গাঁৱত অন্তৰ্নিহিত হৈ থকা প্ৰকৃতিৰ অকৃত্ৰিম সৌন্দৰ্যবোৰ যদি তঁহতিও উপলব্ধি কৰিব পাৰিলি হেতেন? মই যাক লৈ কবিতা লিখিছিলো সেইবোৰ ইয়াত নাই। গাঁৱত পুৱা-গধূলি যেতিয়া সূৰুযে হেঙ্গুলী ৰহল সানে তেতিয়া মই পথাৰৰ মাজলৈ গৈ নীৰৱে বহি বহু কিবা-কিবি ভাবো আৰু সেই ভাৱবোৰকে কবিতাকাৰে কাগৰ মাজত বান্ধি ৰাখো। সেই যে বিলখনত চৰি ফুৰা নানা বৰণৰ চৰাইবোৰ, আঘোনৰ সোণোৱালী ধাননি ডৰা, তাৰ ওপৰেদি উৰি যোৱা জাক্ জাক্ পখীবোৰ, প্ৰভাতী বিহঙ্গৰ মধুৰ কাকলিবোৰ— এই

বোৰ মোৰ বৰ ভাল লাগিছিল আৰু এই বোৰে মোক নিতৌ নতুন চিন্তাৰ খোৰাক যোগাইছিল । আৰু ভাল লাগিছিল পথাৰৰ সিপাৰে হিমালয়ৰ বুকুত জিলিকি থকা বৰফৰ ধৱল-ধৱল টুকুৰাবোৰ, গৰখীয়াৰ বাঁহীৰ ৰিনিকি ৰিনিকি শুনা অমিয়া সুৰবোৰ । নিশা যেতিয়া তঁহতি আটাইবোৰ শুই পৰিছিলি, তেতিয়া ফুলনিখনত জোন-জোনাকীৰ প্ৰেমৰ খেলা উপভোগ কৰি বহু ৰাতি উজাগৰে পাৰ কৰি দিছিলো । কিন্তু তঁহতি আক মোক দেৰিলৈকে শুই থাকে বুলি পুৱাই গালি গালাজখন লগাই দিয় । জান, বাইদেউ,— ইয়াত সেই বোৰ নাই ; পুৱাৰ পখীৰ মধুৰ কাকলিৰ পৰিৱৰ্তে ইয়াত আছে কল কাৰখানাৰ বিকট শব্দ, যিবোৰে নিশাৰ টোপনিতো আমনি দিয়ে, গৰখীয়াৰ বাঁহীৰ অমিয় সুৰৰ পৰিৱৰ্তে ইয়াত শুনো গাড়ী-মটৰৰ কদৰ্য্য হৰ্ণবোৰ, য'ত কোনো ভাব-ভাষা বিছাৰি পোৱা নাযায় ; আকাশেদি উৰি যোৱা মৰমৰ পখীজাকৰ পৰিৱৰ্তে ইয়াত দেখো সেই ডাঙৰ ডাঙৰ শব্দৰ উৰাজাহাজবোৰ, (এচবতে মোহনবাৰী বিমান ঘাটটো আছে যে) যিবোৰে কাণ তাল মাৰি ধৰে ; গাঁৱৰ সেউজীয়া গছ-গছনি বোৰৰ পৰিবৰ্তে ইয়াত আছে আকাশ-লম্বা অট্টালিকাবোৰ, যি বোৰে মাথো আভিজাত্যতাকহে প্ৰতিপন্ন কৰে ; গোঁসাই ঘৰৰ ভক্তি গীতৰ পৰিবৰ্তে ইয়াত শুনো চিনেমাৰ ডিস্কো গীতৰ কেছেট বোৰ, যি বোৰ শুনিলেও তাত নচা নগ্ন ছবিবোৰ চকুত ভাহি উঠে ; উদং পথাৰ শুৱনি কৰি চৰি ফুৰা গৰুজাকৰ পৰিবৰ্তে ইয়াত আছে ঠেলা-ৰিক্সা, গাড়ী-মটৰ আদি আৰু সেই বোৰৰে লগৰী হৈ আহে লেঠাৰি নিছিগা শব্দৰ সোঁতি, মানুহৰ চিঞৰ-বাখৰ । কি কম বাই-দেউ, এই বোৰেই টাউনৰ পৰিৱেশ । টাউনৰ এই কঠিন বাস্তৱতাতকৈ মোৰ বাবে গাঁৱেই প্ৰিয় । গাঁৱৰ মানুহৰ সহজ-সৰলতা, তাৰ মধুৰতা, আপোন মনোভাব, তাৰ শান্ত সমাহিত পৰিৱেশ আদি কি যে বস্তু ইয়ালৈ আহিহে উপলব্ধি কৰিছো ।

হোষ্টেলৰ পৰিৱেশৰ বিষয়ে জানিব বিচাৰিছ নহয় ? কওঁ বাৰু, শুনিযা— ইয়াত আহি এটা নতুন বস্তুৰ নাম শুনিলো । নাম কি জান ? ৰেগিং । এবিধ ভাল মিঠাই । এই বিধ মিঠাই মোৰ দৰে সকলো নতুন ল'ৰাই খাব লাগে, ই বাধ্যতামূলক আৰু ইয়াৰ দাতা হ'ল পুৰণা বাসিন্দা বোৰ । এই বিধ মিঠাই কিন্তু আনবোৰৰ দৰে হাটে-বজাৰে পোৱা নেযায় দেই আৰু খাই কেনে লাগে কেৱল ভুক্ত ভোগীয়েহে জানে । ঘৰলৈ গ'লে ইয়াৰ বিষয়ে আঁতি-গুৰি মাৰি কম বাৰু ।

তই যে প্ৰশ্ন কৰ আৰু দেই ! লগৰ ল'ৰাবোৰনো কেনে লাগিব আৰু ? ভালেই লাগিছে । মাত্ৰ সমস্যা হ'ল তেওঁলোকৰ লগত মিলি চলিবলৈ হ'লে কিছুমান নতুন শব্দ শিকিব লাগে আৰু কেতবোৰ অনুশাসন মানি চলিব লাগে । হেমচন্দ্ৰ বৰুৱাদেৱ যদি এতিয়াও জীয়াই থাকিল হেতেন, তেনেহ'লে হয়তো এই শব্দৰাজীয়ে অভিধান লিখি অসমীয়া ভাষাৰ শব্দ সম্ভাৰ বৃদ্ধি কৰি আৰু অলপ চহকী কৰিলেহেঁতেন । তেওঁলোকৰ লগত মিলিবলৈ মোক কিছুমান নতুন বস্তু লাগে বাইদেউ । এযোৰ নতুন চাৰ্ট পেণ্ট আৰু এযোৰ বিশেষ ধৰণৰ জোতা । জান' বাইদেউ, গাঁও আৰু টাউনৰ ল'ৰাৰ সাজ-পাৰৰ মাজত বহুতো পাৰ্থক্য আছে । গাঁৱত পিন্ধি ফুৰাবোৰে টাউনৰ ল'ৰাৰ লগত ফুৰিব নোৱাৰি, কিম্বা কলেজলৈও যাব নোৱাৰি । মোক আৰু এটা নতুন বস্তু লাগে । নাম কি জান' ? গীতাৰ, জাম্বোগীতাৰ, দাম এহেজাৰ মান হ'ব । এইখন কিন্তু যেনে তেনে হ'লেও লাগিবই দেই । লাগিলে গাইজনী বিক্ৰী কৰি হ'লেও ল'ব লাগিব । নহলেযে ল'ৰা বিলাকে পাট্টা নিদিয়ে ! দেউতাক তয়ে বঢ়াই-বুজাই মান্তি কৰাবি । অ' বাইদেউ ক'বলৈ পাহৰিয়ে গৈছো, মই এখন ইংৰাজী কাকত নাইবা আলোচনীৰ নিয়মীয়া গ্ৰাহক হ'ব খুজিছো মানে হ'ব লাগিবই ; নপঢ়িলেও । ইয়াত বহুত কথা আছে, তই কলেও নুবুজিবি । এই কেইপদ বস্তু অতি সোনকালেই লাগিব দেই । এইখিনি লোৱাৰ পাছত আৰু বহুতো লবলগীয়া আছে । কথাবোৰ ভাবিলে বৰ বেয়া লাগে বাইদেউ । ইয়াত গাঁৱৰ দৰে কম খৰচত চলিব নোৱাৰি । সকলো ক্ষেত্ৰতে টকা লাগে । খোজকাঢ়িবলৈ ইচ্ছা থাকিলেও বেছিদূৰ খোজ কাঢ়িব নোৱাৰি, ল'ৰা-বিলাকে হাঁহে । ৰিক্সা বা চিটিবাচত উঠিব লাগে । জান' বাইদেউ, কলেজীয়া ল'ৰাই খোজকঢ়া নিষেধ । এই বিলাকৰ উপৰিও সপ্তাহে - পষেকে মন্দিৰলৈ গৈ দেৱদেৱীৰ

দৰ্শন কৰি আহিব লাগে। এইবোৰ আমাৰ অনুশাসনৰ ভিতৰতে পৰে। কি কৰিম বাইদেউ, পৰিবেশৰ লগত, বন্ধু-বান্ধৱৰ লগত মিলি চলিবই লাগিব। নহ'লে যে কব— "বৰ সভ্যডাল, বৰ পণ্ডিতটো।" তদুপৰি একেবাৰে নিসঙ্গ হ'ব লাগিব।

অ' আয়ে দিয়া ভজা-চাউল, সান্দহবোৰ ইয়াত খাব নোৱাৰি। সেইবোৰ এনেয়ে আনিলো। ভীমকলৰ নাম শুনিলেই সকলোৱে হাঁহে। হোটেলৰ চাহ-মিঠাইহে সকলোৰে প্ৰিয় খাদ্য। সান্দহখিনি আজিও চুইটকেচতে আছে, খাবলৈ বৰ মন যায়; কিন্তু……। তই দিয়া ফুলাম গামোচাখনো কোনো কামত নাহিল। ইয়াত ফুলাম গামোচাৰে গা-ধোৱা বা আন কোনো কামতে ব্যৱহাৰ কৰিব নোৱাৰি। ইয়াত সকলোৱে টাৱেলহে ব্যৱহাৰ কৰে।

অহা পূজা বন্ধত ঘৰলৈ যাম। লগত বন্ধু এজনো যাব। বাট-পথবোৰ শুকালেনে নাই জানো? অ' এটা কথা, মই যোৱা সময়ত আইক দুদিনমানৰ কাৰণে (বন্ধুজন থকা লৈকে) কেনিবা গাঁওঁ ফুৰিবলৈ যাব কবি। কাৰণ আয়ে যে টাউনীয়া ল'ৰাৰ লগত কথা পাতিব নেজানে? লাজ পাব লাগিব আৰু তোৰ নামটো সুধিলে কিবা বেলেগ নাম এটা কবি দেই। যেনে ধৰা স্বপ্নালী, জ্বলী আদি। কাৰণ নহলেযে তোৰ আচল নামটো শুনিলে হাঁহিব। দেউতাক টকাখিনি যেনেতেনে উলিয়াই থব কবি। মই বেছিদিন থাকিব নোৱাৰিম। টিউশ্বন আছে।

আজিলৈ সামৰো দেই। বহুত ৰাতি হ'ল। দিনতটো লিখিবলৈ সময়েই নাই। শেষত তহঁত আটাইলৈকে শ্ৰদ্ধা নিৰেদিলো। ইতি,

তোৰ ভায়েৰা
বাবা


## এটি গীত

অশ্ৰুত যদি থাকে কাহিনী
সেই কাহিনী কৰুণ,
কণ্ঠত যদি সুৰ-বাহিনী
সেই সুৰ তৰুণ ॥

পথভ্ৰষ্ঠ যদিহে তুমি
এদিন দেখিবা লক্ষ্য কেনি,
দূৰ্গম পথৰ তুমি সেণানী
বজোৱা আশাৰ ৰুণজুণ ॥

বহুতো হাঁহি দেখিলোঁ
আশা আৰু নিৰাশাৰ,
বহুতৰে মন পালোঁ
পোৱা আৰু নোপোৱাৰ;
কালমেঘে যদি ধৰে আৱৰি
জীৱনত জ্বলিব জোন ॥

**কথা, সুৰ, কণ্ঠ— কামিনী কুমাৰ গোঁহাই**
**কেছেট— "শ্ৰদ্ধাঞ্জলী"**
স্নাতক তৃতীয় বাৰ্ষিক (কলা)



জয়ন্ত কুমাৰ দত্ত
স্নাতক ১ম বাৰ্ষিক (কলা)

··"মা' মোৰ বৰ ভোক লাগিছে। কিবা এটা খাব দিয়ানা।" ··কণমানি ৭ বছৰীয়া পুতুকনে চলচলীয়া চকুৰে মাৰলৈ চালে। চাল উৰুখা খেৰৰ জুপুৰীৰ তলত বহি থকা মাক অঞ্জলীৰ চকুৰেদি বৈ আহিল দুটোপাল তপত চকুলো। উৰুখা চালৰ ওপৰত জিলিকি থকা পূৰ্ণিমাৰ চন্দ্ৰটোলৈ তাই বৰ করুণ ভাৱে চাই ৰ'ল। নিশাৰ নীৰৱতাৰ সাক্ষী জিলি কেইজনীয়ে 'ঝি-ঝি' শব্দ কৰি অঞ্জলীক যেন সমবেদনা জনালে। জহালত টিমিক-টামাককৈ জলি থকা জুইকুৰাৰ কাষত কুচি-মুচি বহি আছে পথৰা-পথৰী মেকুৰীজনী। অনাহাৰত তায়ো বৰ দুৰ্বল হৈ পৰিছে। অবোধ জীৱ হ'লেও তাইৰ চকুযুৰি বৰ সিক্ত। তায়ো যেন পুতুকনৰ আৰোগ্যৰ বাবে সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা কৰিছে। ক'ৰবাৰ দূৰণি পথাৰৰ মাজৰপৰা ভাহি অহা হুদু এটাৰ 'হুচু-গুচু' শব্দই নিশাৰ নিৰৱতাক গহীন কৰি তুলিছে। পুতুকণৰ খেৰৰ ওপৰত পৰি থকা কঙ্কাল-সাৰ জঠৰ দেহটিৰ কাষত পাখিভগা কপৌৰ দৰে বহি আছে অশ্ৰুস্নাতা মাতৃ অঞ্জলী।

মানৱতা !!! অঞ্জলীয়ে শব্দটো তুবাৰমান মুখৰ ভিতৰতে আওৰালে। কুৰি শতিকাৰ প্ৰগতিকামী মানৱে 'মানৱতা' শব্দটোকে যেন পাহৰি পেলালে। তাই হয়তু এনে কথা নাভাবিলেহেতেন অথবা ভাবিবলৈ বাধ্য নহ'লহেতেন যদিহে তাই যোৱাকালি বৰুৱাৰ ঘৰলৈ নগলহেতেন। সুনীতি বৰুৱা,·· যোৰহাট জিলাৰ এটা চিনাকী নাম। নাম সুনীতি হ'লেও বৰুৱাই কিন্তু দুৰ্নীতি কৰি কৰিয়েই হাড় পকাইছে। অন্তৰেৰে গাওঁখনৰ শতকৰা নবৈজনে বৰুৱাক ভাল নাপালেও বাহ্যিকভাৱে সন্মান কৰা যেন দেখুৱায়। কাৰণ বৰুৱাৰ তুমোনীয়া প্ৰকাণ্ড শৰীৰটোলৈ ভয় নকৰিলেও তেওঁৰ চিকচিকিয়া, খমখমীয়া ক'লা টকা বোৰলৈ গাওঁৰ মানুহে ভয় কৰে। অঞ্জলীও সেই গাঁৱৰে বাসিন্দা। অঞ্জলীয়ে কিন্তু বৰুৱাক শ্ৰদ্ধা নকৰে ; বৰুৱাৰ অপ্ৰবিত্ৰ ধৰণ-কৰণক তাই ঘৃণা কৰে। যোৱাকালি ৰাতি পুতুকনৰ বাবে সামান্য খাদ্য আৰু টকা বিচাৰি তাই বৰুৱাৰ ঘৰলৈ গৈছিল। ঠিক গৈছিল বুলি ক'লে ভুল হ'ব। পুতুকনৰ করুণ লোতকে তাইৰ মনত সাঁচি ৰখা অভিমানৰ দ্বীপটোক উটুৱাই লৈ গৈছিল। বৰুৱাৰ পদুলিত জ্বলি থকা নিয়ন লাইটৰ পোহৰত তাইক অশৰীৰ অশৰীৰ যেন লাগিছিল। চোতালৰ আগত বীৰদৰ্পে থিয় হৈ থকা তুমহলীয়া গুটি-খানৰ ভৰালটোৱে তাইলৈ চাই যেন ঢেকঢেকাই হাঁহি উঠিছিল। শৰীৰৰ সৰ্বশক্তিৰে লোহাৰ প্ৰকাণ্ড গেটখন খুলি তাই বৰুৱাৰ ঘৰত সোমাই পৰিছিল। গেটৰ কেৰ-কেৰণিৰ শব্দত ভিতৰৰ পৰা শকত আৱত এজন যুবক দৌৰি আহি তাইক সেই ৰাতি দেখি হতবাক হৈছিল। "এই কোন হ্যায়, কিয়া চাহিএ" ···খণ্ড তথা বিস্ময়ৰ সুৰত তাইক দাৰোৱানজনে প্ৰশ্ন কৰিছিল। দাৰোৱানজনে তাইৰ ফালে চাই এটা ব্যঙ্গোক্তিৰ হাঁহি মাৰিছিল। দাৰোৱানজনে বুজি পাইছিল যে আজি নিশ্চয় বৰুৱাই আকৌ এপাহ নতুন ফুলৰ সুবাস ল'ব। আজি বিগত ছয় বছৰে দাৰোৱান ৰতন সিঙৰ চকুৰ আগত কিমান নামহীন ফুলৰ সুবাস

বৰুৱাই লৈছে তাৰ হিচাপ আনে নাজানিলেও ৰতনে জানে। "মা' মোৰ বৰ ভোক লাগিছে। কিবা এটা খাব দিয়ানা।" ···পুতুকনৰ করুণ আৰ্তনাদ যেন পুনৰ তাইৰ মনত ভাহি উঠিছিল। "মোৰ চাৰৰ লগত খুব জৰুৰী দৰকাৰ আছিল।" —অঞ্জলিয়ে অতি ব্যস্ততাৰে ৰতনক অনুৰোধ কৰিলে। "আয়েনা— বুলি মাতি ৰতন সিঙে অঞ্জলীক বৰুৱা চাহাবৰ ওচৰলৈ লৈ গ'ল।

পাইপত ধপাত হুপি-হুপি বৰুৱাই আৰামী চকীখনত নিজৰ প্ৰকাণ্ড শৰীৰটো এৰি দিছিল। অঞ্জলীক দেখি বৰুৱাৰ উদাস চকুযুৰি হঠাতে জ্বিলমিলাই উঠিল। মনে মনে কিছু আচৰিতো হ'ল। আজি স্বামীৰ মৃত্যুৰ তিনি-বছৰে অঞ্জলী বৰুৱাই তেওঁৰ চোতালত খোজ পেলোৱা নাই। কিমান কৌশল অৱলম্বন কৰিছিল সুনীতি বৰুৱাই। অঞ্জলীক বৰুৱাৰ বিকৃত ৰুচিৰ পূজা হিচাপে আগবঢ়াবলৈ তেওঁৰ "ঢোলৰ লগত টেমেকা" স্বৰূপ তোষামোদকাৰীবোৰেও কম প্ৰচেষ্টা চলোৱা নাছিল। বৰুৱাৰ আচাৰ আচৰণ পত্নী নিৰ্মালীয়ে বুজিও নুবুজাৰ ভাও জুৰিছিল। অথচ বৰুৱাৰ ধন-দৌলত, গাড়ী-ঘোৰা একোৱেই নিৰ্মালীক সন্তুষ্ট কৰিব পৰা নাছিল। নিৰ্মালীৰ বিদ্বেষ কেৱল স্বাৰ্থৰ প্ৰতি-য়েই নহয়, দুৰ্নীতিক হাঁহিমুখে স্বীকাৰ কৰা মুখাপিন্ধা সুবিধাবাদীবোৰৰ ওপৰতো তেওঁৰ প্ৰচণ্ড আক্ৰোশ উপ-জিছিল। যিদিনা নিৰ্মালীয়ে দৰিদ্ৰ ধনীৰামৰ সন্য যৌবনা তেৰ বছৰীয়া জুমিৰ দেহৰ ওপৰত কৰা স্বামীৰ পাশৱিক অত্যাচাৰ নিজ চকুৰে দেখিছিল, সেইদিনাই নিৰ্মালীয়ে বৰুৱাক মনৰ পৰা স্বামী হিচাপে পৰিত্যাগ কৰিছিল।

বৰুৱাৰ চকুযুৰি অঞ্জলীৰ দেহৰ প্ৰতিটো অঙ্গৰ ওপ-ৰেদি পাৰহৈ গ'ল এবাৰ। অঞ্জলী, তুমি এই নিশা !! কিবা দৰকাৰ···" খোনা খুনিকৈ কথাবোৰ কৈ বৰুৱা চকীৰ-পৰা উঠিল। বৰুৱা যেন চোপ লৈ থকা এটা প্ৰকাণ্ড ঢেকীয়া পতীয়া বাঘ আৰু অঞ্জলী এজনী দল হেৰুৱা ভীতিগ্ৰস্তা হৰিণী। "মোৰ-পুতুৰ·· বৰ জ্বৰ···ডাক্তৰক দেখুৱাবলৈ পা-পইচা এটাও নাই। গতিকে···" বৰ বিনয়েৰে কথা কেইষাৰ কৈ তাই বৰুৱালৈ বৰ আশাৰে চালে। "কেতিয়াৰপৰা? এস্ তুমিনো বাৰু মোক আগতে ক'ব নেপায় নে? মোকনো বাৰু পৰ বুলি···" কথাষাৰ কৈ কৈ বৰুৱাই অঞ্জলীৰ গালে হাতখন আগবঢ়াই অনা দেখি একো নকৈ অঞ্জলী বাহিৰলৈ দৌৰ মাৰিলে। ঢেকীয়া পতীয়া বাঘ সদৃশ বৰুৱাৰ হাতৰপৰা পলোৱা অঞ্জলী যেন এজনী ভীতিগ্ৰস্থা হৰিণী !!!

সেইদিনা তাই ঘৰলৈ গৈ উচুপি উচুপি কান্দিছিল। তাইৰ উচুপনিবোৰ বাঢ়ি গৈ অৱশেষত হুক-হুকনিত পৰিণত হৈছিল। মাকৰ কান্দোন শুনি বেমাৰী পুতুকনে আচৰিত হৈ মাকলৈ চাইছিল। "মা'······তুমি কান্দিছা কিয়? মই ভাল হৈ যাম নহয়? মই ভাল হ'লে তোমাক চব আনি দিম। মই ডাঙৰ মানুহ হ'ম।" ·· পুতুকনৰ কথাবোৰ শুনি মাকে বেছিকৈহে কান্দি উঠিছিল। মাকৰ করুণ মুখখনিলৈ চাই পুতুকনে যেন বুজি পাইছিল সি আৰু ভাল হৈ নুঠে। জুলুকুৰে বৈ অহা দুটোপালমান বেদনাৰ চকুলোৱে মাকৰ ময়লা লগা উকা চাদৰখনিত বৃথা আশা আঁকিছিল। সি বুজি পাই-ছিল— ঘৰখনত কুটা এগজ নহ'লে মাকেনো তাক কি দিব? পথ্যৰ নামত কেৱল পছুনাৰ পাত, এটা পচাঁ গোলনেমু আৰু কলগছৰ পটুৱাত থকা সৰু কেচু সিজোৱা পানী। বেৰত আঁৰি থোৱা ভগবানৰ ফটোখন কঁপি কঁপি যেন স্থবিৰ হৈ গৈছিল। অঞ্জলীয়ে ফটোখনলৈ বৰ কাতৰভাবে চাইছিল। জীৱনৰ সতে তাইৰ প্ৰথম মিলনৰ সাক্ষী মৰমৰ পুতুকনৰ প্ৰাণটি যেন তাই নিৰৱে ভিক্ষা মাগিছিল—নিৰ্বাক ফটোখনক ভিক্ষা মাগিছিল। এচাটি চেঁচা ৰতাহ জুপুৰিটোলৈ সোমাই তাইৰ সৰ্বশৰীৰ কঁপাই তুলিলে।

পিচদিনা পুতুকনৰ জ্বৰ অলপ কমিছিল। কিন্তু পেটৰ বিষ টোৱেহে বৰ আমনি দিছিল। চৌধুৰীৰ ঘৰৰপৰা খুজি অনা খেৰ আৰু মনোজ কেঁওঁৰ দোকানৰ পৰা অনা ফটা থৈলা কেইখনৰ ওপৰত পৰি পুতুকনে অসহ্য বিষত আটাহ পাৰিছিল। সকলো দেখিও অঞ্জলী অসহায় হৈ পৰি-ছিল। বোধকৰো পুতুকনৰ পেটৰ ভোকতে জ্বৰ বেছি হৈছিল। চৌধুৰীৰ ঘৰত ধান জাপি পোৱা খুদ চাউলখিনি যোৱা কালিয়েই শেষ হৈছে। চাউলৰ লুখুৰি বনাই মাক

পুতেক দুয়ো ভগাই খাইছিল। আজি পুতুকনক দিবলৈ খুদকনো নাই। পচাঁ নেমু অকনমান কাটি পুতুক খুৱাই দিলে। নাই জ্বৰ নকমিল, বৰঞ্চ পেটৰ বিষটোহে বাঢ়িল। শেষৰাতি কেকাই কেকাই পুতুৰ পাৰ্থিৱ শৰীৰটো অৱশ হৈ পৰিল। তাৰ নিষ্ক্ৰীয় ভৰিৰ শিতানত বহি বেৰত মূধ গুজি উচুপি উঠিল অঞ্জলী মৃত পুতুৰ দুখুনী মাক।

পুৱাৰ সূৰুযৰ উজ্বল পোহৰে উদ্ভাষিত কৰি তুলিছিল শিশুবৰ্ষ উদ্‌যাপনৰ ৰঙা ঘৰ। হাজাৰ হাজাৰ মানুহৰ হৈ চৈ, আনন্দৰ ভীৰ ফালি আগবাঢ়ি আহিছিল শ্ৰীযুত সুনীতি বৰুৱাৰ আকাশী ৰঙৰ 'কনটেচা' খন। সেইদিনা সভাৰ বিশিষ্ট অতিথি বৰুৱা চাহাবক মুগা সাজ পৰিহিতা ঢুগ-ৰাকী যুৱতীয়ে মালা পিন্ধাইছিল। বৰুৱা চাহাবে মাইকত বক্তৃতাৰ ফুলজাৰি তুলিছিল। ৰাইজে মাজে মাজে হাত চাপৰি বাই বৰুৱাক সমৰ্থন কৰিছিল। বৰুৱাই কৈছিল, 'এই আন্তৰ্জাতিক শিশুবৰ্ষ উদ্‌যাপনৰ অৰ্থ দেশৰ প্ৰতিজন শিশুক বেমাৰ আজাৰৰপৰা ৰক্ষা কৰি উপযুক্ত খাদ্য যোগান ধৰি সুনাগৰিক কৰি গঢ়ি তুলিব লাগিব।" —বৰুৱাৰ বক্তৃতাৰ ফুলজাৰি পুতুৰ মাকেও শুনিছিল। বৰুৱাৰ বক্তৃতা শুনি পুতুৰ মাকৰ চকু থৰ হৈ গৈছিল। মন গৈছিল তীব্ৰ প্ৰতিবাদ কৰি বৰুৱাৰ মুখা খুলি দিবলৈ। কিন্তু নোৱাৰিলে। পুতুৰ নিশ্চল দেহটো দাঙিলৈ অঞ্জলী কেৱল দৌৰিবলৈ ধৰিলে……।

নিদ্ৰাৰত অৱস্থাত সপোনত দেখিছিলো জীৱন মানে সৌন্দৰ্য্য
সাৰ পাই উঠি আবিষ্কাৰ কৰিলো জীৱন মাথো কৰ্ত্তব্য।

হাৰ-চে-গ্ৰেডি

[ উপন্যাসিকা ]

# বন-বিৰিখৰ ছাঁ

শ্ৰীমতী শেৱালী বৰা
স্নাতক ২য় বাৰ্ষিক (কলা)

পুৱা চাৰিবজাৰ লগে লগে বাগানৰপৰা ভাহি অহা হুইচেলৰ শব্দত দিপামণিৰ টোপনি ভাগি গ'ল। চকু-কেইটা মেলি তাই চাৰিওফালে চকু ফুৰালে। কোঠাৰ ভিতৰৰপৰা তেতিয়াও আন্ধাৰৰ জাল আতৰি যোৱা নাই। বহল পালেংখনৰ ইটোমূৰত শুই থকা পলাশৰ গভীৰ টোপনি। দিপামণি লাহেকৈ বিচনাৰ পৰা নামি খিৰিকী খনৰ কাষলৈ উঠি আহিল। পৰ্দাখন টানি তাই খিৰিকীখন খুলি দিলে। পুৱতীৰ শীতলতাই মনটো আলফুলকৈ চুই গ'ল। বতাহজাকত নিশা ফুলা ফুলৰ মিঠা গোন্ধ এটা উপণ্ডি আহিল। খিৰিকীখনৰ ৰ'দ এডালত ধৰি তাই বিচনাখনলৈ ঘুৰি চালে। পলাশে সাৰ পোৱা নাই। এটা অবুজ শিশুৰ দৰেই পৰম নিৰ্ভৰতাৰে শুই আছে। উশাহ-নিশাহৰ লগে লগে বহল বুকুখনে উঠানমা কৰিছে। এক অবুজ মমতাত দিপামণিৰ নাৰীমনটো উথলি উঠিল। লাহে লাহে তাই বিচনাখনৰ কাষ চাপি আহি পলাশৰ গাৰ কাষত বহি পৰিল। নাই, পলাশৰ সাৰ পোৱাৰ চিন নাই। কোমল, নিষ্পাপ মুখ-খনত পুৱতীৰ কোমল পোহৰ অকণে আলফুলীয়া মেলা পাতিছে। কপালত খেলিমেলিকৈ পৰি থকা চুলিকোঁচা আঁতৰাই দিবলৈ হাতখন মেলিও তাই কোঁচাই আনিলে। শান্তিৰে শুইথকা পলাশক কিয় জানো আমনি কৰিবৰ মন



ইকি! দিপামনি তুমি ?
অ' পলাশ। মই একেবাৰেই গুচি আহিছো।

নগ'ল। শোৱক অলপদেৰী, তাই আকৌ খিৰিকীখনৰ কাষলৈ উঠি আহিল। চকুদুটা পুৰি আছে। ৰাতি শোৱাও বহুত পলম হ'ল। স্কুলৰপৰা আহিয়েই তাই পিঠাকেইটামান খুন্দিবলৈ লৈছিল। ৰাতি সকলোকে ভাত পানী দি পলাশক বিচনা ঠিক কৰি দিওঁতেই ন বাজি গ'ল। পিঠাকেইটা পুৰি তাই যেতিয়া শুবলৈ আহে দূৰৰ বাগানত তেতিয়া বাৰ বজাৰ ঘণ্টা বাজিছে। যিমানেই দেৰী নহওক কাম নকৰিলেই নহয়। দেওবাৰটোৰবাদে অন্যদিনত ৰবলৈকে সময় নাই, স্কুল থাকে। বাকী সময়কণত পলাশক ফুৰা-মেলাত সহায় কৰিব লাগে। তিনিবছৰৰ আগৰ স্কুটাৰ দুৰ্ঘটনাত চিৰদিনৰ বাবে পঙ্গু হৈ যোৱা পলাশক তাই স্কুললৈ যোৱাৰ সময়কণত মধুৰ হাততেই গতাই থৈ যায়। স্কুলৰ পৰা আহিয়েই লৰালৰিকৈ যাৱতীয় কামখিনি কৰি পলাশক অলপ ফুৰাবলৈ লৈ যায়। দিনটোৰ ক্লান্তিখিনি চৌপাশৰ সেউজ শীতলতাত অস্পষ্ট হৈ হেৰাই যায়। পলাশে নিৰৱে শুনে, কেতিয়াবা ধেমালিতে হাঁহে, জোকায়। মৌন প্ৰশান্তিত হৃদয় শাত পৰে··· । ভিতৰৰফালে দুৱাৰ খোলাৰ শব্দত দিপামণিৰ ভাৱৰ আঁতদাল চিঙি গ'ল। আই উঠিছে বিজানি। পৰ্দাখন টানি তাই দুৱাৰখন খুলি ওলাই আহিল। বাহিৰত ভালকৈয়ে পোহৰ হৈছে। ল'ৰালৰিকৈ ঘৰকেইটা সাৰি বাৰিনিটাৰ লৈ তাই চোতালখন সাৰিবলৈ বাহিৰ পালেগৈ। মধুয়ে গাখীৰৰ কড়িয়াটো লৈ গোহালিত সোমাইছে। খৰধৰকৈ তাই বাঢ়নিটাৰ বুলাই যাবলৈ ধৰিলে।

নবৌ, ······গোহালি মই সাৰিম। আপুনি সোনকালে গা-ধুৱক। মধুৰ মাতত তাই উভতি চালে। লগে লগে তাইৰ হাঁহি উঠি গ'ল। ৰাতি পিঠা বনোৱা কথাটোৱেযে তাক আমনি কৰিছে বুজিবলৈ তাইৰ বেছি অসুবিধা নহল।

বাৰু বুলি শলাগি তাই খৰধৰ কৰি বাঢ়নিটাৰ বুলাই যাবলৈ ধৰিলে।

মধু এইখন ঘৰত তাই অহাৰ আগৰেপৰাই আছে। কেওকিছু নোহোৱা এই সৰল ল'ৰাটোক পলাশেই এদিন লৈ আহিছিল। তেতিয়াৰপৰা এইখনেই তাৰ নিজৰ ঘৰ। পলাশৰ, আইৰ কামৰ সহায়, আকাশৰ কথাপতাৰ সংগী সকলো······।

··· ··· ··· ··· ···

কামবোৰ লৰালৰিকৈ কৰি গা-ধুই গোঁসাই সেৱা কৰি তাই পলাশৰ ওচৰলৈ আহিল। পলাশ সাৰ পাইছে। তাইৰ খোজৰ শব্দত সি উভতি চালে। মুখখনত কোমল হাঁহি এটা বিয়পি পৰিল।

উঠিলা···তাই আগুৱাই আহিল। ৰাতি ভাল টোপনি হ'ল নহয় ?

ও, তুমি কেতিয়া উঠিলা কবই নোৱাৰো। আইয়ে চাহ বাকিছে। ব'লা মুখ ধুবা। মই পানী থৈ আহিছো। পেংমাৰি দুডাল আনি পলাশৰ গাত ধৰি তাই উঠাত সহায় কৰি দিলে। পলাশক ভাত খাবলৈ দি নিজেও আজৰি হওমানে দহ বাজিবৰেই হ'ল। ল'ৰালৰিকৈ ভাতকেইটা খাই তাই পলাশৰ ওচৰলৈ আহিল। খিৰিকীখনৰ কাষতেই চকী এখনত বহি কিতাপ পঢ়ি থকা পলাশৰ চুলিখিনিত আলফুলকৈ হাতখন বুলাই ক'লে— মই যাওঁ। কিবা লাগিলে মধুক কবা। মই সোনকালেই উভতিবলৈ চেষ্টা কৰিম। যাওঁ দেই। তাই ওলাই গ'ল।

এইখিনি সময়তেই পলাশৰ বুকুত এটা বুজাব নোৱাৰা যাতনাই তোলপাৰ কৰি উঠে। আজি তিনিটা বছৰে দিপামণিয়ে প্ৰতিটো ক্ষণ কেৱল তাৰ বাবেই স্বীকাৰ কৰি আহিছে। অথচ সেই শান্ত দৃঢ় মুখখনত অশান্তিৰ কণমানো আঁচ সি দেখা নাই। অফুৰন্ত উচ্ছাসেৰে এটা পৰ্বতীয়া জুৰিৰ দৰেই তাই বৈ গৈছে, ক'তো অকণো থমকি ৰোৱা নাই।

আৰু পলাশ !! বুকু ভৰি থকা বেদনাৰ দুকুলটকা বানতো দিপামণিৰ মৰমৰ শুকুলা পানসৈয়ে ক'লামেঘৰ তাণ্ডৱ নৃত্য নেদেখে, বিজুলী ঢেৰেকনীৰ গাজনী নুশুনে······· কেৱল উজাই যায় শুকুলা মৰমৰ পানশৈ জিৰ্‌জিৰ্ মলয়াত পাখি মেলি উৰা বগা পালখনত হৃদয়ৰ অতলতলীৰ বতৰা··· পলাশ ! মোৰ বাবে হৃদয়ৰ মূল্য সকলোতকৈ উৰ্ধত, তাৰ ওচৰত শৰীৰৰ দাবী তেনেই তুচ্ছ।

পলাশ ! মানৱীয় প্ৰমূল্যসমূহৰ গভীৰতা উপলব্ধি কৰা মানেই তাৰ মূল্য দিয়া। আলোকসন্ধানী এই শাশ্বত ধ্ৰুৱ লক্ষ্য, আকাশ চুবলৈ যোৱাৰ এই সূৰ্যসম প্ৰয়াস

বিফলে নাযায়, যাব নোৱাৰে……

প্ৰেম, ভালপোৱাৰ এই মোহময় স্নিগ্ধতা কেৱল আমাৰ মাজতেই আৱদ্ধ হৈ নাথাকক, পৃথিৱীৰ প্ৰতিটো অণু-পৰমাণুকেই স্নেহশীলা জননীৰদৰে বুকুত সাৱটি লওঁক… জীৱনৰ সাৰ্থকতাওযে তাতেই……।

আঃ! তৃপ্তিত পলাশৰ চকুহুটা মুদ খাই আহিল। মনৰ খিৰিকীয়েদি আকৌ এবাৰ এৰি অহা দিনৰ ছবিবোৰ এখন এখনকৈ ভাহি আহিল……।

… … … … …

এই দিপামণি, ক্লাচ কৰিবলৈ নাযাৱ নেকি ? দহটা বাজিবৰেই হ'লচোন।

জুৰিৰ মাতত দিপামণি উচপ খাই উঠিল, সঁচা, ইমান সময় ডায়েৰীৰ পাতত মূৰগুজি থাকোতে দহ বাজিবৰেই হ'ল। ইফালে দহটাৰ পৰাই ক্লাচ আছে। লৰালৰিকৈ কাপোৰ সলাই দীঘল চুলিকোঁচা খৰধৰকৈ আঁচুৰি তাই ওলাই আহিল। হোষ্টেলটোৰ প্ৰায়বোৰ ছোৱালী ইতিমধ্যে ওলাই গৈছে।

হেল্লো দিপামণি গুড মৰ্ণিং।

চেকেণ্ড ইয়েৰৰ মণিষা বাইদেউ হাঁহিমুখেৰে পাৰ হৈ গ'ল।

অই দিপামণি, আজি নতুন ল'ৰা-ছোৱালীবোৰে ক্লাচ কৰিব নহয়, মামণিহঁত সাজু হৈ গৈছে। জুৰিৰ ইঙ্গিতটো তাই বুজি পা'ল। এইকেইদিন নতুন ছোৱালীবোৰক মামণিহঁতে খোৱা কোঁৱা দেখুৱাইছে। আজিযে কলেজত কি উৎপাত কৰিব তাই মনে মনে উপলব্ধি কৰিলে।

অই দিপামণি, আজি কিন্তু ভাল জমিব।

দিপামণিৰ খং উঠি গ'ল। কি দৰকাৰ চিনাকী হোৱাৰ নামত কিছুমান বজৰুৱা কথা সুধি ল'ৰা-ছোৱালীবোৰক ব্যতিব্যস্ত কৰি তুলিবলৈ ?

এই মনে মনে থাক। পেকপেকাই নাথাকিবি মিছাকৈ। দিপামণিৰ কথাৰ সুৰত জুৰি দমি গ'ল আৰু কিবা এটা ক'বলৈ লৈও তাই মনে মনে থাকিল। হোষ্টেলৰ অন্য ছোৱালীতকৈ দিপামণিযে বহুত ক্ষেত্ৰত ব্যতিক্ৰম তাক আজি তিনিটা বছৰে জুৰিয়ে কেৱল জনাই নহয়, দেখিও আহিছে। সহজ, সৰল এই শান্ত ছোৱালীজনীৰ দৃঢ় মনটোৱে সিহঁতকযে বহুতক্ষেত্ৰত সমৰ্থন নকৰে তাৰ প্ৰমাণ বহুতো আছে।

নতুন ছোৱালীবোৰ অহাৰ দিনা ৰাতি মণিষাৰ ৰুমত থকা নতুন ছোৱালী দুজনীৰ ওচৰলৈ জুৰি, অঞ্জনাহঁত দপদপাই সোমাই গ'ল। ছোৱালীদুজনী একেখন বিচনাতে জুপুকা মাৰি বহি আছিল। এতিয়া দলবললৈ জুৰিহঁত সোমাই অহা দেখি সিহঁতৰ মুখবোৰ শুকাই গ'ল।

ডাঙৰক সন্মান কৰিবলৈ শিকি অহা নাই নেকি তোমালোকে ? সোমাই আহিলে থিয় হ'ব লাগে বুলি নাজানা ? জুৰিৰ গৰম সুৰ শুনি ছোৱালীদুজনী তলমুৰকৈ থিয় হ'ল।

খোকোট গাঁৱৰ যেন পাইছো। ৰুমীৰ কথাষাৰত সিহঁতৰ মাজত হাঁহিৰ ৰুল উঠিল। এজনী দুৱাৰমুখত থিয় হৈ আছে। চুপাৰ আহিব পাৰে। বাকীখিনি ছোৱালীদুজনীৰ ওচৰত।

প্ৰথমতে নামকেইটাকে সোধা যাওঁক। ৰুমীয়ে গহীনহৈ ক'লে— হেৰা তোমালোকৰ নাম কিহে ?

ছোৱালীদুজনী ইতিমধ্যেই নাৰ্ভাছ হৈছিল। দুয়োজনীয়ে কোনোমতে সেপ ঢুকি ক'লে—

শিখা আৰু গৌৰী।

বাঃ কৈলাশত ঘৰ যেন লাগিছে দেই।

বাৰু শিখাই কোৱাচোন দুয়ে দুয়ে কিমান ?

চাৰি। ইহ্ কলেই হ'বনে চাৰি বুলি। কিয় হ'ল এটা এটাকৈ বুজাই দিয়া।

ছোৱালীজনীয়ে একো নামাতি তলমুৰকৈ থিয় হৈ থকা দেখি অঞ্জনা গৰজি উঠিল।

কিহে, তুমি মাতিব নাজানা নেকি ?

একদম ৰাম বেল ভাই……দুৱাৰমুখত ৰৈ থকা আভাৰ কথাত সিহঁতজাকৰ মাজত আকৌ হাঁহিৰ ৰুল উঠিল। তাৰ মানে তুমি সঁচাই ৰাম বেল। ঠিক আছে এইটোত তোমাক আমি বেল বুলি মাফ কৰিলো। পিছে তোমাক নাচনি নাচনি লাগিছে দেখুন। আমাক এতিয়া নাচ এটাকে দেখুওৱা। হোষ্টেলত প্ৰতিজনী ছোৱালীয়েই প্ৰথমতে আহি বিহু নাচিব লাগিব। হেৰা, শুনিছা নাই ? হোষ্টেলৰ

আইনৰ কথা কৈছো। অগত্যা উপায় নাপাই নাচিবলৈ বাধ্য হ'ল, দিনটো ভাগৰে জুগৰে আহি পোৱা শিখা অলপ নাচিয়েই ক্লান্ত হৈ পৰিল। তাই বৈ গ'ল।

আকৌ কি হ'ল? নাচা, আমি ৰবলৈ কলেহে ৰব পাৰিবা...

আকৌ তাই নাচিব খোজোতেই অঘটনটো ঘটিল।

ধুমুহা এজাকৰ দৰে দিপামণি সোমাই আহিল।

পাগলামি বহুত বেছি হৈছে তহঁতৰ। গোটেইগাল তাইৰ কথাত জঁই পৰি গ'ল।

গৌৰীৰ মুখলৈ চাই তাই একেই সুৰতেই কৈ উঠিল... বুৰ্বক তোমালোক। শুই থাকা। সিহঁতজাকলৈ পোন্দোৰাকৈ চাই তাই শিখাৰ হাতখনত ধৰি নিজৰ ৰুমত সোমাই তাই দুৱাৰখন বন্ধ কৰি দিলে। দিপামণি উত্তেজনাত ফোপাইছিল। বিচনাত বহি চকুপানী মোহৰা শিখালৈ চাই তাইৰ বেয়া লগাতকৈ খং উঠিছিল.........

চকুপানী মচিবলৈ আহিছা? প্ৰতিবাদ কৰাৰ সাহস নাই? মনে মনে শুই থাকা।

ডাইনিংহলৰ পৰা আহি তাই ৰুমত সোমাইছিলহে তেনেকুৱাতেই মনিষাৰ ৰুমৰ পৰা অহা হাঁহিৰ শব্দত তাই চমকি উঠিল। এইকেইদিন ৰাতিয়ে গুলজাৰ হৈ থাকিব তাৰেই চাগৈ আৰম্ভণী। দিপামণিৰ নিজৰ কথাও মনত পৰিল। ডিগ্ৰী চেকেণ্ড ইয়েৰৰ ৰূপা বাইদেউহঁতৰ গ্ৰুপটোৱেও এনেদৰেই হাঁহিৰ ৰোল তুলি তাইক হাৰাশাস্তি কৰিছিল। খং, ক্ষোভ আৰু বেজাৰত ৰাতিয়েই যেন ঘৰলৈ গুছি যাব তাইৰ তেনে লাগিছিল। সেই নতুন ছোৱালীবোৰৰ ঠাইত তাই নিজকে বহুৱাই চালে। লগে লগে মনটো বিদ্ৰোহী হৈ উঠিল।... তাই মুখখন ঘুৰাই শিখালৈ চালে। ঠেক বিচনা খনৰ ইটোমূৰত কুচিমুচি হৈ টোপনি গৈছে। দিপামনি তেতিয়াহে বেয়া লাগিল। কিমান দূৰৰ পৰা ভাগৰে জুগৰে আহি হোষ্টেলত এই অৱস্থা। শিখাৰ কাষতেই তাইও বাগৰ দিলে। অলপ আগৰ বিৰক্তিকৰ ভাৱটো নাই। তাই চকুকেইটা মুদি দিলে...........

.. .. ... ... ... ... ...

দিপামণি আহিলা? ৰুবীৰ মাতত তাইৰ সম্বিত ফিৰি আহিল কেতিয়ানো কলেজৰ গেটখনৰ সন্মুখ পালেহি কবই নোৱাৰিলে।

আহিলো। মিঠা হাঁহিটোৰে প্ৰত্যেত্তৰ জনাই তাই ৭নং ৰুমলৈ খোজ দিলে। দহটাৰ পৰা অনাৰ্চৰ ক্লাচ আছে। ৰুমৰ সন্মুখ পাই তাই থমকি ৰ'ল। ভিতৰত এটা উত্তপ্ত পৰিবেশ। বহুকেইখন নতুন মুখ দেখা গৈছে। বাকীবোৰ তাইৰ লগৰেই ইয়াতেই হায়াৰ চেকেণ্ডাৰী পঢ়া। জুৰি, মণিকাহঁত নতুন ল'ৰা-ছোৱালী কেইটাৰ লগত ব্যস্ত হৈ পৰিছে। সিহঁতৰ লগত চেকেণ্ড ইয়েৰৰ ৰূপা, হাচানহঁতো আছে। তাই নিঃশব্দে সোমাই গৈ শেষৰফালৰ বেঞ্চ এখনত বহি পৰিল। মনে মনেই জুৰিহঁতৰ প্ৰশ্নবোৰ শুনি যাবলৈ ধৰিলে।

তোমাৰ নাম কি?

ৰাণী বৰুৱা।

বাঃ ৰজাৰ জীয়েক যেন লাগিছেই। লগে লগে জুৰিহঁতৰ গিৰ্জনি মৰা হাঁহি।

হেৰা, সেইযে বগা চাৰ্ট পিন্ধিছা, এইফালে আহা।

সেইটো হাচানৰ মাত... ..

এইফালে আহা বুলি কৈছো নহয়।

কি নাম তোমাৰ?

পলাশ হাজৰীকা।

কোন কলেজৰ পৰা আহিছা?

যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা।

মেজৰ ইকনমিক্সত?

হয়। জুৰি আগুৱাই আহিল।

ঘৰ ক'ত? যোৰহাট পতুমনিত।

পতুমনিৰ পৰা আহিছা? ভাওঁনা দেখিছা নাই?

দেখিছো।

ঠিক আছে। তুমি এতিয়া আমাৰ আগত ভীমৰ বচন মাতি শুনাব লাগিব। ধৰিলোৱা তোমাৰ হাতত ভীমৰ গদাটো আছে। গদাটো ধৰাৰ ভঙ্গী কৰি তুমি আমাক ভাওঁনাৰ নাচ এটা দেখুওঁৱা।

আহা, ইয়ালৈ ওলাই আহা।

পলাশৰ মুখৰ মাত হেৰাই গ'ল। লাজত সি কিবা হৈ পৰিল।

হেৰা, কথা নুশুনা কিয়? সন্মুখলৈ ওলাই আহা বুলি

কৈছো নহয়। হাচান পলাশৰ ফালে আগবাঢ়িল।
কি বুলি ভাবিছা আমাক? চিনি পোৱা নাই?
একেপাত চৰত·····
নাই·····দিপামণিৰ আকস্মিক চিঞৰটোত হাচান ৰৈ গ'ল। সকলোৱেই ঘূৰি চালে।
ওলাই যোৱা, তোমালোক ইয়াৰ পৰা ওলাই যোৱা। ছিঃ চিনাকী হোৱাৰ নামত তোমালোকে ইমান তললৈ নামি যাব পাৰা।

দুয়োহাতে মুখখন ঢাকি তাই উচুপি উঠিল। এচাম নতুন ল'ৰা-ছোৱালীৰ আগত কলেজখনৰ এক নম্বৰ দাদা বুলি খ্যাতি থকা হাচানৰ মুখ লাজত ক'লা পৰি গ'ল। খং, ক্ষোভেৰে দিপামণিলৈ চাই সি উচাত মাৰি ওলাই গ'ল।

টং টং····· প্ৰথম ক্লাচটো শেষ হোৱাৰ ঘণ্টাধ্বনি ভাহি আহিল। নতুন ল'ৰা-ছোৱালীবোৰে দিপামণিলৈ একো কৃতজ্ঞতাৰ দৃষ্টি নিক্ষেপ কৰি ওলাই গ'ল। বহীখন হাতত লৈ দিপামণিও ওলাই আহিবলৈ দুৱাৰ মুখ পালেহি।
শুনা···অচিনাকি কণ্ঠটোত তাই উভতি চালে।
হাচানে ৰেগিং কৰা নতুন ল'ৰাজন।
মোক মাতিছা? তাইৰ ওঠৰ ওপৰেদি এটা পাতল হাঁহি বিৰিঙি উঠিল।
অ' তোমাকেই মাতিছো। তাই পলাশ বহি থকা বেঞ্চখনৰ ওচৰলৈ আহিল।
মই তোমাৰ ওচৰত কৃতজ্ঞ।
নম্ৰভাৱে কোৱা তাৰ কথাখিনিৰ আন্তৰিকতা তাই উপলব্ধি কৰিলে।
কি নাম তোমাৰ?
পলাশ হাজৰীকা। যোৰহাটৰ। আৰু তোমাৰ নাম?
দিপামণি বৰুৱা, লক্ষীমপুৰৰ। আগতে হায়াৰ চেকেণ্ডাৰী ইয়াতেই পঢ়া।
ব'লা বাৰাণ্ডালৈ ওলাই যাওঁ। তাতেই কথা পাতিম সেইয়াই আৰম্ভণী। চিনাকীৰ সেই অভিনৱ স্মৃতি লৈ গতিশীলতাৰ লগত সমানে তাল মিলাই দুটা প্ৰতিবাদী, দৰদী কণ্ঠ একেলগে প্ৰবাহিত হ'ল··· জোনাকৰ সীমা খেদি। পলাশৰ প্ৰতিটো কথাৰ মাজত লুকাই থকা সৰল, আদৰ্শাত্মক মনটোৱে দিপামণিক আকৃষ্ট কৰিছিল। দিপামণিৰ চকুৰ মণিত সূৰ্য্যৰ দৰেই জিলিকি থকা স্থিৰ প্ৰত্যয়ৰ মাজত পলাশো আলফুলকৈ হেৰাই গৈছিল। কলেজখনৰ প্ৰতিটো ল'ৰা-ছোৱালীয়ে হয়তো কিবা বুজিছিল, ভাবিছিল। অথচ দিপামণিক বেয়া বুলি কোনেও ভাবিব পৰা নাছিল।
দিপামণি বৰুৱা। লক্ষীমপুৰৰ এজনী বৰ শান্ত, বৰ মৰমলগা ছোৱালী। কেৱল কলেজ চৌহদৰেই নহয়, সুন্দৰ কবিতা লিখা দিপামণি বৰুৱা সমগ্ৰ অঞ্চলটোৰ বাবেই এটা মিঠা পৰিচিত নাম। লক্ষীমপুৰৰ এটা সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী দিপামণি সৰল, দৰদী মনটোৰ আগত পলাশৰ সংকোচে হাৰ মানিছিল।
জানা দিপামণি আমি বৰ দুখীয়া মানুহ।
মইতো তোমাক সেইকথা সোধা নাই! দুখীয়া কাক কয় জানা পলাশ, যাৰ মনৰ সীমা খুউব নিম্ন··· বাৰু পলাশ, মোক এবাৰ তোমালোকৰ গাঁৱলৈ লৈ যাবা?
আমাৰ গাওঁত এতিয়া কি দেখিবা দিপামণি? ঘৰে ঘৰে হাঁহাকাৰ ধ্বনিৰ বাহিৰে একো নুশুনা। বানপানীয়ে বছৰি পথাৰ ধুই নিয়ে। মানুহে পেট ভৰাই এমুঠি খাবলৈ নাপায়। আমাৰো একেই অৱস্থা দিপামণি। দেউতাৰ স্কুলৰ চাকৰিটো নোহোৱা হ'লে মই পঢ়াৰ কথা ভাবিবই নোৱাৰিলোহেঁতেন। কোনোমতে চাকৰিটোৰ টকাৰেই দেউতাই জোৰা মাৰি দিছে। দেউতাৰ কষ্টখিনিৰ কথা ভাবিলে পঢ়াৰ কথা মনলৈকে নাহে। হ'ব পলাশ। ভালদৰে ডিগ্ৰীটো লৈ লোৱা। তাৰ পিছত সমস্যাবোৰৰ কথা ভাবিবা। দেউতাৰ ত্যাগ স্বীকাৰৰ মূল্য দিবলৈ তেতিয়াহে সমৰ্থ হ'বা।···
··· ··· ··· ··· ···

দিনবোৰ লাহে লাহে বাগৰি গৈছিল। লগে লগে পলাশ আৰু দিপামণিৰ ব্যস্ততা বাঢ়িছিল। ফাইনেল দিবৰ বাবে সিহঁত সাজু হৈছিল। ইতিমধ্যে হাচান পলাশৰ বৰ বন্ধু হৈ পৰিছিল। দিপামণিৰো, শিশুৰ দৰেই সৰল, নিষ্পাপ পলাশৰ মুখখনলৈ চালেই হাচানৰ বুকুৰ কোনোবা এচুক বিষাই উঠে। সঁচাই সি ইমান তললৈ নামি গৈছিল। পলাশৰ প্ৰতি তাৰ আগতে কোনো ভাল ধাৰণা নাছিল। কিন্তু কলেজৰ চাদৰ পৰা পৰি জ্ঞানশূন্য হৈ হস্পিতেলত

পৰি থাকোতে পলাশেই তাক ঘন্টাৰ পাছত ঘন্টা ধৰি পৰিচৰ্য্যা কৰিছিল। অথচ তাক দাদাগিৰিৰ কাৰণে উচতাই দিয়া ৰাতুলইঁত সেইদিনা তাৰ কাষত নাছিল। ...... তেতিয়াৰ পৰাই দুৰ্দান্ত সেই অসুৰ ল'ৰাটো পৰিৱৰ্ত্তিত হৈছিল এটা কোমল, আলফুলীয়া মানৱীয় অনুভূতিলৈ। বুকুৰ ভিতৰত অৱহেলিত হৈ পৰি থকা প্ৰেম, ভালপোৱাৰ, করুণা কোমল অনুভূতিবোৰ শুভ্ৰ সাজেৰে সজাই পৰাই উলিয়াই আনিছিল পলাশ, দিপামণিয়ে......। হাচান আহমেদ এটা সঁচা মানুহলৈ ৰূপান্তৰিত হৈছিল......।

তিনিওটাই পৰস্পৰৰ প্ৰেৰণা হৈ পৰীক্ষাৰ বাবে সাজু হৈছিল। হাচানে আগৰ বছৰ পৰীক্ষা ড্ৰপ দি সিহঁতৰ লগ লৈছিল।

.... .... .... .... .... ....

পৰীক্ষাৰ ৰিজাল্টৰ দিনা হাচান পলাশৰ ঘৰলৈ ৰিজাল্ট লৈ দৌৰ মাৰিল।

দোস্ত, গুলজাৰ কৰিদিলো। চেকেণ্ড ক্লাচ ফাৰ্ষ্ট হৈছো ভাই, মইতো বেহেস্তত আছো যেন লাগিছে। পলাশৰ গাত ধৰি হাচানে এটা সৰু ল'ৰাৰ নিচিনাকৈ জপিয়াবলৈ ধৰিলে।

দিপামণিৰ ৰিজাল্ট পাইছ? তাই ইকন'মিক্সত ইউনিভাৰচিটিৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰ পাইছে আৰু তইতো ভাই ফাৰ্ষ্টক্লাচ পাইছ!

ৰ, চোন ৰ। ইমান অধৈৰ্য্য নহবি। ইয়াৰ পিচৰখিনি ভাব। দিপামণিয়ে বা কি কৰে এতিয়া।

একমুহূৰ্ত্তত পলাশৰ মৰমলগা, ভাবুক চকুদুটালৈ চাই সি হু-হুৱাই হাঁহি দিলে......

তই চিন্তা নকৰিবি দোস্ত। দিপামণি ইমান থাৰ্ডক্লাচ ছোৱালী নহয় যে......

ৰ, ৰ। পলাশে হাচানৰ বাক্যটো সম্পূৰ্ণ হ'বলৈ নিদি চিঞৰি উঠিল। তাৰ ধৰা পৰি লাজ লাগিছিল। অ' পাহৰিছোৱেই। যোৱা সপ্তাহত তাইক ডিব্ৰুগড়ত লগ পাইছিলো। তোক খুউব সোনকালেই সিহঁতৰ ঘৰলৈ মাতিছে। আচ্ছা কচোন। এতিয়া পিছে তই কি কৰিম বুলি ভাবিছ।

মই ভাবিবই পৰা নাই হাচান। দেউতাৰয়ে বৰ কষ্ট হৈছে। আঠশ টকাৰ চাকৰিটোৰে কোনফালে চাব? ইউনিভাৰচিটি পঢ়িবলৈ মোকতো বহুত টকা লাগিব। ইয়াৰ চেকেণ্ডাৰী পাছ কৰাৰ পাছত আকাশকো যথেষ্ট টকা লাগিব। নাই হাচান মই আৰু নপঢ়ো। তাতকৈ আকাশেই পঢ়ক। মই কৰবাত যোগাযোগহে কৰো বুলি ভাবিছো।

হাচানে একো ক'ব পৰা নাছিল। তাৰো সমস্যা আছে। কিন্তু সেইখিনি চিন্তা কৰিবলৈ ককায়েক দুটা আছে। মেধাবী পলাশৰ শিক্ষা সেইখিনিতেই যতি পৰা দেখি তাৰ মনটোৱে উচুপিছিল.....

পিছদিনাই পলাশ লক্ষীমপুৰ পালেগৈ। দিপামনি ঘৰতেই আছিল। বহুসময় নীৰৱ হৈ থকাৰ পিছত দিপামণিয়ে সুধিছিল....

পলাশ! এতিয়া কি কৰিম বুলি ভাবিছা? পঢ়িবানে আৰু?

নাই দিপামণি। মোৰ লগত দেউতাই বহুত কষ্ট কৰিলে, আৰু কষ্ট দিয়াৰ কথা মই ভাবিবই পৰা নাই। তাৰোপৰি দেউতাৰ আৰু এবছৰেই নাই অৱসৰ ল'বলৈ। তেনেস্থলত মই আকৌ পঢ়িবলৈ ললে ঘৰখন কেনেকৈ চলিব? আকাশক কোনে পঢ়াব?

দিপামনি নিঃশব্দে ৰৈ আছিল।

তুমি যি ভাল দেখা কৰা পলাশ।

আৰু তুমি পিছে কি কৰিম বুলি ভাবিছা দিপামনি?

মই পঢ়িম বুলিয়েই ভাবিছো। মা'দেউতাইও পঢ়াৰ কথা কৈছে। কিন্তু পলাশ......

কি?

ইউনিভাৰচিটিত মই যে বৰ নিঃসঙ্গ হৈ যাম।

পলাশৰ মনটোৱে দিপামণিৰ দুখখিনি বুজিছিল। অথচ সি কৰিবইবা কি?

পলাশ! তুমি কিন্তু মোৰ ওচৰলৈ গৈ থাকিব লাগিব।

মই যাম দিপামণি। কিন্তু তোমাৰ মা'-দেউতাই যদি

ভুল বুজে ?

নহয় পলাশ, মোৰ মা'-দেউতা অন্ততঃ অহঙ্কাৰী মনোভাৱৰ নহয়। মই ইতিমধ্যেই মোৰ সিদ্ধান্তৰ কথা তেওঁলোকক জনাইছো।

সঁচা পলাশ !! সেই সৰল, উচ্চ মনটোক দিপামনিয়ে কেতিয়াবাই মূল্য দিছে। .........

... ... ... ... ...

ভৱিষ্যতৰ সপোন একেলগেই দেখাৰ প্ৰতিশ্ৰুতি দি দিপামণি এদিন দিল্লী ইউনিভাৰচিটিলৈ গুচি গ'ল। পলাশে ইতিমধ্যেই হাজাৰ চেকেণ্ডাৰী স্কুল এখনত জইন কৰিছিল। গতানুগতিক ভাৱেই এটা বছৰ পাৰ হৈ গ'ল। তাৰ পিছতেই আহিল সেই কালনিশাটো, যি পলাশৰ পৰা গতিশীলতাক কাঢ়ি নিলে। যোৰহাটৰ কোনোবা বন্ধুয়েকৰ বিয়া খাবলৈ সি ৰাতিপুৱাই হাচানৰ লগত স্কুটাৰ লৈ ওলাই গৈছিল। ৰাতি আঠমান বজাত সিহঁত আহিবলৈ ওলাল। বিয়া ঘৰত থাকিবলৈ সকলোৱেই জোৰ কৰিছিল। কিন্তু পলাশে অসুখীয়া দেউতাকক এৰি থাকিব নোৱাৰে। আকাশো ঘৰত নাই। বন্ধুয়েকৰ নেৰানেপেৰা অনুৰোধত হাচান থাকিবলৈ মান্তি হ'ল। পলাশে অকলেই স্কুটাৰ লৈ গুচি আহিল। বিয়াঘৰৰ পৰা প্ৰায় দুইকিলোমিটাৰমান আহিয়েই সি দেখিছিল ট্ৰাক এখনৰ হেড লাইটৰ তীব্ৰ পোহৰ। তাৰপাছত আৰু তাৰ মনত নাই। সম্পূৰ্ণ এটা দিন অজ্ঞান হৈ সি মেডিকেলত পৰি থাকিল। ভৰিৰ আঙুলি চাৰিটামান চিঙি কৰবাত পৰি গৈছিল। সম্পূৰ্ণ পাঁচটামাহ মেডিকেলত কটাই এটা ঘূণীয়া শৰীৰ লৈ পলাশ ঘূৰি আহিল পদুমনিলৈ। নীৰৱ, শুকান মুখখন দেখি মাক অজ্ঞান হৈ পৰিছিল। পলাশ বোবা হৈ গৈছিল ভৱিষ্যতৰ কথা ভাবি, ঘৰখনৰ কথা ভাবি।

হাচানে পলাশৰ অসুখ বুলি দিপামণিলৈ খবৰ পঠাইছিল। দিপামনিহঁতৰ ঘৰত পলাশৰ দুৰ্ঘটনাৰ কোনো খবৰ পোৱা নাছিল। খবৰ পোৱাৰ কেইদিনমানৰ পিছতেই দিপামনি পদুমণি পালেহি। হাচানো দিনে ৰাতিয়ে তাতেই ব্যস্ত হৈ আছিল। নিস্তেজ হাঁহি এটাৰে সি তাইক সম্ভাষণ জনালে।

ভালে আছা দিপামণি ?

অ' হাচান। পলাশ ক'ত আছে ? অসুখ বেছি নেকি ?

সি একো নকৈ নীৰৱে তাইক পলাশৰ ওচৰলৈ লৈ গ'ল। সমগ্ৰ শৰীৰটো স্কাৰ্ফ এখনেৰে ঢাকি সি শুই আছিল। দিপামণি চমকি উঠিল। সকলোৰে নীৰৱ মুখবোৰ প্ৰত্যক্ষ কৰি।

পলাশৰ হৈছে কি ? পলাশ, মই দিপামণি আহিছো। চোৱা পলাশ, সি চকুমেলি তাইলৈ চাইছিল। একো কব পৰা নাছিল সি। শুষ্ক চকুতুটাৰ কোণত অবুজ ভাষাবোৰ থমকি ৰৈছিল।

তোমাৰ কি হৈছে পলাশ ! নামাতা কিয় ? আই, হাচান, পলাশে কিয় কথা নকয় ?

হাচানে নীৰৱে পলাশৰ গাৰ স্কাৰ্ফখন গুচাই দিলে ? ওলাই পৰিল বেণ্ডেজেৰে মেৰিয়াই ৰখা এটা ঘূণীয়া শৰীৰ।

পলাশ !! এইয়া তোমাৰ কি হ'ল ? সশব্দ কান্দোনত দিপামনি ভাগি পৰিল। তাইক শান্তনা দিবলৈ সেইখিনি সময়ত কোনো প্ৰস্তুত নাছিল। পলাশৰ মাকক সাৱতি ধৰি বহুদেৰি উচুপি থকাৰ পিছত তাই পলাশৰ ওচৰলৈ আহি শুকান মুখখন চাই থৰ হৈ ৰৈ গ'ল। তাৰপিছত আলফুলকৈ পলাশৰ মূৰত হাতখন বুলাই তাই ওলাই আহিল কাকো একো নোকোৱাকৈ ......

.... ... ... ... ... ...

ঘৰলৈ আহি তাই দিল্লীলৈ ঘূৰি নোযোৱাৰ সিদ্ধান্ত লৈছিল। সম্পূৰ্ণ এটা ৰাতি উজাগৰে বহি বহি কটাই তাই নিজকে প্ৰস্তুত কৰিছিল এটা নতুন পৰিস্থিতিৰ বাবে। পলাশৰ লগত তাইৰ যি সম্বন্ধ গঢ়ি উঠিছিল সেই সম্বন্ধ শৰীৰৰ তাগিদাত গঢ়ি উঠা নাছিল উঠিছিল হৃদয়ৰ তাগিদাত। আত্মাৰ সেই সত্যক অস্বীকাৰ কৰি দিপামনি স্বাৰ্থপৰ হ'ব নোৱাৰে। কোনোদিন নিজৰ সুখৰ বাবে এখন ঘৰৰ এটা হেঙুলবুলীয়া সপোন মাজ সাগৰৰ বুকুত দলিয়াই দি তাই ভীৰুৰ দৰে পলাই যাব নোৱাৰে। পলাশৰ অবিহনে আন্ধাৰ হৈ যোৱা সেইখন ঘৰৰ চৌপাশ উজলাই তুলিবলৈ এতিয়া যে বহুত পোহৰৰ প্ৰয়োজন। দিপামনিৰ ত্যাগৰ বিনিময়ত

যদি সেই পোহৰ প্ৰবাহিত হয় তেন্তে দিপামনি সুখী নোহোৱাৰ কোনো প্ৰশ্ন নাই। দিপামনিৰ ত্যাগ, প্ৰেমেৰে এটা সপোন জীপাল হৈ থাকিব চিৰদিন।.........

তাইৰ সিদ্ধান্তৰ কথা ঘৰত জনাইছিল। মাক-দেউতাকে একো কব পৰা নাছিল। মাকে নিৰৱে উচুপিছিল, দেউতাক ৰাতি বহুদেৰীলৈকে ঘৰ সোমোৱা নাছিল। পিচদিনা ৰাতিপুৱাই গা-ধুই দিপামনি গোঁসাই ঘৰত সোমাল। পাটৰ মেখেলা-চাদৰ পৰিহিতা দিপামনিক গোঁসাই ঘৰৰপৰা ওলাই অহা মাত্ৰকে মাকে সাৱতি ধৰিলে...... ..

মাজনী! তই সঁচাই যাবলৈ ওলালি?

অ' মা। মোক তোমালোকে বাধা নিদিবা মা'। পলাশৰ অবিহনে সেইখন ঘৰ অন্ধকাৰ হৈ যাব মা'। আকাশৰ ভবিষ্যত শেষ হৈ যাব।

কিন্তু মাজনী!.........

দুখ নকৰিবা মা'! ইয়াত দুখ পাবলগীয়া একো নাই। তোমাৰ ছোৱালী আজি এখন আন্ধাৰ হৈ যাব ধৰা ঘৰলৈ এগছি চাকি হৈ যাবলৈ ওলাইছে, আৰ্শীবাদ দিয়া মা'।

দেউতা ক'ত?

দেউতাক নীৰৱ হৈ বহি আছিল। নিৰৱেই দিপামনিৰ মূৰে-গালে হাতফুৰাই বেথেত ভিতৰলৈ সোমাই গ'ল। প্ৰথম শৰতৰ সেই নিয়ৰ সেমেকা পুৱাটো আন্দোলিত কৰি, মাক-দেউতাকৰ আৰ্শীবাদ শিৰত তুলি দিপামনি ওলাই আহিল......প্ৰেমেৰে, ত্যাগেৰে এখন আন্ধাৰ মজিয়া আলোকিত কৰি তুলিবলৈ।.........

... ... ... ...

দূৰ-দিগন্তত স্মৃতিৰ ৰেণু বুটলি বুটলি শলাশ খিৰিকী-খনৰ কাষত নিশ্চুপ হৈ বহি আছিল। আকাশত মাৰ যাব খোজা বেলিটোৰ ৰাঙলী ৰহন বিয়পি পৰিছে আৰু অলপ পাছতেই সাঁজ লাগিব।

হাচানে পলাশৰ মাকৰ লগত ভিতৰৰ মজিয়াত কিবাকিবি কথা পাতি বহি আছিল। তেনেকুৱাতেই পদূলী মুখত গাড়ী ৰোৱাৰ শব্দ শুনি হাচান লৰালৰিকৈ ওলাই আহিল। পদুলীলৈ দৃষ্টি দি সি ৰৈ গ'ল দুৱাৰমুখতেই। গাড়ীৰ পৰা নামি চুটকেছ এটা হাতত লৈ দিপামনি ধীৰ খোজেৰে সোমাই আহিছে। হাচান আগবাঢ়ি গ'ল।

দিপামনি, তুমি?

অ' হাচান, মই একেবাৰেই গুছি আহিছো।

পলাশৰ মাকো ওলাই আহিছিল। দিপামনিক দেখি থমকি ৰ'ল।



উঠ মা'! তই কিয় গুছি আহিলি? এটা পঙ্গু, অসুস্থ..................

মাজনী !

আই ! চুটকেছটো মাটিত লৈ তাই মাকৰ ভৰিদুটা চুই সেৱা কৰিলে । পলাশৰ মাকে কিবা এটা বুজিছিল কিন্তু দিপামণিক বাধা দিব পৰা নাছিল ।

উঠ মা ! তই কিয় গুছি আহিলি ? এটা পঙ্গু, অসুস্থ ল'ৰাক······· ····

নহয় মা' । পলাশ পঙ্গু নহয়, অসুস্থ নহয় । মোৰ মাজেদিয়েই পলাশ সুস্থ হৈ জীয়াই থাকিব । মাকে তাইক সাৱটি ধৰি উচুপি উঠিল । হাচানে তাইৰ চুটকেছটো লৈ ভিতৰলৈ সোমাই গ'ল । দুখ-আনন্দৰ আতিশয্যাত তাৰো দুচকু সেমেকি উঠিছিল ।

পলাশ ! দিপামণিৰ মাতত সি তাইলৈ ঘুৰি চালে । বিস্ময়ত সি হতবাক হ'ল ।
ইকি দিপামণি তুমি ?
অ' পলাশ ! মই একেবাৰেই গুছি আহিছো ।
দিপামণি ! পলাশে আৰ্তনাদ কৰি উঠিল ।
ইয়াত তুমি কি পাবা দিপামণি ? মোৰ যে এতিয়া তোমাক দিবলৈ একো নাই··· ··সকলো শেষ হৈ গ'ল । নহয় দিপামণি, জানি শুনি একুৰা জীয়া জুইত জাপ নিদিবা। সময় অতীত হোৱা নাই দিপামণি, তুমি উভতি যোৱা·· ···

নহয় পলাশ ! দিপামণিয়ে মাথো হৃদয় বিচাৰে, আস্থা বিচাৰে । কিয় তোমাৰ সকলো শেষ হৈ যাব ? তোমাৰ হৃদয় লৈয়েই দিপামণি জীয়াই থাকিব । মোৰ কাষত থাকি তুমি মাথো প্ৰেৰণা দিবা পলাশ ! মই তোমাৰ পৰা এমুঠি পবিত্ৰ মৰমৰ বাহিৰে কোনোদিনে একো বিচৰা নাছিলো ····নিবিচাৰো । মোক জানো তুমি ইয়াৰ পৰাও বঞ্চিত কৰিবা ??

দিপামণি !·····

ওচৰৰ নামঘৰত সন্ধিয়াৰ ডবা বাজিছিল·· বতাহত ধূপ-ধূনাৰ পবিত্ৰ সুঘ্ৰাণ উপঙি আহিছিল··· ··

.. .. ... ... ... ... ...

দাদা ! মধুৰ মাতত পলাশ বাস্তৱলৈ ঘুৰি আহিল ।

দাদা, অথনিৰেপৰা মাতি আছো শুনা নাইনে ? কিনো ভাবিছে ইমানকৈ ? নবৌ পাবহিয়েই এতিয়া । বলক, অলপ বাহিৰত বহিব । পলাশক ধৰি ধৰি সি বাহিৰলৈ লৈ আহিল । বাহিৰত তেতিয়া নিজম দুপৰীয়া । ···পথাৰৰ মাজৰ কেঁচা আলিটোৰেদি ছাটি এটা লৈ আহি থকা দিপামণিৰ চকুৰ মণিত এমুঠি স্থিৰ প্ৰত্যয় মুকুতা জিলিকাদি জিলিকিছে ·····

··য'ত···পলাশৰ হৃদয় আছে···সপোন আছে··· ।

# এক পৃষ্ঠা অকথ্য

সংগ্ৰাহিকাঃ মিচ্ ইন্দিৰা শইকীয়া
স্নাতক ২য় বাৰ্ষিক (কলা)

- টকা পইচাৰ লেনদেন বন্ধুৰ লগত কৰা উচিত নহয়।
- বাচি থাকিবলৈ খাবা। খাবলৈ বাচি নাথাকিবা।
- নিজৰ কাৰণে খায়; আনৰ কাৰণে কাপোৰ পিন্ধে।
- গোলাপৰ নাম মদাৰ ৰাখিলেও তাৰ সৌৰভ নেহেৰায়।
- যেতিয়া কোনো নাৰীয়ে আপোনাৰ লগত কথা পাতে; তেতিয়া তেওঁৰ চকুৱে কি কয় বুজিবলৈ চেষ্টা কৰক।
- শগুন যিমানেই ওপৰলৈ নাযাওঁক তাৰ দৃষ্টি সদায় মৰাশৰ ওপৰত।
- খুচুৰা খৰচ সুপ্ত শত্ৰুৰ দৰে।
- তিতাকেৰেলা তিতা বুলিয়েই মানুহে খায়; মিঠা বুলি কেতিয়াও নাখায়।
- পৰাজয়; ভুল; অকৃতকাৰ্য্য— এই তিনিটাৰ সমষ্টিহে জীৱন।
- আকালত পৰিলেও সিংহই ঘাঁহ নাখায়।
- অতি কথকীক কথাই খায়।
- পৃথিবীত সহজে ঠগাব পৰা মানুহজন নিজেই।



# কবিতা



মই জনতাৰ কবি
জনগণৰ কণ্ঠই কঁপাই তোলে মোৰ কণ্ঠ
বুকুৰ অভেদ্য দেৱাল ভাঙি
মই প্ৰেম আৰু আশাৰ গান গাওঁ
গাঁৱে গাঁৱে নগৰে চহৰে নদীৰ গতিৰে—
প্ৰতিজনৰ
তেজৰ প্ৰবাহে প্ৰবাহে আলোড়িত কৰি
যাওঁ
জীয়াই থকাৰ গান ।

# কবিতা ৰচনাৰ প্ৰাক্‌মুহূৰ্তত

□

মনোৰঞ্জন হাজৰিকা
(বুৰঞ্জী বিভাগ)
২য় বাৰ্ষিক, স্নাতক মহলা (ক'লা)

নিশা ডেৰটা বাজিল ।
চাৰিওফালে
নিমাত, নিস্তব্ধ
দিনৰ কোৢালবোৰ ।
হঠাৎ কুকুৰবোৰে ৰাউচি জুৰিল ।

চাৰিওফালে
নিমাত, নিস্তব্ধ
পৃথিৱীখন সাৰ পাই উঠিল ।
হঠাৎ—
এয়া কাৰ পদধ্বনি ?
পলাতক কয়দীৰ নে ?
অশৰীৰ আত্মাৰ ?
পল পল কৰি বাগৰিল
নৃশংস অন্ধকাৰবোৰ নিশাৰ গৰ্ভত ।

০ ০ ০ ০ ০

এটা বন্ধ কোঠালীৰ ভিতৰত
মই বহি আছোঁ,
কবিতা ৰচাৰ আশাত
নিশাৰ শেষ মুহূৰ্তত ।
নিশাৰ সোৱাদ লোৱা
এখন গাড়ী ৰ'লহি
মোৰ ঘৰৰ সন্মুখত ।

বেৰৰ ফাঁকেদি চালোঁ
গাড়ীখন নগৰীৰ উচ্চপদস্থ বিষয়াৰ ;
সেইকাৰণে—
মই ওলাই আহিলোঁ,
জপনা মুখলৈ—
হয়তো,
মোক দেখি, গাড়ীখন
নিশাৰ অন্ধকাৰ ভেদি
আগবাঢ়িল ।

০ ০ ০ ০ ০

তাৰপাছত—
চাৰিওফালে
নিমাত, নিস্তব্ধ
এক জয়াল পৰিৱেশ ।
কিন্তু, এয়া কি ?
টৰ্চৰ পোহৰত জিলিকি উঠিল
এটি নগ্ন নাৰীদেহ ।
ওচৰলৈ লৈ দেখিলোঁ,
এয়াচোন মোৰ
অতিকৈ মৰমৰ, অতিকৈ চেনেহৰ
চন্দ্ৰমা-শীতল যেন ছৱিটি যাৰ,
মই হুকহুকাই কান্দি পেলালোঁ ।

০ ০ ০ ০

আকৌ—
চাৰিওফালে
নিমাত, নিস্তব্ধ
পৃথিৱীখন ঘোৰ টোপনিত লালকাল ।
মাথোন,
সাৰে আছোঁ ।
মই
আৰু
মোৰ ধৰ্ষিতা কবিতা । □

# আশাৰ চলকঢৌ

প্ৰদীপ কুমাৰ গোঁহাই
স্নাতক তৃয় বাৰ্ষিক (বিজ্ঞান)

আশাৰ চলকঢৌত ভৰাই নাচিলো
মোৰ স্মৃতি হেৰাই গৈছে
মানুহৰ দাপোনৰ পৰা।

মানব দৃষ্টিত যদিও অপৰাধী
ভগৱানৰ দৃষ্টিত নিৰপৰাধী।

নধৰে মোৰ আনন্দ মেলা
অথচ বেদনাৰে ভাৰাক্ৰান্ত ;
মোৰ কান্দোন আৰু চিৎকাৰত
অজস্ৰ মানুহে প্ৰশ্ন কৰে ...।

কিন্তু মোৰ প্ৰত্যুত্তৰ
কোলাহলৰ মাজত হেৰাই গ'ল।

নিষ্ঠুৰ অনুভূতিয়ে জোকাৰি
পেলালে মাথো—
মোৰ কণ্ঠৰ ৰুদ্ধতা।

হেৰুৱাৰ বেদনাৰে অন্তৰভাগি
ৰিক্ত বেদনাই মাথো হাহাকাৰ কৰে।

আশা আছিল এজাক মিঠা বদৰ ;
প্ৰত্যাশাৰ জীৱ নোল্লাসত
দগ্ধ হলো নিজেই।

তলসৰা শেৱালী বুটলিব জানো ?
কোনোবাই কোচত ভৰাই।

হায় ! জীৱনৰ পূৰ্ণতাৰ
জোনাক তুপৰ নিশাত
মাথো চাই ৰ'লো—
লক্ষ্যহীনে উৰি ফুৰা সৰু সৰু
এচমকা শুকুলা ডাৱৰ ॥ □

# শৰৎ

কুমাৰ ভূষণজ্যোতি অনিঃকৈ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

এতিয়া তাইৰ অভিমান
আৰু এখোপ চৰিল,
ৰেলি তুপৰলৈকে এৰিব নোখোজে
ওৰণীখন।

## টুকুৰা ছবি

**মনোৰঞ্জন ফুকন**
স্নাতক ২য় বাৰ্ষিক (কলা)

বতাহত
বৰষুণ ।
বিজুলিত
বজ্ৰপাত ।
আনন্দত
হাঁহি ।
দুখত
চকুলো
তুমি
মৰম ।
আৰু
মোৰ স্মৃতিত
অতীত,
বৰ্ত্তমানত
মই
ভবিষ্যত
আশাবোৰ ।

## সন্ধান




**শ্ৰীমতী মীনা মেছ**
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

কবিতাৰ লহৰ
কিম্বা
গীতৰ গভীৰত
লুকাই লুকাই
মনে মাখো
তোমাকেই বিচাৰে ।

স্ৰোতস্বিনীৰ গতিত
শুকুলা মেঘৰ ছাঁত
জোনালী নিশাৰ আৰতি ।
বতাহৰ বুকুত
তোমাৰ হৃদয় সংবাদ—
আশাৰ শেৱালী ফুলে য'ত
প্ৰভাতী সমীৰণত ॥

# অন্তৰঙ্গ এদিন

হিতেন্দ্ৰ কুমাৰ গগৈ
প্ৰাক্তন ছাত্ৰ



বুকুজুৰি উঠুলি মুঠুলি
উজান দিয়া
তেজীমলা ঘাটৰ উৰুলী
শইচ চানেকীয়া
তোমাৰ দুখনি হাতত
তিলোত্তমা পুঁৰতি  +++
জীপাল ডুভৰিত
নিতৌ সাৰ পাই
দূৰ-দূৰণি জুৰি
তেজৰ সোৱাগমনি
বুকুৰ ৰ'দৰ প্ৰবাহিত নদী  +++

# প্ৰেমৰ অন্যনাম

ৰিণ.জ্ বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

ওচিন চৰাইৰ মাতত টোপা-টুপে
স্মৃতি সৰে শূন্য ডুচকুৰ,
আকাশখনত পাত পাতকৈ চালো
মোৰ প্ৰেম তাত নাই,
জোনাকীৰ মত লীয়া ৰঙতো মই নেপালো।
অজানিতে সোমোৱাৰ দৰে
মই হেলাৰঙেই ওলাই আহিব পাৰো
সোনবোলীয়া তোমাৰ প্ৰাণৰ পৰা;
প্ৰেম নামৰ ৰং উৰঁলা ছবিখনত
ইতিসাহৰ কোনো প্ৰশ্নই নুঠে,
তুমি জীৱনৰ জয়গান গাবও পাৰা
তুমি লিখিবওতো পাৰা ৰ'দৰ চিঠি,
য'ত থাকিব নোকোৱা শব্দৰ বাক্য ৰচনা
ৰ'দ মানেই প্ৰেম, আৰু
প্ৰেমৰ অন্য নাম এচেৰেঙা ৰঙা ৰ'দ॥

# প্ৰত্যাশা

প্ৰদ্যুৎ ৰঞ্জন ঘৰফলীয়া
৩য় বাৰ্ষিক (কলা)

(ঋতুৰ তিনিটি কবিতা)

(এক)

আইৰ তাতশালৰ
মাকোৰ ছন্দত
সৰি পৰে সময়।

ফাগুনৰ পছোৱাৰ সতে
মোৰ হৃদয়ৰ দুখবোৰ
উৰি নগল দেখোঁ।

(দুই)

বাঢনী পানীয়ে সিচি গ'ল
মোৰ পথাৰত
এপথাৰ পলস;
মোৰ হৃদয়ত এইবাৰ
প্ৰেমৰ গজালি
লহপহকৈ বাঢ়িছে।

(তিনি)

বহাগত,
এইবাৰ হেনো চেনেহীয়ে
মোক এটি
মিঠা হাঁহি
উপহাৰ দিব।

সন্মুখত বৈ আছে চেনেহীৰ
যৌৱনা মুৰ্খ।

# ৰূপান্তৰলৈ

**মিছ দিপালী লাহন**
স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক
(কলা বিভাগ)

ৰূপান্তৰ তুমি আহিবা
বৰদৈচিলা হৈ
ভদ্ৰতাৰ মুখা পিন্ধা ভণ্ডহঁতৰ
ভণ্ডামী আঁতৰাবলৈ
ন-ৰূপেৰে তুমি আহিবা ।

শতাব্দীৰ অৰ্থহীন শব্দৰ আবাজ
এতিয়াও বাজি আছে ।
স্বাৰ্থলোভহঁতৰ লোলুপ দৃষ্টিত
অভিনেতাৰ সফল ভাত
সন্মুখত মূক দৰ্শক অবাক বিস্ময়ত ।

ৰূপান্তৰ, তুমি আহিবা
মানবান হৈ পৰা সপোনক
ন-ৰূপেৰে দেখুৱাবা
ভগ্ন হৃদয়ৰ বেদনা আঁতৰাই
প্ৰেমৰ জ্যোতি সিঁচিবা
ৰূপান্তৰ তুমি আহিবা ।

আইৰ পূজাৰ বেদীত
শ্বহীদৰ কেঁচা তেজ
আজিও ঘোঁচ খোৱা নাই ।

শৃঙ্খলিত আইক জীয়াই ৰাখিবলৈ
লাখ-লাখ ৰক্তবীজৰ তেজ ধাৰণ কৰিম ;
হেপাহেৰে আইক নমাই আনিম
সভ্যৰ দেশলৈ ।

ৰূপান্তৰ, তুমি আহিবা
ন-অসম গঢ়িবলৈ
কুলি-কেতেকীৰ মধুৰ কাকলিতে,
জেতুকাৰ ৰঙেৰে ৰাঙলী হৈ তলোৱা
ঢুলিয়াৰ ঢোল ডালে কৰি বাবলৈ
ৰূপান্তৰ, তুমি আহিবা ।

অৰ্থহীন শব্দৰ আবাজ তুলি
শুই থকা ভণ্ডহঁতক
মৰিমূৰ কৰিবলৈ
বাঘজৰী হাতত লোৱ ।
জ্যোতিৰ কিৰণেৰে জনতাক জগাবলৈ
ৰূপান্তৰ তুমি আহিবা ।

দেশৰ বুকুৰ সুপ্ত চেতনাক
উদ্দীপ্ত কৰি তুলিবলৈ
ৰূপান্তৰ তুমি আহিবা ।
শাওনৰ জুই লগা
ৰঙা বেলিৰ আঁৰতো
ওলাওঁক অসমীৰ সন্তান
হেৰুৱা মাতৃৰ স্থিতিৰ অস্তিত্ব বিচাৰি ।

## স্বাধীনতাৰ সংজ্ঞা

যতীশ বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

যোৱা চল্লিশ বছৰে মই
স্বাধীনতাৰ সংজ্ঞা বিচাৰি ফুৰিছো
স্বাধীনতাৰ সংজ্ঞা বিচাৰিলেই
দেখা পাওঁ—
ৰাইফলৰ নলীৰ আগত
নীলা নীলা কিছুমান শিখা
আৰু কিছুমান মুমূৰ্ষ আৰ্তনাদৰ মিছিল
সংগীন আৰু বেতৰ নিৰ্মম আঘাতৰ সৈতে
সৰু সৰু মানুহৰ
এখনি জুইয়ে লিখা জীৱনী

তথাপিও
স্বাধীনতাৰ সংজ্ঞা মই বিচাৰি ফুৰিছো
দলিত, নিষ্পেষিত মানুহৰ পঁজাবোৰত,
নগৰৰ ফুটপাথবোৰত
আৰু
নিৰ্ব্বাচনী ভাষণ বোৰত ।
বিচাৰি পালো স্বাধীনতাৰ সংজ্ঞা
মোৰেই হৃদযন্ত্ৰ ভেদী পাৰ হৈ যোৱা
তপত বুলেটৰ আঘাতত
কাৰণ মোৰ বুলেট প্ৰুফ
জেকেট নাই ॥

## সকিয়নি শেষবাৰলৈ

নবকুমাৰ চিৰিং
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ধৰ্ষিতা হল বহু ভগ্নী অসমীয়া তোৰ
হোৱা নাই এতিয়াও তোৰ প্ৰতিজ্ঞা পূৰ,
জাতিৰ বাবে আজি তই হবই লাগিব নিষ্ঠুৰ
প্ৰকৃত স্বাধীনতাৰ শিখৰ পাবলৈ আছেযে বহুদূৰ ।

গুলীৰ প্ৰত্যুত্তৰ নিশ্চয় গুলীৰ
ইতিহাসে ইয়াক চিঞৰি কয়,
ৰক্তাঞ্জলী দে কেঁচা কলিজাৰ
অসমী আইৰ চৰণ ধুৱাই ।

কিহৰ দুখত উচুপে মোৰ অসমী আই
অসমীয়া তোৰ ভাবিবৰ কিয় আহৰি নাই;
সকিয়ালো তোক পুনৰ আজি শেষবাৰ
সশস্ত্ৰ সংগ্ৰামৰ বিনে গত্যন্তৰ নাই ●

# পঞ্জাৰৰ সোঁৰৰণত

মনোজ কুমাৰ নাথ
ত্ৰিবৰ্ষীয় স্নাতক পাঠ্যক্ৰম (বিজ্ঞান)

( Death is not accident )

জৈৱিক নীৰৱতাৰ
ক'তো কোনো সুৰুঙা নাই
আওমৰণে কোনো নমৰেনে— এটা শব্দ, এটা ক্ষণ (?)
কোনে বিচাৰি পায় মৃত্যু
এহাল হিংস্ৰ চকুত
অথবা এটা বন্দুকৰ নলত ?
মনবোৰ, হাতৰ শক্তিবোৰ
একোটা বিষধৰ সাপ
দংশিত হৈছে বিবেক আৰু চৈতন্য
ধৰ্ম বিচাৰিছা ? কিন্তু কাৰ নামত ?
স্বৰাজ লাগে ? কিন্তু কিহৰ বিনিময়ত
হিংস্ৰতা আৰু সশব্দতাৰ কবলত
সময়ৰ অপমৃত্যু
কোনে বন্দী কৰিব পাৰে মৃত্যু
এটা বোমা
অথবা এটা মৃতদেহৰ মাজত ?
মৃত্যু মানে মৃতদেহ নহয়
মৃত্যু জানো এক দুৰ্ঘটনা ⋯ ?

# পৃথিৱীৰ আৱৰ্জনাৰ মাজত


গোলাপ সন্দিকৈ
স্নাতক দ্বিতীয় মংলা (কলা)

পৃথিৱীৰ আৱৰ্জনাৰে আৱৰা ভাষা-সংস্কৃতিৰ মাজত
মই আগুৱাইছো নেলি, চিলা-পথাৰ, গহপুৰৰ দৰে
ঘটনাৰ কৱলত পৰিবলৈ'।
তোমালোকক কি দৰে বুজাওঁ ?
এই ভাতৃঘাটী, প্ৰাণঘাটীৰ আতিশয্যাৰ কথা,
হে উত্তৰপুৰুষ, তোমালোক কলংকিত ইতিহাসৰ বুকুত⋯ ??
মোৰ কলম কিছুপৰ স্তিমিত হ'ল
উনৈশ তিৰাশীৰ কুঁহিপাতত।
জাতি সম্প্ৰদায়ক ক্ষুদ্ৰ কৰা পেটৰ ক্ষুধাও বিপন্ন,
সলীল সমাধিত নাচিলে সম্প্ৰতিৰ বন্ধন⋯⋯।
এইয়া মই ক'ত আছোঁ⋯⋯ ?

# আজি ওৰে নিশা লেখিম কৱিতা

যতীন মৰাণ

হে সময়,
আজি ওৰে নিশা লেখিম কৱিতা
শব্দৰ মুষল ধাৰাত ভাগি পৰক
অন্ধকাৰৰ কাৰাৰ দেৱাল
বৃষ্টিৰ শীতলতাত তৃপ্ত হওঁক
ৰৌদ্ৰ দগ্ধ জীৱনৰ প্ৰতিটো প্ৰহৰ
মোক নালাগে সেই অঘৰী কবিৰ ঠিকনা
লাগে মাথো তৰা বছা নিশাৰ পৰীৰ কণ্ঠৰ
সুষমা
মই হৃদয়ৰ লৌহ কপাট খুলি উন্মোচিত
কৰিব খোজো
সঁজাল ধৰা এক বিস্তীৰ্ণ প্ৰেমৰ উদ্যান
মই স্পৰ্শ কৰিব খোজো অতনু প্ৰেমেৰে
ষোড়শী পৃথিৱীৰ প্ৰতিটো অমল অণুক
মই এক হৈ যাব খোজো নদীৰ দৰে নীৰবে
কোনোবা প্ৰেয়সীৰ কোমল এযুৰি ওঁঠৰ
সতে
হে সময়,
আজি ওৰে ৰাতি লেখিম কৱিতা।



# মৃত্যুক সমৰ্পিত

পিৰামী পুৰকায়স্থ
স্নাতক ২য় বাৰ্ষিক (কলা)
বুৰঞ্জী বিভাগ

মৃত্যুক সমৰ্পিত প্ৰতিটো ৰাতি
কেনেভাৱে পূৱতি হয়!
সূৰ্য্য উদিত হয় লুইতৰ সিপাৰে
কেনেভাৱে প্ৰিয় মুখ প্ৰতিটো সন্ধিয়াত প্ৰিয়তৰ হয়।
এতিয়া মোৰ তেজত অসম্ভৱ শিথিলতান
এক মাৰাত্মক ৰোগৰ বীজানু
বৈ গৈছে প্ৰতিক্ষনে।

কিয় নুবুজা!
এই শতাব্দীৰ শ্ৰেষ্ঠ পুৰুষ মই
অৰ্জুনোৰো অধিক
চাৰিওফালে অজস্ৰ স্মৃতিময়
কমলা ৰঙৰ সূৰ্য্য
অথচ সপোনৰ মাজত নিঃসাৰে পৰি থাকে
ছত্ৰপতিৰ দিন।
মৃত্যুক সমৰ্পিত ৰাতিৰ প্ৰীতি উপহাৰ
পাওঁ, সতেজ ৰঙা গোলাপৰ কলি!
ছত্ৰপতিৰ মৃত্যুক সমৰ্পিত ৰাতিৰ ৰঙ।

# হুমুনিয়াহ

ৰমেন ফুকন
স্নাতক ১ম বাৰ্ষিক (কলা)



যদিওবা বৰদৈ চিলা আহিছিল।
ইয়াত—
ফাগুনৰ লঠঙা গছ,
গোটেইখন নিমাওঁমাওঁ।

সূৰ্য্যৰ স্তিমিত পোহৰত,
দেখাপাওঁ জননীৰ বিষাদমন।

ওলাবৰ হ'ল,
ক্ষন্তেক পাছতেই গুচাম,
বিষাদৰ আমোঘ ছাঁয়া।

তোমাৰ হৃদয়ত বোৱাম,
যুগৰ শীতল বতাহ।

মাথো, দিয়া প্ৰেৰণা।

# ব্লাড্‌ বেংক


হাচান ইকবাল আহমেদ
উচ্চতৰ মাধ্যমিক, ২য় বাৰ্ষিক

মই দেখা সেই
অজলা শিশুটি
আজি ভৰি দিলে /
জীৱনৰ সেই অধ্যায়ত,
য'ত থাকে
— তেজ ।

প্ৰেৰণাৰ তেজ

সংগ্ৰামৰ তেজ

আৰু
জিঘাংসাৰ তেজ ।
কালৰ গতিৰ
চাকনৈয়াত বন্দী হ'ল
তাৰ
জীৱন সত্বা ।




সি পাহৰি পেলালে
অতীতৰ সেই
সোণোৱালী দিনবোৰ,
য'ত আছিল
তাৰ জননীৰ
প্ৰতিটো
তেজৰ টোপালত
তাৰ জীৱনৰ প্ৰতিটো পল-অণুপলৰ
খীণ আশা ।

সি আজি
তেজৰ দৰ দামে মানুহ চিনা দুৱাবত / জীৱন্ত বলীয়া ।

## ক্ষুধা

বসন্ত ফুকন
স্নাতক মহলা
২য় বাৰ্ষিক (কলা)

চহৰৰ মাজত পৰি আছে
এটা জাৰৰৰ দন।

তাত পৰি আছে
এটুকুৰা ৰুটি,

আৱিৰ্ভাৱ হল—
তাত দুটা কুকুৰ,

ৰুটি টুকুৰাক লৈ—
সিহঁতৰ মাজত ভীষণ যুঁজ।

তাত আৱিৰ্ভাৱ হল—
আন এটা জীৱ,

ৰুটি টুকুৰা তুলি লৈ
উধাও হৈ গল,

চহৰৰ কোনোৱা প্ৰান্তলৈ—
তাৰ নাম হল মানুহ।

## ইতিহাস

দুৰ্লভজ্যোতি চুতীয়া
স্নাতক ২য় বাৰ্ষিক (কলা)

এখন অৰণ্য আছিল
গভীৰ অৰণ্য
তাত মানুহ নাছিল
আছিল, বনজুই খেদা আদিম মানুহ
যুঁজি যুঁজি ভাগৰি পৰা
এজাক ৰণক্লান্ত মানুহ।
সেইজাঁক ৰণক্লান্ত আদিম মানুহৰ
নতুন বংশধৰে বিছাৰি পালে
মোৰ সেউজীয়া পৃথিবীৰ
সেউজীয়া গভীৰ অৰণ্যৰ গভীৰতাত
জীয়াই থকাৰ এমুঠি প্ৰশ্ন।
কাতিৰ নিঝুম ৰাতিত নিয়ৰ সৰিছিল
ন-বহাগৰ পূৰ্ণিমাত সিহঁতে
বসুমতীৰ ৰসাল বুকুত সৃষ্টিৰ
বীজ সিঁচিছিল।
এখন অৰণ্য আছিল
এখন পথাৰ হ'ল
ইতিহাস হ'ল
মানুহৰ।

# আলোকৰ যাত্ৰা

অধ্যাপিকা ফৰিদা শুকুৰদুল্লা

"সুন্দৰেযে ফুলৰে মন্ত্ৰ অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে"।
— জ্যোতি প্ৰসাদ

........ গৈ আছো, গৈ আছো এখনি মুকলি আকাশৰ তলেদি অবিৰাম গতিত। খোজত কতো মোৰ জড়তা নাই ; বসন্তকালৰ মুক্ত বিহঙ্গৰ পাখীৰ হেন্দোলনি। হঠাতে দেখো ফৰকাল আকাশখনৰ বুকুত এচমকা ক'লা ডাৱৰ। আকাশত মেঘৰ নাচোন। টোপাটোপ বৰষুণ পৰিব ধৰিলে। মই আকাশলৈ চালো কলৈ যাও কি কৰো, এনেতে দেখো মেঘালী আকাশৰ বুকুত ডাৱৰৰ আঁৰলৈ ৰঙা বেলিটোৱে হাঁহি দিলে।

অৱশেষত গৈ গৈ পালোগৈ নীলা সেউজীয়া পাহাৰটোৰ দাঁতিতে এখনি মুকলি পথাৰ। পাহাৰটোৰ নামনিত কোমল কোমল ঘাঁহবিলাকে মোক চা মোক চা কৈ গজি উঠিছে। সেউজীয়া মুকলি পথাৰখন পাৰ হলেই পাহাৰটোৰ গাতে এখন প্ৰকাণ্ড লোহাৰ গেইট। গেইট খনৰ ডাঙৰ তলাটো দূৰৰ পৰাই চকুত পৰে। সম্ভৱ তলাটো বহুত দিন খোলা হোৱা নাই। আগলৈ যোৱাৰ পথো ৰুদ্ধ। সেউজীয়া পথাৰৰ দাঁতিয়েদি এটা সুন্দৰ ৰঙা ইটাগুৰীয়া আলি। আলিটো গৈ গৈ শেষ হৈছেগৈ ৰঙা গেইটখনৰ সন্মুখত। অলপ দূৰ গৈয়ে এটা পুখুৰী। পুখুৰীটোত কিন্তু ভেট, পদুম একোৱেই নাই। বিহ মেটেকা আৰু নানা বৰণৰ বনৰীয়া গছে পুখুৰীটোৰ চাৰিও কাষ আবৰি আছে। লাহে লাহে এখুজি দুখুজিকৈ ইটাগুৰীয়া পথেদি আগুৱাই গৈ আছো। যিমানেই গৈ আছো সিমানেই শুনিছো অস্ফুত হৰহেলিত হৈ শুই থকা অনামী, অদেহী কাৰোবাৰ হা-হুতাশ। মই ৰৈ গলো। কিবা যেন অৱসাদে সকলোকে গিলি থৈছে। পথাৰখনৰ মাজে মাজে ওখ হৈ থকা মাটিৰ ধাপ বিলাকলৈ চাই পঠিয়ালো। অজানিতে এটি হুমুনিয়াহ ওলাই আহি কাষৰ বতাহখিনিও ভাৰাক্ৰান্ত কৰি তুলিলে। গেইট খনৰ সিপাৰে সন্মুখত এখন পকী দেৱালে বাট ভেটি আছে।·· দেৱালখন ইমান ওখ যে ইয়াৰ সিপাৰে কি আছে তাক বাহিৰৰ পৰা বুজিব নোৱাৰি। ভিতৰলৈ যোৱাৰ পথো মাত্ৰ এটা। তাকো কোনোবাই ভিতৰৰ পৰা ইমান নিকপ্‌কপীয়াকৈ বন্ধ কৰি থৈছে যে বাহিৰৰ পৰা কোনোপধ্যেই খুলিব নোৱাৰি। দুখ, বেদনা আৰু হতাশাত মই একেবাৰে ভাগি পৰিলো। ভাবিলো দেৱালখনৰ গাতে খন্তেকপৰ জিৰণি লওঁ। সময় গৈ থাকিল। টোপনীয়ে হেচি ধৰিলে। প্ৰখৰ ৰদৰ তাপ আহি গাত লগাতহে বুজিব পাৰিলো— বেলি দুপৰ হ'ল। পুৱাতেই ওলাই আহিছিলো, এতিয়াও ইয়াতে আছো, যাবলৈও আছে বহুবাট। এইদৰে ভাবি চিন্তি থাকোতেই দেৱালখনৰ কাষতে কোনোবাই ফুচফ্‌চাই কোৱা শুনিলো। আহা, সোনাই আহা। তুমি আহিবা বুলি আমি বহুত দিনৰে পৰা বাট চাই আছো।

তেতিয়া মই কলো,… ‥ইমান ওখ দেৱালখন পাৰ হৈ কেনেকৈ যাওঁ। আকৌ ভিতৰৰ পৰা মাত আহিল —দুৱাৰ খোলাৰ সৰ্চাৰ কাঠি আমাৰ হাততো নাই। ওপ-ৰেদি জুপিয়াই আহা। তুমি পাৰিবা। কোনোমতে বহু কষ্টৰ মূৰত দেৱালখনৰ সিপাৰ পালোগৈ। গৈ দেখিলো …তাত জনপ্ৰাণীৰ সচ বুলিবলৈকে নাই। সকলো নিঃসাৰ সাৰ। কিবা যেন নাই নাই। ভয়বহতাই সকলোকে গিলি থৈছে।…

…… এখন জৰাজীৰ্ণ বাগিছা। বাগিছাৰ ফুলবোৰ অযত্নত মৰহি গৈছে। মোৰ ভয় লাগিল। হাত ভৰিবোৰ থৰক বৰক হ'ল। হু হু কৈ এছাটি বতাহে আহি কাণ দুখন গোম গোমাই থৈ গ'ল। মই চকু দুটা মুদি দিলো। … …তেতিয়া আকৌ কোনোবাই কলে, —ভয় নকৰিবা, এয়া চোৱা আমি ইয়াতেই আছো। ঘূৰি চাই ওচৰত কাকো দেখা নাপালো। মনত অলপ সাহ গোটাইলৈ অৱহেলিত নিৰ্জীৱ প্ৰায় ফুলবিলাকক মৰমেৰে হাত বুলাই বুকুত সাৱটি ললো। দুই এবাৰ কাঁইটে বৰ বেয়াকৈ বিন্ধিলেও। টোপাটোপ তেজ পৰিব ধৰিলে। মই যন্ত্ৰনাত কাতৰ হৈ পৰিলো। অলপ পিছতে দেখিলো মোৰ সেই তেজৰ টোপালবোৰ একো একোপাহ ৰঙা গোলাপ হৈ ফুলি উঠিল। পুনৰ বাগিছাখন বাৰে বৰণীয়া ফুলেৰে জাতিস্কাৰ হৈ ফুলি উঠিল।

"ঈশ্বৰৰ নাম অলেখ আছে। কিন্তু তাৰ ভিতৰতে অন্বেষণ কৰিলে এটি মাত্ৰ নাম পাব— সৎ সত্য। সেই কাৰণে সত্যইহে ঈশ্বৰ—।"

"সত্যৰ দৰ্শন অহিংসা বিনে হবই নোৱাৰে। সেই কাৰণে কোৱা হৈছে— অহিংসা পৰম ধৰ্ম।"

মহাত্মা গান্ধী।

এখনি ব্যংগ চিত্ৰ

# ছোভিয়েট দেশলৈ গৈছিলো



**নৰেন দাস**
স্নাতক তৃতীয়বৰ্ষ, বিজ্ঞান

ছোভিয়েত দেশ ছোৱাৰ আগ্ৰহ মোৰ ঠিক আজিৰ নহয়, বিজ্ঞান ভূমিষ্ঠ হোৱাৰ দিনাই মনস্থ কৰিছিলো যে মই ছোভিয়েত দেশ চামেই। সেই সকতে কৰা মনস্থ সন্তুষ্ট কৰিবলৈ এইয়ে উপযুক্ত বয়স বুলি ভাবি আছিলো যদিও যোৱাৰ কোনো আশাই দেখা নাছিলো। কিন্তু মোৰেই দুৰ্ভাগ্য নে সৌভাগ্য জানু যোৱা কেইদিনমানৰ আগতে হঠাৎ চান্সটো পাই গ'লো। একো উপায় নেপালে চিটি বাছৰ পাছফালে উলমি হলেও ছোভিয়েত চাম বুলি ভাবি থকাৰ কাৰণেই হয়তু চান্সটো এৰি দিবলৈ মন নগ'ল। সেয়ে ঘৰৰ গৰুহাল আৰু মাটি কেইবিঘা বন্ধকত দি টালি টোপোলা বান্ধি ছোভিয়েত দেশ পালোগৈ।

পায়েই পোনে পোনে পেটপূজা কৰো বুলি হোটেল এখনত সোমালো। ভাবিলো মমতা হোটেলত খোৱাৰ দৰে টানি টানি বন এটা খাম নতুবা শুকান ৰুটি দুটামান খাম। কিন্তু ক'তা, হোটেলত শুকান ৰুটি বন জাতীয় বস্তুবোৰৰ পাবলৈ নামগোন্ধেই নাই দেখোন, যিবোৰ আমাৰ অসমত য'তে ত'তে পায়। আবে, ইমান কম দামৰ বস্তুও ছোভিয়েত দেশত মেপায় নে? ভাবিলো আমাৰ অসমতে ভাল এখন হোটেলত সোমাই ইচ্ছামতে যি খোৱা খাই টকা এটা আৰামত দি গুচি আহা, পাৰিলে মালিককো দম দুটামান দি থৈ আহা। কিন্তু ইয়াত দেখোন চব ওলটা। হোটেলত একো নাখাম বুলি ভাবিছিলো যদিও বগা বগা মানুহবোৰে বেল বুলি ক'ব বুলিয়েই কিবা কিবি অলপ খাই গুচি আহিলো। আহিয়েই বাছ এখনত উঠি দিলো। ভাবিলো ভাড়া খুজিলে সোণৰ অসমৰ সানালী মনৰ ডেকাহঁতে দিয়াৰ দৰে Conductor ক ধমকি এটা দিম বা বৰকৈ খুজি থাকিলে সাতগোষ্ঠী উভালি গালি দি দিম। কিন্তু ক'তা ভিতৰত বহি থকাৰ বাহিৰে ঠিয় হৈ থকা মানুহ এটা দৰবত দিবলৈও নাই দেখোন। ভাড়া বেছিকৈ দিব লাগিব বুলি লাইব্ৰেৰী এটাৰ কাষতে নামি দিলো।

ভাবিলো লাইব্ৰেৰীতে সোমাই গল্প চল্প, হাঁহি-ধেমালি অলপ কৰো পাৰিলে গান-চান এটা গাওঁ। কিন্তু এয়া কি ভিতৰত দেখোন সকলোৱে বুৰ্ব্বকৰ দৰে পঢ়াত ব্যস্ত। কোনোবাই কিবা Note কৰাত ব্যস্ত। কাৰো মুখত এটা শব্দ নাই। ইহঁত বোবা নেকি বাৰু? পৰুৱা এটা পাৰ হৈ গ'লেও যেন শব্দ হ'ব তেনেকুৱা পৰিবেশ। পৰিবেশটো দেখি হঠাৎ আমাৰ কলেজৰ লাইব্ৰেৰীলৈ মনত পৰি গ'ল। আমাৰ হে ভাল ঈশ্বৰ। কোনোবাই হয়তু হিন্দী চিনেমাৰ গীত এটাকে মধুৰ সুৰেৰে গাই থাকিব। কাৰোবাক দেখিব টেবুলখনকে ড্ৰাম চেটৰ দৰে বজাইছে। কোনোবা কেইটামানে হয়তু দুজনীমান ছোৱালীৰ কথাকে কৈ জমাই আছে। আন দুটা মানক দেখিব Practical box ৰ পৰা ব্লেড উলিয়াই কিতাপৰ ৰঙীণ ছবি বোৰ কটাত ব্যস্ত। আৰু কত যে কি— মানে এটা বুজাব নোৱাৰা সুন্দৰ পৰিবেশ। এৰা হয়তো' লাইব্ৰেৰীৰ পৰি-

বেশ এনেকুৱা হে হ'ব লাগে।

আন এদিনৰ কথা। চিনেমা এখন চাওঁ বুলি হলৰ অভিমুখে খোজ দিলো। ভাবিলো ঠেলা-হেঁচাত পুলিচৰ মাৰ খেৱাতকৈ ব্লেকাৰৰ পৰা টিকট লৈ হলেও চিনেমাখন চাম। কিন্তু চিনেমা হল পাই চকুত পৰিল মানুহৰ এটা দীঘল শাৰী। এজনৰ পাছত এজনে আৰামত টিকট কৰি গৈ আছে। আৰু আমাৰ দৰে এটাৰ কান্ধত এটাই ভৰি দি টিকট কৰাৰ system টো দেখোন ইয়াত নাই। Counter ৰ সৰু ফুটা এটাত ৩৫ খনমান হাত সোমোৱাবলৈ চেষ্টা কৰি হাতৰ ছাল চিঙাৰ পদ্ধতিটোও দেখোন ইয়াত নাই। ব্লেকাৰ কেইটাক আগলৈ কৰি নিৰীহ মানুহবোৰক গৰুপিতন দিবলৈ এটাও পুলিচ নাই। মনক বুজাব নোৱাৰি এজনক শুধিয়েই পেলালো। "হেৰি ইয়াৰ চিনেমা হল বোৰত পুলিচ নাথাকে নেকি হে?" তেওঁ উত্তৰ দিলে বোলে এনে সাধাৰণ কাম এটাৰ বাবে পুলিচ আমাৰ ইয়াত নাথাকে। মানুহবোৰে ভদ্ৰভাৱে শাৰী পাতি এজনৰ পাছত এজনকৈ যদি টিকট লয় তেন্তে পুলিচৰ কি দৰকাৰ আছে বুলি ওলোটাই মানুহজনে মোক প্ৰশ্ন কৰাত লাজত ঘামি জামি হ'লৰ ভিতৰলৈ সোমাই গ'লো।

আন এদিন এজন বন্ধুৱে ভাৰতৰ পৰা আহিছো বুলি জানি গধুলি সাজটো তেওঁ ঘৰতে খাবলৈ নিমন্ত্ৰণ কৰাত ভাবিলো— ভালেই হ'ল বন্ধুজনৰ সতে অলপ আড্ডা মাৰিব পাৰিম। কিন্তু বন্ধুজনে ভাতৰ পাতত বহি বিজ্ঞানৰ ন ন আবিষ্কাৰৰ কথা, চন্দ্ৰত মানুহে ঘৰ সাজিবলৈ চেষ্টা কৰা আদিৰদৰে কথাবোৰ বলকি মোক Bore কৰি আছে। তাৰ মানে তেওঁলোকে ভাতৰ পাতত বহি আমাৰ দৰে পৰচৰ্চা, পৰনিন্দা নকৰে নেকি? কাৰুবাৰ উন্নতি দেখিলে কেনেকৈ তাক দেৱলীয়া কৰো, ধনী হোৱাজনক কেনেকৈ গতিয়াই গাঁতত পেলাওঁ, অমুকে বাতৰি কাকতত এনেদৰে লিখিছে, তাক পালে দাঁত ভাঙি দিম, অমুক মাষ্টৰে পৰীক্ষাত নকল ধৰে তাক গাড়ীৰে খুন্দিয়াই মাৰিব লাগে আদিৰ দৰে চিন্তা বোৰ, নকৰে নেকি? বন্ধুজনৰ লগত বেছি সময় নাথাকিলো। মানে পৰচৰ্চা কৰোতে কৰোতে বিজ্ঞান চৰ্চাৰ নিচিনা বেয়া চৰ্চাবোৰ কৰিবলৈ আজৰিয়েই নাই। সেয়ে মুখ মেলিবই মন নগল। আজিৰ দিনত বিজ্ঞান, সাহিত্য আদিৰ কথা পাতি মূৰ ঘমাইনে? হেৰ' জীৱনটোনো কেই দিনীয়া। এই কেইটা দিনতে ৰিক্সা-চালকক চৰিওৱা, মাঘ বিহুত কাৰোবাৰ বাৰীৰ শাক-পাছলি জেউৰা আদি চোৰ কৰা, বহাগত মদ-ফৰিকা খাই বীৰৰ দৰে অসভ্য মাত কিছুমান মাতি ফুৰা, চিনেমা হলৰ ভিতৰত বিকট চিঞৰ মৰা আদিৰ দৰে কামবোৰ নকৰ মৰিলেনো কৰিবি নে বুলি বন্ধুজনক শুধিম বুলি ভাবিছিলো। কিন্তু নুশুধিলো— ভয় লাগিল— জানোছা কেতেৰা-জেঙেৰা মাৰে।

ছোভিয়েত ৰাছিয়াত টাকুৰি ঘূৰাদি ঘূৰি মই এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে— তেওঁলোক আমাতকৈ বহুদিশত এতিয়াও পিছ পৰি আছে। আমাৰ দেশত দিনে ৰাতিয়ে চলি থকা কিছুমান কাণ্ডকাৰখানা তেওঁলোকৰ দেশত প্ৰচলন হ'বলৈ আৰু বহুযুগ বাট চাব লাগিব। ●

## মুখামুখি ঃ



### খ্যাতিমান চিত্ৰশিল্পী অভয় দুৱৰা ৰ সৈতে কেইটিমান অন্তৰংগ মুহূৰ্ত

(তুৱৰাদেৱৰ সৈতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰশান্ত কোঁৱৰ)

[ খ্যাতিমান চিত্ৰশিল্পী অভয় তুৱৰা আমাৰ সকলোৰে পৰিচিত। তুৱৰা ডাঙৰীয়া অসম তথা অসমীয়া জাতিৰ গৌৰৱ স্বৰূপ। জীৱনৰ মাজবাটতে প্ৰতিবন্ধীতাক সাৱটি নীৰৱে চিত্ৰ সাধনাত ব্ৰতী হোৱা শিল্পী জনাৰ মনৰ কথা জানিবৰ বাবে তেখেতৰ বাসভৱন ( লগ কেবিন ) পাইছিলোগৈ। তেখেতৰ বাসভৱনত— ]

? নমস্কাৰ। ৩৯তম সংখ্যাৰ কানৈয়ানত প্ৰকাশৰ বাবে আপোনাৰ পৰা কিছু কথা আমি জানিবলৈ বিচাৰিছোঁ, 'অনুগ্ৰহ কৰি ক'বনে ?

তুৱৰা ঃ নিশ্চয়।

? আপুনি বাৰু শিল্পী হোৱাৰ অনুপ্ৰেৰণা ক'ৰ পৰা পালে চমুকৈ ক'বনে ?

তুৱৰা ঃ ( কিছু সময় মৌন হৈ ) ১৯৩৬ চনৰ কোনোবা এটি দিনৰ কথা। আন ঠাইৰ দৰে ডিব্ৰুগড়তো আমোলাপট্টি নাট্য মন্দিৰৰ ৰংগমঞ্চত দুৰ্গা পূজা উপলক্ষে সেই সময়ৰ প্ৰখ্যাত অভিনেতা সকলৰ পৰিচালনাত কেইবাখনো নাটৰ আখৰা চলি আছিল।

সেই ৰংগমঞ্চতে ৺মুক্তা বৰদলৈকে প্ৰমুখ্যে কৰি কেইবাজনো প্ৰতিভাশালী শিল্পীয়ে দিনে ৰাতিয়ে নাটকৰ প্ৰয়োজনীয় ধুনীয়া ধুনীয়া দৃশ্যপটবোৰ আঁকি গৈছিল। এই সুন্দৰ কথা সৃষ্টিবোৰ মই তন্ময়হৈ একোণৰ পৰা চাই আছিলো মনতে এটি আশা লৈ— জানোচা কোনো এজন শিল্পী ভাগৰি পৰি তেওঁৰ হৈ মোকো অলপ ৰং সানিবলৈ ক'ব ! মোৰ মনৰ আশা ফলিয়ালে— শিল্পী মুক্তা বৰদলৈ হাঁহিয়াই, হিকতিয়াই আহি মোৰ ফালে তুলিকা ডাল আগবঢ়াই দি কলে— 'হেৰ' বোপাই এই ডাল ল' আৰু মই সনাৰ দৰে, সেই বাদামী ৰং খিনি তাত সাৱধানেৰে সানি যা।

কোনো উত্তৰ নিদি মই তেখেতে দিয়া তুলিকা ডাল হাততে ললোঁ। তুলিকা ডাল খামোচ মাৰি ধৰাৰ লগে লগেই মোৰ শৰীৰৰ মাজেদি এটি শিহৰণ পাৰ হৈ গ'ল। সেই মুহূৰ্ত্ততে মই যেন "ডাঙৰ" হলোঁ আৰু ৰং সানি যোৱা মাৰ্কিন কাপোৰৰ ওপৰৰ তুলিকাৰ আঁক আৰু লেপনিবোৰো যেন পৈনত শিল্পীৰহে ! সেইদিনাৰ পৰাই মনত সপোনৰ ৰং, লুকা-ভাকু খেলা ছবিবোৰ আৰু হাতত তুলিকা এসোপা লৈ গ'ত-ত'ত বৈ, আগুৱাই গৈ আছো।

? এতিয়ালৈকে আপুনি কিমান ছবি আঁকিলে আৰু কোন খন ছবি আঁকি আপুনি সন্তোষ্ট ( satisfy ) হৈছে ?

তুৱৰা ঃ কিমান ছবি আঁকিলো তাৰ সঠিক হিচাব নাই। মোৰ বহুতো ছবি নষ্ট হ'ল। আৰৈশমান আনক বিলালেঁ। সৰু সুৱা স্কেচবোৰ বাদ দি মোৰ ওচৰত অইল পেইন্টিং বিশ খন মানহে আছেগৈ। দুই এখন উচিত মূল্যত

বিক্রি কৰিছোঁ।

চিলঙত হাতত গিটাৰ লৈ পাইন গছবোৰৰ তলৰ জুৰিৰ কাষত নাচি-বাগি গান গাই জপিয়াই ফুৰা জীৱন্ত খাচী মনালিচাহঁতৰ দৃশ্যবোৰ ৰোমন্থন কৰি বৰ ভাল লাগিছিল। বন্ধু ভূপেন হাজৰিকাই গোৱা "চিলঙৰে মনালিচা লিংডো" গীতটো শুনাৰ পাছত মোৰ মনত সেইবোৰ দৃশ্য আৰু জল-জল, পট্‌পট্‌কৈ ভাঁহি উঠিল। মাত্ৰ চাৰিদিনতে "মনালিচা লিংডো" ছবি খন কেনভাচত জীৱন্ত হ'ল। এই খন ছবি আঁকিয়েই মই satisfy হৈছো।

? আনে অঁকা কোনখন ছবি আপোনাৰ বেছি ভাল লাগে?
উত্তৰ: Tahitian Girl আৰু Les. Seins Aux Henrus Ronges.

? শুনিছোঁ আপুনি জয়মতী কথাছবিৰ নায়িকা "ডালিমী" (স্বৰ্গজ্যোতি দত্ত) ৰ ছবি আঁকিছে। উক্ত ছবি খনৰ বিষয়ে অলপ কওকচোন?
উত্তৰ: গুৱাহাটিৰ নিউ প্ৰেছৰ দাঁতিত "জয়মতীৰ চুটিং চলি থকাৰ সময়ত স্বৰ্গজ্যোতিক দেখিছিলোঁ ডালিমীৰ বেশত। সেই দৃশ্যটোৱে মোৰ মনত সাঁচ বহাই থৈ গ'ল। তাৰ বহু বছৰৰ পাছত এদিন হঠাতে মোৰ বন্ধু সজনৰ হাতত স্বৰ্গজ্যোতিৰ এখন সৰু ফটো পালোঁ। সেই ফটো খনৰ সহায়ত মোৰ মানস পটত চাব ধৰি থোৱা তেতিয়াৰ ডালিমীৰ ৰূপত দেখা স্বৰ্গজ্যোতিৰ ছবি খন আঁকিছিলোঁ। ছবিখনে যথেষ্ট সমাদৰ পাইছে। মই জনাবলৈ পাই সুখী হৈছোঁ যে অলপতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে মোৰ পৰা ডালিমী ফটোখন নগদ ৪০০০.০০ (চাৰি হাজাৰ) টকাত কিনি নিছে। ফটোখন ডিব্ৰুগড় বিশ্ববিদ্যালয় গ্ৰন্থাগাৰৰ বাতৰি কাকতৰ কোঠাত আছে।

? আপোনাৰ শিল্পী জীৱনৰ মধুৰতম আৰু বিষাদৰ দিনৰ স্মৃতিৰ বিষয়ে আমাক জানিবলৈ দিব নেকি?
উত্তৰ: চাকৰিৰ তাগিদাত ১৯৪৮ চনত চিলং মহানগৰী পাইছিলোগৈ। হঠাতে পৰিবেশ সলনি হ'ল। ক'ত সেই আমোলাপট্টিৰ সন্ধ্যাৰ জনশূণ্য পথ আৰু চিলঙৰ পুলিচ বজাৰৰ সন্ধ্যাৰ জাক-জমকীয়া হুলস্থূলীয়া ব্যস্ততা। ডঃ ভূপেন হাজৰিকাই চিলঙৰ গধূলীত "সপোন চহৰত মৰমী সৰগ' পাইছিল। আমি কেউজন শিল্পীয়ে তাতেই এখন মিনি 'তাহিতি' বিচাৰি পাইছিলো।

উমখ্ৰা নৈ যেন আমাৰ বাবে এখন সৰু "ছিয়েন"

আমি চাৰি জন বন্ধুৱে ইংৰাজ চাহাবে বেচি থৈ যোৱা উমখ্ৰা নৈৰ পাৰৰ "strathmore cottage" নামৰ এটি সৰু ঘৰত মেছ কৰি আছিলোঁ। তাত ৫০ খন মান খাচীয়া গাভৰুৰ ছবি আঁকিলো নতুন ধৰণৰ বহনেৰে মোৰ কোঠাটোৰ পাছফালে পুৰা ৰ'দ পৰা বাৰান্দাখনত। সিহঁতৰ বেছি ভাগেই শিক্ষয়িত্ৰী। ছবি আঁকিবলৈ আনন্দেৰে আহে লগত এজনী লৈ। দুয়োজনীৰে আঁকিব লাগে। সিহঁতৰ অনুৰোধ মাত্ৰ এটা— ছবিখনৰ কাণত এযোৰ সোণৰ দুল, হাতত সোণৰ বালা আৰু এটা সোণৰ হাতঘড়ী আঁকি দিব লাগে। কি সুন্দৰ "বাৰ তাৰ"। ধনেৰে কিনিব নোৱাৰা অলংকাৰ কেইপদ ৰঙেৰে দি সিহঁতৰ মুখত হাঁহি বিৰিঙালোঁ। তাকে পাই হাতত ছবিখন লৈ গৌৰৱেৰে যায়গৈ "কিন আইগা হ" বুলি কৈ। এইবোৰ দিনৰ স্মৃতিয়ে আজিও আনন্দ দিয়ে।

মোৰ জীৱনৰ আটাইতকৈ দুখৰ দিন আছিল সেইটো যিটো দিনত মোৰ ছবছৰীয়া একমাত্ৰ কন্যা সন্তানটিয়ে আমাক এৰি গুচি যায়। (সেই দিনাই সো ছবিখন আঁকিছিলোঁ বুলি বেৰত আঁৰি থোৱা এখন symbolic oil painting লৈ আঙুলিয়াই দেখুৱায়)। আটাইক লৈ বহু কিবা-কিবি কৰিম বুলি ভাবিছিলোঁ যদিও মোৰ জীৱনটো এচমকা ক'লা ডাৱৰে হঠাতে আবৰি পেলালে। ১৯৭৬ চনৰ আগষ্ট মাহৰ বিশ তাৰিখে হঠাতে ষ্ট্ৰক হৈ শৰীৰৰ বাঁওফালটো অৱশ হৈ পৰিল। বহু চিকিৎসাৰ মূৰত উপশম পালোঁ যদিও এতিয়া ভালদৰে চলাফিৰা কৰিব নোৱাৰোঁ। মোৰ দৰে এজন পংগু শিল্পীয়ে ছবি আঁকি উচিত মূল্য নাপালে দুখ লগাটো স্বাভাৱিক। অ গ প চৰকাৰে মোৰ পৰা ৰাভাদেৱৰ এখন ফটো আঁকাই নি কেলেণ্ডাৰ উলিওৱাৰ উলিয়ালে। কিন্তু তাৰ বিনিময়ত পাব লগীয়া মাননীৰ এপইচাও মোৰ হাতত পৰাহি নাই। এই বিষয়ে চৰকাৰলৈ লিখিছো যদিও কোনো ফল ধৰা নাই।

? কেনে ধৰণৰ উপাদানৰ ওপৰত ভিত্তি কৰি আপুনি ছবি আঁকে ?

তুৰৰা : কিছুমান সৰু বৰ ঘটনা:— যেনে সুন্দৰৰ বিজুলী চমক দৰ্শন, আমাৰ কেওফালে ঘোৰা অমানুষিক ভয়াবহ ঘটনাবাজি ; কোনো শ্বহীদৰ অকাল মৃত্যুত তেওঁৰ দুখীয়া পজাঁ ঘৰৰ ক্ৰন্দনৰ কোলাহল, এনে ধৰণৰ নানান ঘটনাই মোৰ মনত ভালদৰে সাঁচ বহুৱালে মোৰ হাতৰ তুলিকা-বোৰে, মোৰ চোকা দৃষ্টিত কেনভাচত তেল মিহলি ৰংবোৰ সানি সানি এখন ছবি সৃষ্টি কৰে ।

? তুৰৰা ডাঙৰীয়া, শেষত ডিব্ৰুগড় চহৰৰ বিষয়ে আপোনাৰ ধাৰণা কি কওকচোন । বৌদ্ধিক আৰু শিল্পৰ দিশত আপুনি নতুন চাম লৰা-ছোৱালীৰ বিষয়ে কিবা কব নেকি ?

তুৰৰা : অভাৱৰ মুখ নেদেখা, অনবৰতে ব্ৰহ্মপুত্ৰৰ শীতল বা বলি থকা ডিব্ৰুগড়খন সঁচাকৈয়ে এখন মনোৰম চহৰ । কৰ্তৃপক্ষই যত্ন কৰা হ'লে চহৰখন আৰু সুন্দৰকৈ সজাই পৰাই তুলিব পাৰিলেহেতেন । কিন্তু কৰ্তৃপক্ষৰ চৰম অৱহেলাৰ বাবে চহৰখন আবৰ্জনাৰে ভৰি পৰিছে ।

শিল্পৰ দিশত ডিব্ৰুগড়খন অন্যান্য চহৰৰ তুলনাত যথেষ্ট আগবঢ়া । অলপতে আমোলাপট্টি নাট্য মন্দিৰত Dibrugarh Art Players Society (D A P S)য়ে অনুষ্ঠিত কৰা প্ৰদৰ্শনীত যথেষ্ট সংখ্যক প্ৰতিযোগিয়ে অংশ গ্ৰহণ কৰি উন্নত মানদণ্ডৰ ছবি প্ৰদৰ্শন কৰে । প্ৰদৰ্শনীৰ ফটেবোৰে মোক আশাবাদী কৰি তুলিছে ।

ধন্যবাদ তুৰৰা ডাঙৰীয়া ।

( সম্পাদকৰ সৌজন্যত সাক্ষাৎকাৰটি গ্ৰহণ কৰিলে মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপ্ৰশান্ত কোৱঁৰে । )

# বিহংগম দৃষ্টিৰে ঃ

# কানৈ মহাবিদ্যালয়

১৯৪৫ চনৰ ১৫ জুন তাৰিখে ডিব্রুগড় চহৰৰ এমুঠি মান জ্ঞানপিপাসু লোকৰ প্রচেষ্টাত গঢ় লৈ উঠে বর্তমানৰ "কানৈ মহাবিদ্যালয়" "ডিব্রুগড় মহাবিদ্যালয়" নামেৰে। বর্তমান কানৈ মহাবিদ্যালয় কেৱল অসমৰে নহয় উত্তৰ পূর্বাঞ্চলৰ আগশাৰীৰ মহাবিদ্যালয় সমূহৰ ভিতৰতে অন্যতম। যোৱা ৪৩ বছৰীয়া ইতিহাসৰ পাত লুটিয়াই চালে এই মহাবিদ্যালয়ৰ অগ্রগতিৰ বিষয়ে এটি ধাৰণা কৰিব পৰা যায়।

কানৈয়ান হিচাবে আপোনাৰো আপুনি পঢ়ি থকা মৰমৰ মহাবিদ্যালয়খনৰ ইতিহাস ফহিয়াই চাবলৈ মন নেযায় নে? আহকচোন আমি মনত পেলাওঁ বিগত দিন বোৰক—

উল্লেখযোগ্য ঘটনা ঃ— ( প্রতিষ্ঠাৰপৰা বর্তমানলৈকে )

১৯৪৫— ডিব্রুগড় কলেজ ( বর্তমান কানৈ কলেজ ) মঃ ফৈজনুৰ আলিৰ ডাঙৰীয়াৰ দ্বাৰা শুভ উন্মোচন। ছাত্র-ছাত্রী সংখ্যা আছিল ৮০ গৰাকী মাত্র।

১৯৪৬— কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি লাভ।

১৯৪৭— ডিব্রুগড় কলেজ আলোচনী (কানৈয়ান) প্রথম সংখ্যাৰ প্রকাশ। সম্পাদিকা ইৰা দত্ত। মহাবিদ্যালয়ৰ পৰা প্রথমবাৰৰ বাবে ৮ জন ছাত্র-ছাত্রী আই এ পৰীক্ষা অবতীন হয়।

১৯৪৯— ডিব্রুগড় কলেজৰ নতুম নামাকৰণ।

১৯৫০— (২৫ চেপ্তেম্বৰ) ঃ— ডিগবৈ এ অ' চি ৰ জেনেৰেল মেনেজাৰ এ এইচ লুইচৰ দ্বাৰা বিজ্ঞান শাখা মুকলি।

১৯৫১— (১১ ডিচেম্বৰ) মহাবিদ্যালয়ত বহা এখন সভাত মুখ্যমন্ত্রী বিষ্ণুৰাম মেধিক এখন স্মাৰক পত্রৰ যোগেদি বেৰী হোৱাইট মেডিকেল স্কুলৰ খালী হৈ থকা ঘৰবোৰ মহাবিদ্যালয়ক ব্যৱহাৰ কৰিব দিবলৈ অনুৰোধ জনোৱা হয়। কলেজৰ ছাত্র-ছাত্রী সাতশলৈ বৃদ্ধি পায়। কলেজৰ আলোচনী খনৰ নাম সাময়িক ভাবে "ডিব্রুগড় কলেজ আলোচনী"ৰ ঠাইত "কলেজ আলোচনী" ৰখা হয়।

১৯৫২— Sc পৰীক্ষাত প্রথমবাৰৰ বাবে অবতীর্ণ হয়।

১৯৫৪— নতুন মহাবিদ্যালয় ভৱন নির্মানৰ বাবে ৰায় চাহাব কানৈৰ দ্বাৰা মহাবিদ্যালয়ৰ নামত ৩০,০০০ টকাত ৭ বিঃ ২ কঃ ১১ লোঃ মাটি ক্রয়।

১৯৫৫— ( ৯ ফেব্রু ) এই শুভদিনৰ আবেলি বিত্ত মন্ত্রী মতিৰাম বৰাই কানৈ মহাবিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে।

( ৬ মার্চ ) মহাবিদ্যালয়ৰ অনুষ্ঠানত প্রথম সহ অভিনয়ৰ বাবে অনুমতি প্রদান।

১৯৫৭— মহাবিদ্যালয়ৰ একাদশ সংখ্যাৰ আলোচনী "কানৈ কলেজ আলোচনী" নামেৰে নামাকৰণ।

২২ মে— বিষ্ণুৰাম মেধিৰ দ্বাৰা ছাত্রী নিবাসৰ আধাৰশিলা স্থাপন।

১৯৫৮— সর্বপল্লী ৰাধাকৃষ্ণনৰ দ্বাৰা মহাবিদ্যালয়ৰ নতুন ভৱন উদ্বোধন। ছাত্র-ছাত্রীৰ সংখ্যা ১৮০০ (ছাত্রী ৪০০)। দিল্লীত হোৱা যুৱ মহোৎসৱৰ নাটক প্রতিযোগিতাত মহাবিদ্যালয়ৰ দল দ্বিতীয়।

১৯৬১— মহাবিদ্যালয়ত সংস্কৃত, ইতিহাস স্নাতোকোত্তৰ ( M A ) শ্রেণীৰ আৰম্ভ।

১৯৬২— "কানৈ বাণিজ্য মহাবিদ্যালয়" নামেৰে স্বকীয়া

মহাবিদ্যালয় প্ৰতিষ্ঠা।

১৯৬৩— সুকীয়া মহিলা মহাবিদ্যালয় 'মনোহাৰী দেৱী কানৈ' আৰম্ভ। অধ্যক্ষ যোগীৰাজ বসু মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে নিযুক্ত। আৰু লক্ষী প্ৰসাদ দত্তক কানৈ মহা-বিদ্যালয়ৰ অধ্যক্ষ ৰূপে নিযুক্তি।

১৯৬৫— সুশীল দত্ত নতুন অধ্যক্ষ হিচাবে কাৰ্য্যভাৰ।

১৯৬৭— দাতা হনুমান বক্স সুৰজমল কানৈৰ মৃত্যু।

১৯৬৬— কানৈ মহাবিদ্যালয় কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনলৈ অনা হয়।

১৯৭২— কানৈ মহাবিদ্যালয় ২৫ বছৰত ভৰি দিয়াৰ উপলক্ষে মহাসমাৰোহেৰে ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হয়।

বি দ্ৰঃ [ ১৯৭২ চনৰ পাছৰ তথ্য সমূহ মহাবিদ্যালয়ৰ কাৰ্য্যালয়ত বহুতো ফাইল লুতিয়াই বগৰাই বিচাৰি নোপোৱাত উল্লেখ কৰিব পৰা নহ'ল। ]

কলিকতা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰীক্ষাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰই দেখুওৱা কৃতিত্ব এনে ধৰণৰ ঃ

1949 : Eight students got graduation from our College for the 1st time.

1950 : 1 Com : Secured 2nd, 4th, 6th and 8th position
B. A. : 1st class 1st, sanskrit.
: Distingtion— one.

1951 · B. A. : Distintion— 4 students.
B. Com : Distingtion. securing highest mark in the University.

1952 : I Com : 1st, 6th, 7th, 8th and 10th position in the university
B. Com : Distiontion ( 1st in university )

1953 : I. A. : 7th position Calcutta university
I. Com : 1st position " "
I. Sc : percentage wise our college got 3rd position in Cal, university
B. Com : Distiontion 6 students ( one got 2nd position )

1955 : I. A : 5th and 9th position in the university
I. Com : Secured 2nd, 4th, 8th, 9th and 11th position in Cal university

1956 : B. A : 1st class and 6th (History) 5th class ( English )
1st position Distiontion
7th " "

1957 : I Sc : Sarat Dutta, 7th position and secured highest mark in English in Cal university.

1960 : I Com : 1st and 2nd position in the university.

1962 : I. A : 6th and 9th position in the university
B. A. : 1st class 4th ( History )

1963 : I Sc : 4th and 10th position ( highest mark in chemistry under Cal university )

1964 : I Sc : 7th position.
I A : highest mark in Logic
B. Com : 1st class 1st.
1st class 2nd, 7th, 10th
Advance Accountancy.

1965 : B. Sc : Eight students got Distingtion

Dibrugarh University

1966 : P. D. (Sc) : 8 students stood among the 10 position
B. Sc : Distiontion 4 students.

1967 : P. D. (Sc) : 2nd, 5th, 7th position in the university.
B. Sc : Distinotion 7 students.

1968 : P. D. (Sc) : 1st and 2nd in university
P. D (Arts) : 9th position

1969 : P. D. (Sc) : 1st, 4th, and 9th position.
P. D. ( Arts) : 5th position.

1970 : P. D (Sc) : 1st, 3rd, 6th, 7th and 10th position in university
P. D. (Arts) : 1st in university.
( got scholarship from U. S. A. )

1971 : P. D. (Arts) : 2nd position.
P. D. (Sc) : 2nd, 3rd, 4th, 7th position.
B. Sc : 1st class 1st physics.
1st " 3rd "
1st " 4th "

1978 : B. A : 2nd class 1st — Economics;
" " 4th — Philosopy
1st " 1st — Sanskrit
2nd " 3rd — Geography
2nd " 4th — "
2nd " 5th — "
Distingtion — two students

1978 : B. Sc : 1st class 1st — Physics
2nd " 5th — "
1st class 5th — Chemistry
1st class 1st — Botany
2nd " 2nd — Zoology
1st " 2nd — Math.
1st class 1st — Anthropology
2nd class 1st — "
2nd class 2nd — "
2nd class 3rd — "
2nd class 4th — "
2nd class 5th — "
2nd class 6th — "

1978 : P D. Sciencc : Stood 9th position.

1981 : B. A. 2nd class 5th — Assamese
2nd " 1st — Economics.
" " 2nd — "
" " 3rd — Philosophy
" " 1st — Math.
B. Sc. 1st Class 4th — Physics
2nd " 2nd — "
2nd " 5th — "

1982 : B. A. 2nd Class 2nd — Assamese
" " 1st — Economics
" " 3rd — Geography
B. Sc. 1st " 3rd — Physics
2nd " 1st — "
" " 2nd — "
" " 1st — Math
" " 1st — Anthro

1982 : P. D. (Sc.) 1st position Stood
2nd " "
3rd " "
4th " "
5th " "
6th " "

1983 : P. D. Sc. 2nd position Stood
7th " "
8th " "

1983 : B. Sc. 2nd class 4th — Physics
1st ,, 4th — Math
1st ,, 4th Botany
1st ,, 1st Anthropology
2nd ,, 1st ,,
2nd ,, 2nd ,,
2nd ,, 3rd ,,
2nd ,, 4th ,,
2nd ,, 5th ,,

B. A — 2nd Class 2nd Phillosophy
2nd ,, ,, Geography
2nd ,, 4th ,,

1984 : B. A. 2nd Class 5th English
,, ,, 5th Geograph
B. Sc 2nd ,, 3rd Chemistry
,, ,, ,, Math
,, ,, 1st Botany

1985 : P. D. Sc 3rd position Stood
B. Sc 2nd class 1st Physics
,, ,, 2nd ,,
,, ,, 3rd ,,
1st ,, 1st Botany
1st ,, 1st Math
1st ,, 1st Anthro

1986 : P D Sc 7th position Stood
H S S L C 9th ,, ,,
Sc

1987 : B A 2nd Class 1st Geography

উল্লেখিত তথ্য সমূহ বিচাৰ কৰি চালে তেতিয়াৰ কানৈ মহাবিদ্যালয় আৰু বৰ্ত্তমানৰ কানৈ মহাবিদ্যালয়ৰ মাজত পাৰ্থক্য দেখা যায়। সেই সময়ত আমাৰ মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল সমূহ যেনেধৰণৰ আছিল আজি কেইবছৰ মানৰ আগৰ পৰা তেনে ধৰণৰ ফলাফল দেখা পোৱা নাই। প্ৰশ্ন হয় সঁচাকৈয়ে আমাৰ মহাবিদ্যালয়ত শৈক্ষিক পৰিবেশৰ অৱনতি ঘটিছে নেকি? সাহিত্য ক্ৰিয়া আৰু সাংস্কৃতি তথা অন্যান্য দিশতো একে কথা।

মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সকল— ডঃ যোগীৰাজ বসু, লক্ষীপ্ৰসাদ দত্ত, সুশীল দত্ত, শ্ৰীমতী লক্ষীদা দত্ত।

মহাবিদ্যালয়ৰ পৰা প্ৰথম স্নাতক ডিগ্ৰী পোৱা ছাত্ৰ সকল— শ্ৰীমতী সুপ্ৰভা দাস, শ্ৰীমতী কৃষ্ণা বসু, শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, আজিজুৰ ৰহমান, সাৰদানন্দ বৰুৱা, শৈলেন্দ্ৰ নাথ মুখাৰ্জী, বল্লভ চন্দ্ৰ মহন্ত, ৺তাৰা প্ৰসন্ন দাস।

বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ৰ স্থিতি :—

সম্পূৰ্ণ নাম : ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়।

অধ্যক্ষ :— শ্ৰীযুত কল্যান কুমাৰ বৰুৱা

শিক্ষক-শিক্ষয়ত্ৰীৰ সংখ্যা — ৮০ জন

ডক্টৰেট ডিগ্ৰীধাৰী শিক্ষক শিক্ষয়ত্ৰীৰ সংখ্যা — ১২ জন

মহাবিদ্যালয়ৰ মুঠ কৰ্মচাৰীৰ সংখ্যা— ৩৭ জন

মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা— ১৭৮০ (১৯৮৭-৮৮ চনৰ হিচাব অনুসৰি)

গ্ৰন্থাগাৰত থকা মুঠ গ্ৰন্থ— প্ৰায় ১৫,০০৩ ইয়াৰ উপৰিও দৈনিক, সাপ্তাহিক আৰু মাহেকীয়া বাতৰিকাকত আলোচনী ইত্যাদি।

ছাত্ৰাবাসৰ আসন— ১২০ খন

ছাত্ৰীবাসৰ আসন— ৯৫ খন

ছাত্ৰাবাস / ছাত্ৰীবাসৰ মুঠ কৰ্ম্মচাৰীৰ সংখ্যা— ১২ জন

পাঠ্যক্ৰম : উচ্চতৰ মাধ্যমিক কলা দিবা + পুৱা।
তিনিবছৰীয়া স্নাতক ,, ,,
উচ্চতৰ মাধ্যমিক বিজ্ঞান দিবা
তিনিবছৰীয়া স্নাতক বিজ্ঞান ,,

মুঠ বিষয়ৰ সংখ্যা ১৬ টা।

সন্মান থকা বিষয় সমূহ— অৰ্থনীতি বিজ্ঞান, ৰাজনীতি

বিজ্ঞান, ইতিহাস, দর্শন শাস্ত্র, অসমীয়া, ইংৰাজী, সংস্কৃত, ভূগোল, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, নৃতত্ব, জীৱবিদ্যা, উদ্ভিদ বিদ্যা, অংক।

ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ত শিক্ষা, সমাজ শাস্ত্ৰ, ভূ-তত্ব বিজ্ঞান, ইত্যাদি নথকাটো বৰ পৰিতাপৰ কথা। মহাবিদ্যালয় খনিৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে কৰ্তৃপক্ষ, ছাত্ৰ শিক্ষক সকলোৱে মনোনিবেশ কৰা উচিত।

জয়তু কানৈ মহাবিদ্যালয়।

নিৱন্ধটি যুগুতাওঁতে গ্ৰন্থাগাৰৰ দায়িত্বত থকা শ্ৰীমতী নীৰদা দত্ত আৰু সম্পাদকে।

ভাৰত বাংলাদেশী সীমান্তত কাঁটা তাৰৰ বেৰা দি বাংলাদেশী ৰুধিবলৈ বাংলাদেশীবোৰ এজাক ভেৰা নহয়।

অভয় দুৱৰা